A.L.A. Debates 1989
17Th May to 31st May
VOL — V
A.L.A. Library
NIL-NO. 23-5-1989
25-5-1989
26-5-1989

L

NINTH ... LATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

Vol. 1

No. 31 — 40

The 17th May, 1989

Price—Rs. 18.00

CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1—42 |
| 2. | Miscellaneous | 43 |
| 3. | Voting on Demands for Grants | 43—91 |
| 4. | Introduction Government Bill | 91—92 |
| 5. | Adjournment | 92 |
| 6. | Annexure I, II, III, IV. | 93 – 10 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Wednesday, May 17, 1989

The House met at Nine of the Clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED QUESTIONS & ANSWERS

( To which oral answers were given )

### বিষয় : মন্দিৰা নিছলামাৰী ৰাস্তা

শ্ৰীগোপীনাথ দাসে সুধিছে :

*৬১৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত "মন্দিৰা নিছলামাৰী ৰাস্তাৰ" দলংবোৰ বেয়া হোৱা বাবে মটৰ গাড়ী চলাচল কৰাটো বন্ধ কৰি দিয়া কথাটো সচাঁনে ?

(খ) যদি সচাঁ তেন্তে চৰকাৰে উক্ত ৰাস্তাৰ দলংবোৰ মেৰামতি কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

(গ) যদি ব্যৱস্থা গ্ৰহণ কৰা হৈছে তেন্তে কিমান দিনৰ ভিতৰত দলংবোৰ মেৰামতি কৰা হব ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, সচাঁ।

(খ) পুঁজিৰ অভাৱত কৰিব পৰা হোৱা নাই।

(গ) প্ৰশ্ন নুঠে।

শ্ৰীগোপীনাথ দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে প্ৰায় বিলাক প্ৰশ্নৰে উত্তৰত এটা কথাই কয় যে পুঁজিৰ অভাৱত কৰিব পৰা নাই। এই ৰাস্তাটোত গাড়ী চলাচল আজি প্ৰায় ৩ মাহৰ পৰা বন্ধ হৈ আছে। অলপ পুঁজিৰ ব্যৱস্থা কৰি হলেও ৰাস্তাটোৰ দলং কেইখন মেৰামতি কৰি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই যি উত্তৰ দিছো সেইটো সত্যৰ ওপৰত প্ৰতিস্থিত। ৰাস্তা মেৰামতি কৰাৰ বাবে টকা বিচৰা হৈছিল ১ কোটি ২০ লাখ আৰু পোৱা হ'ল মাত্ৰ ৩০ লাখ টকা। তেখেতে এই সম্পৰ্কত আগতেও বহুত প্ৰশ্ন কৰিছে কিন্তু মই চেষ্টা কৰি চাম বুলি কোৱাৰ বাহিৰে একো কব নোৱাৰো।

Mr. Speaker : No were supplementery is necessary, please sit down. Now, next question.

## বিষয় : শ্ৰমিকৰ বেচন

শ্ৰীহেমেন দাসে সুধিছে :

*৬১৫। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নাহৰকটীয়াৰ আনন্দ চাহ কোম্পানীৰ পানীবুৰা ডিভিজনৰ শ্ৰমিক সকলৰ নিৰ্ভৰশীল ( Dependent ) সকলক আজিলৈকে বেচন নিদিয়াৰ কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে ইয়াৰ কাৰণ কি ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( শ্ৰম মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) নাহৰকটীয়াত আনন্দ চাহ কোম্পানীৰ কলিয়াপানী চাহ বাগিচাৰ পানী বুৰা নামৰ এটা ডিভিজন আছে কিন্তু তাত কোনো আবাসিক শ্ৰমিক নাই। যিহেতু কেবল আবাসিক শ্ৰমিকৰ নিৰ্ভৰশীল ( Dependent ) সকলহে বেচন পাব পাৰে। গতিকে উক্ত অনা-আবাসিক শ্ৰমিকৰ নিৰ্ভৰশীল সকলে বেচন পোৱাৰ কথা নুঠে।

(খ) 'ক' প্ৰশ্নোত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, বেচন পাবলৈ হলে আবাসিক শ্ৰমিক হব লাগিব। প্ৰথম চৰ্ত স্থায়ী শ্ৰমিক হব লাগিব। এতিয়া স্থায়ী শ্ৰমিক আছেনে নাই ? যদি আছে স্থায়ী শ্ৰমিকৰ নিৰ্ভৰশীল সকলক বেচন দিয়া কিয় হোৱা নাই ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২০-১০-৬৯ তাৰিখে শ্ৰমিক সংগঠন আৰু মালিক সংগঠনৰ মাজত চুক্তি হৈছিল আৰু সেই

চুক্তি মতে আচলতে আবাসিক শ্ৰমিক সকলকহে ৰেচন দিব লাগে। উক্ত বাগানখনত আবাসিক শ্ৰমিক নাই গতিকে শ্ৰমিকৰ নিৰ্ভৰশীল সকলক ৰেচন দিয়াৰ কথা নুঠে।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, প্ৰথমতে স্থায়ী হব লাগিব আৰু স্থায়ী শ্ৰমিক যদি আছে তেনেহলে তেওঁলোকক ৰেচন দিব লাগিব। প্ৰশ্ন হৈছে স্থায়ী শ্ৰমিক আছেনে নাই ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই উত্তৰত কৈছো যে, ২০-১০-৬৯ তাৰিখে মালিক সংগঠন আৰু শ্ৰমিক সংগঠনৰ মাজত এখন চুক্তি হৈছিল আৰু সেই চুক্তিমতে আবাসিক স্থায়ী শ্ৰমিকৰ নিৰ্ভৰশীল সকলে ৰেচন পায়। উক্ত বাগানখনত আবাসিক শ্ৰমিক নাই। গতিকে শ্ৰমিকৰ নিৰ্ভৰশীলে ৰেচন পোৱাৰ প্ৰশ্ন নুঠে।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, স্থায়ী আৰু আবাসিক কৰাতো বাগান কৰ্তৃপক্ষৰ দায়িত্ব। মই জানিব বিচাৰিছো যে, মালিক আৰু মজদুৰৰ চুক্তিত স্থায়ী শ্ৰমিকে পাব নালাগে বুলি লিখা আছেনেকি ? যদি নাই তেনেহলে চুক্তিৰ কপি এটা সদনৰ মজিয়াত দাখিল কৰিবনেকি ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, চুক্তিৰ কপি এটা সদনত দিয়া হব।

শ্ৰীপদ্মনাথ কৈৰী : অধ্যক্ষ মহোদয়, আমাৰ স্থায়ী শ্ৰমিকৰ দিপেনদেণ্ট সকলে ৰেচন পায়নে নাপায় ? যদি স্থায়ী শ্ৰমিক আবাসিক হলে নাপায় তেনেহলে তেওঁলোকক স্থায়ী শ্ৰমিকৰ দৰে বাসগৃহ অনতিপলমে নিৰ্মান কৰি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, চাহ বাগানত কাম কৰা শ্ৰমিক সকলৰ কেইবাটাও কেটিগৰি আছে। যি সকল বস্তিৰ পৰা আহে তেওঁলোকক কোনো আবাস গৃহ দিয়া নহয়। অসমৰ সকলো বাগিছাতে পৰম্পৰাগত ভাবে এই নীতি চলি আহিছে। কিছুমান চাহ বাগানৰ ভিতৰত থাকে আৰু তেওঁলোক স্থায়ী শ্ৰমিক ৰূপে থাকে আৰু সেই সকলৰ কাৰণে আবাস গৃহ তৈয়াৰ কৰা হয়। বস্তিৰ শ্ৰমিকে চাহ বাগানৰ মাজত থাকিবলৈ আহিব নিবিচৰাৰ দৃষ্টান্ত আছে। গতিকে যি সকল স্থায়ী শ্ৰমিকে বস্তিৰপৰা

আহি কাম কৰে তেওঁলোকে ৰেচন পায় কিন্তু তেওঁলোকৰ নিৰ্ভৰশীল সকলক দিয়া নহয়।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ: অধ্যক্ষ মহোদয়, এই ডিভিজনত নন ৰেচিদেণ্ট পাৰ-মেনেণ্ট ওৰ্কাৰ সকলক কোৱাৰ্টাৰ এলাউন্স দিয়া হয়নে নহয়?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী): অধ্যক্ষ মহোদয়, পানীবুৰা ডিভিজনত অনা আবাসিক স্থায়ী শ্ৰমিক আছিল ৭১ জন আৰু তেওঁলোকক কোনো হাউচৰেণ্ট দিয়াৰ ব্যৱস্থা নাই।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ: অধ্যক্ষ মহোদয়, নন ৰেচিদেণ্ট পাৰমেনেণ্ট ওৰ্কাৰক কোৱাৰ্টাৰ এলাউন্স দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই বিষয়ে চুক্তিৰ ওপৰত নিশ্চয় চৰকাৰে কিবা ব্যৱস্থা লব।

## বিষয়: বানপানীত নষ্ট হোৱা খেতিৰ পৰিমাণ

শ্ৰীপদ্ম নাথ কৈৱৰ্তীয়ে সুধিছে:

*৬১৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) যোৱা ১৯৮৮ চনৰ বানপানীত অসমত কিমান হেক্টৰ মাটিত খেতি-বাতি নষ্ট হ'ল?

খ) ক্ষতিগ্ৰস্থ অঞ্চলত ৰবি খেতি কৰিবৰ বাবে কিমান টকাৰ আৰু কি কি বীজ বিনামূলীয়াকৈ বিতৰণ কৰা হ'ল?

গ) এই বীজবোৰ প্ৰতি কুইণ্টলত কিমান দাম আৰু ক'ৰপৰা লোৱা হৈছিল?

শ্ৰীদেৱকুমাৰ বৰা (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) যোৱা ১৯৮৮ চনৰ বানপানীত অসমৰ মুঠ ৯.৯২,000 হেক্টৰ খেতি নষ্ট হয়।

খ) উক্ত অঞ্চলত ৰবি খেতিৰ বাবে মুঠ ৬,২৭,৯২,৪৬১ টকাৰ ঘেহু, সৰিয়হ, মটৰ মাহ আৰু মচুৰ মাহৰ বীজ বিনামূলীয়াকৈ বিতৰণ কৰা হয়।

গ) উক্ত বীজ অসম বীজ নিগমৰ জৰিয়তে সংগ্ৰহ কৰা হৈছিল। (মূল্যৰ তালিকাখন 'ক' নিচান) সদনৰ মেজত ৰখা হ'ল)।

তালিকা অনুবন্ধ '১' ত চাওক।

শ্ৰীপদ্মনাথ কৈৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক বীজ বানপানীত ক্ষয়-ক্ষতি হোৱা ঠাইত দিয়া হৈছিল সেইবিলাক প্ৰকৃতপক্ষে খেতিয়কে পাইছে নে? তেওঁলোকৰ মাজত সময়মতে বিতৰণ কৰা হৈছেনে? ৬ কোটি টকা ব্যয় কৰি বীজ দিয়া হৈছে, ইয়াৰ ফলপ্ৰসু কি ধৰণে হৈছে মন্ত্ৰী মহোদয়ে জানেনে?

শ্ৰীদেৱকুমাৰ বৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনৰ পৰি-পূৰক প্ৰশ্নৰ উত্তৰত কব খোজো যে এই বছৰ ঘেহু খেতিৰ উৎপাদন সন্তোষ-জনক। আৰু প্ৰায় ১ লাখ মেট্ৰিক টনৰ অধিক ঘেহু উৎপাদন হয়। বীজ দিয়াৰ পিচত। আৰু তাৰ পিচত সৰিয়হৰ উৎপাদন এই বছৰ আশানুৰূপ ভাৱে সন্তোষজনক গতিকে বীজ বিতৰণৰ পিচত সৰিয়হ, ঘেহু আদিৰ উৎপাদন যথেষ্ট বৃদ্ধি হৈছে বুলি কৃষি বিভাগে দাবী কৰিছে।

শ্ৰীপদ্মনাথ কৈৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ঘেহু আৰু সৰিয়হ উৎপাদন বৃদ্ধি হৈছে। লগতে বুট আৰু মটৰ মাহ যিবিলাক দিয়া হৈছিল সেইবিলাক সন্তোষজক নহয়। সিজালেও তাক খাব নোৱাৰি। গতিকে এইটোত তেখেতে কব নেকি যে সন্তোষজনক ভাবে বিতৰণ কৰা হৈছিল। আমি জানো এইবিলাক গ্ৰাম সেৱক বা কৃষি বিভাগৰ কৰ্মচাৰী, বিষয়াই তাক বিতৰণ কৰা নাই।

শ্ৰীদেৱকুমাৰ বৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মটৰ মাহৰ বজাৰ দৰ হ্ৰাস হোৱাটো কৃষি বিভাগে লক্ষ্য কৰিছে। যোৱা বছৰ অক্টোবৰ মাহত মটৰ মাহৰ প্ৰতি কিলোগ্ৰামত ১৪ টকা আছিল। ফেব্ৰুৱাৰী মাহত ৩ টকা নামিছে। এই ক্ষেত্ৰত উৎপাদন বৃদ্ধি পাইছে বাবে মূল্য নিৰ্ণয়টো নিম্ন গতি হৈছে।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ স্যাৰ, মন্ত্ৰী মহোদয় বলেছেন যে বীজ দেওয়া হয়েছে। আমি মন্ত্ৰী মহোদয়ের নিকট থেকে জানতে চাই যে যে বীজ কৃষকদেরে দেওয়া হয়েছে সেগুলি কি সাৰ্টিফাইড বীজ? তিনি দয়া করে এ কথাটাও জানাবেন যে যে সব ফাৰ্ম থেকে এই বীজ ক্ৰয় করা হয়েছে সে গুলি রেজিষ্টাৰ্ড ফাৰ্ম?

শ্ৰীদেৱকুমাৰ বৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো আগতে উত্থাপন কৰা হৈছিল আৰু মাননীয় অধ্যক্ষৰ জৰিয়তে সদনত দাখিল কৰা হৈছিল।

ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এই বছৰ ঘেহু আৰু শবিয়হৰ ক্ষেত্ৰত বিশেষভাৱে অগ্ৰগতি কৰা বুলি কৈছে। কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে গুৰুত্ব দিব নেকি যে যোৱা বছৰ যিবিলাক ঠাইত বানপানীয়ে ক্ষতি কৰিছিল সেইবিলাক ঠাইত ৰাইজে সময়মতে বীজ পোৱা নাই। আচলতে ৰাইজে নিজে বীজ সংগ্ৰহ কৰি খেতি কৰিছিল আৰু চৰকাৰে তাৰ ফলটো লাভ কৰিলে। গতিকে ইয়াৰ পিচত সময়মতে বীজ দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীদেৱকুমাৰ বৰা (মন্ত্ৰী) ঃ মাননীয়, অধ্যক্ষ মহোদয়, বীজ সময় মতে পোৱা নোপোৱা বিষয়টো আমাৰ কৃষি বিভাগৰ এটা গুৰুত্বপূৰ্ণ বিষয় আৰু অসমত উৎপাদন বৃদ্ধি কৰিবলৈ হলে সময়মতে বীজ দিব লাগিব। সময় পাৰ হৈ গলে উৎপাদন হ্ৰাস পায়। এই ক্ষেত্ৰত ভবিষ্যতে যাতে কৃষক সকলে বীজ সময় মতে পায় কৃষি বিভাগৰ দ্বাৰা কটকটীয়া ব্যৱস্থা কৰিব খুজিছো। সেই কাৰণে প্ৰশাসনীয় ব্যৱস্থাৰে বীজ বিতৰণ নীতিৰ ভিতৰত যথাৰ ব্যৱস্থা কৰা হৈছে।

Shri Charan Narzary : Mr. Speaker, Sir, Whether the Hon. Minister is aware of the fact that several crores of rupees mant for supply of seeds to the cultivators have not been honestly utilised. Only a small protion of the total amount has been utilised for the purpose, and on the other hand, the lion's share of the amount has been pocketed by the corrupt officials as well as businessmen. This has happened in several flood affected districts—it is a fact. Whether in view of the gravity of the situation the Hon. Minister in-charge of Agriculture will be pleased to institute a thorough enquiry in to the whele affair ?

শ্ৰীদেৱকুমাৰ বৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো কথা ইয়াত উত্থাপন কৰিছে সেইটো আমি উপলব্ধি কৰিছো। আৰু যিবিলাক আলোচনা সমালোচনাৰ ওপৰত কৈছে, আমি যোৱা বছৰ বানপানীৰ পিছত বীজ বিতৰণৰ কাৰণে বিশেষ এটা ব্যৱস্থা হাতত লৈছিলো যে বীজখিনি সোনকালে আৰু ক্ষতিগ্ৰস্ত কৃষক সকলে পায় তাৰ কাৰণে চাৰ্কোল লেভেলত এখন কমিটি বনোৱা হৈছিল। কিন্তু এই কমিটিখন অনুমোদন নিদিলে

বীজ বিতৰণ কৰিব নোৱাৰে। তাৰ তলত চাবডিভিজনেল কমিটি আৰু ডিষ্টিক কমিটি কৰি দিয়া হৈছে। ডিষ্টিকত চেয়াৰমেন আছিল ডি, চি। চাবডিভিজনত এচ, ডি, অ (চিভিল) আৰু চাৰ্কোলত এচ, ডি, চি লগতে কাউন্সিলাৰ সকলক এটেষ্ট কৰি দিয়া হৈছিল। আগৰ পদ্ধতি সলনি কৰা হৈছে। পোনপ্ৰথমে ক্ষতিগ্ৰস্ত কৃষক সকলৰ নাম এখন তালিকাত ভুক্ত হব লাগিব। তাৰ পিছতহে বীজ বিতৰণ কৰিব পাৰিব। যোৱা নবেম্বৰ মাহৰ ১৫ তাৰিখৰ পৰা ৩০ তাৰিখৰ ভিতৰত গোটেই কামখিনি সম্পূৰ্ণ কৰি তুলিছে। যদি কৰবাত তেনেকুৱা স্পেচিফিক কমপ্লেন দিব পাৰে তেনেহলে অনুসন্ধান কৰি বিহিত ব্যৱস্থা লোৱা হব।

## বিষয় ঃ মীন মহল

শ্ৰীনীলমনি দাসে সুধিছে ঃ

*৬১৭। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বন বিভাগৰ অধীনত কিমানখন মীন মহল আছে ?

(খ) তাৰে কিমানখন মীনমহল পট্টন দিয়া হৈছে ?

(গ) অনুসূচীত জাতিৰ কিমান মহলদাৰে উক্ত মহলবোৰ পট্টন পাইছে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) এতিয়ালৈকে পোৱা ১৮ টা সংমণ্ডলৰ তথ্য অনুসৰি ৩৮ খন মীন মহল আছে।

(খ) ৩৫ খন মীন মহলৰ বন্দোৱস্তী দিয়া হৈছে।

(গ) ৯ জন অনুসূচীত জাতিয়ে বন্দোৱস্তী পাইছে।

শ্ৰীমতি দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, পৱিতৰা সংমণ্ডলত যি বিল আছে তাত কেইবাবছৰ ধৰি অবৈধভাৱে মাছ মাৰি আছে বুলি আমি গম পাইছো। এই বিলখন ডাকিলে লাখ টকা পোৱা যায়। এইখন চৰকাৰে বন্ধ কৰি ৰখা বাবে বৈধভাৱে মাছ মাৰিবলৈ অসুবিধা হৈছে। অবৈধভাৱে মাছ মাৰিয়েই আছে। সেয়ে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা কৰিবনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যিখন বিলৰ কথা কোৱা হৈছে সেইখন পট্টন দিয়া হোৱা নাই। নিদিয়াৰ কাৰণো আছে। এই

ৰিষয়ে অলপ অৱশ্যে মই অনুসন্ধান কৰি চাব লাগিব। হয়তো "ওৱাইণ্ড লাইফ"ত থকাৰ কাৰণেই এইটো দিয়া হোৱা নাই।

শ্ৰীমতি দাস: মাননীয় অধ্যক্ষ মহোদয়, পট্টন নিদিয়াৰ কাৰণে ৰেয়া পোৱা নাই কিন্তু তাত অবৈধভাৱে মাছ মাৰিবলৈ দিব নালাগে এই বিষয়ে ব্যৱস্থা লবনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এইটো মই চাম।

শ্ৰীঅৰ্দ্ধেন্দু দে: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে হেণ্ড বুক অব আসাম মতে ৩৮ খন ফীছাৰী আছে বুলি কৈছে কিন্তু ষ্টেটিকেল মতে ১৯৭৮ আৰু ১৯৭৭ ত ১১৩ খন আছে। এতিয়া কোনটো সচাঁ ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী): অধ্যক্ষ মহোদয়, তেখেতে জেনেৰেল ফীছাৰীৰ কথা কৈছে নে ফৰেষ্ট ফীছাৰীৰ কথা কৈছে মই বুজা নাই।

শ্ৰীঅৰ্দ্ধেন্দু দে: অধ্যক্ষ মহোদয়, এইটো পৰিসংখ্যাৰ কিতাপত ফৰেষ্টৰ ফীছা-ৰীয়েই ১১৩ খন বুলি কৈছে।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এইটো থাকিব নোৱাৰে।

শ্ৰীঅৰ্দ্ধেন্দু দে: অধ্যক্ষ মহোদয়, কোনটো সচাঁ ?

মাননীয় অধ্যক্ষ: মন্ত্ৰী মহোদয়ৰ উত্তৰটোৱেই সচাঁ।

Shri Ardhendu Kumar Dey: Your judgement is requied here.

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ১৮ টা সংমণ্ডল আছে. তাৰে তথ্য অনুসৰি ৩৮ খন মীন মহল আছে আৰু ৬ টাৰ পৰা এতিয়াও তথ্য পোৱা নাই। কিন্তু ইমানখিনি বিল থাকিব নোৱাৰে। গতিকে কথাটোত অলপ ত্ৰুটী বিচ্যুতি থাকিব পাৰে।

Mr. Speaker: Now next question.

## বিষয়: দিচৈ চিতলডুবি পথ

শ্ৰীভবেন্দ্ৰ নাথ ভৰালীয়ে সুধিছে:

*৬১৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ জনাবনে:

(ক) যোৱা বানপানীত দেৰগাওঁ উপ সংমণ্ডলৰ দিচৈ চিতলডুবি পথটো কেইবা ঠাইতো ভঙা আৰু দলং উটুৱাই নিয়াটো চৰকাৰে জানেনে ?

(খ) সেই পথটো মেৰামতিৰ ব্যৱস্থা লৈছে নেকি ?

(গ) যদি নাই লোৱা, চলিত বছৰতে মেৰামতিৰ ব্যৱস্থা লবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, জানে।

(খ) পুঁজিৰ অভাৱত স্থায়ী মেৰামতিৰ কাম হাতত লব পৰা হোৱা নাই।

(গ) বৰ্ত্তমান বিত্তীয় বছৰত মেৰামতি শিতানৰ অনুদান সাপেক্ষে প্ৰয়োজনীয় ব্যৱস্থা লোৱা হ'ব।

শ্ৰীভবেন ভৰালী : মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত যোৱা বানপানীৰ সময়ত ১৩ খন দলং ভাঙিল। ১৫ খন আছিল তাৰে ১৪ খনেই ভাঙিল। এতিয়া আকৌ বানপানী হলে তালৈ উদ্ধাৰ কাৰ্যৰ বাবে যাবলৈও ৰাস্তা নাই। একেবাৰে সাংঘাতিক অৱস্থা হৈ আছে। এই দলংখনে প্ৰায় ৩৫ খন মান গাওঁৰ যোগাযোগ কৰিছে, সেয়ে এইখন বৰ প্ৰয়োজনীয় দলং। এই দলংখন মই আমাৰ মন্ত্ৰী মহোদয়ক নি দেখুৱাইছিলো আনকি যোৱাবাৰ প্ৰধান মন্ত্ৰী আহোতেও তেখেতকো নি দেখুৱাইছিলো। তথাপিও আজিও তাৰ একো ব্যৱস্থা নহ'ল। এই ক্ষেত্ৰত সোনকালে কিবা কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই চিতলাডুবি পথৰ যিখন দলংৰ কথা কৈছে তাৰ ২নং দলংৰ নিৰ্মানৰ ব্যৱস্থা লোৱা হৈছে কিন্তু শাল খুটাৰ অভাৱৰ কাৰণেহে অলপ অসুবিধা হৈছে। আৰু এইদৰে বানপানীত উটি যোৱা দলংৰ কাম আছে কিন্তু টকাৰ অভাৱৰ কাৰণেই কৰিব পৰা নাই। প্ৰায় ৮ লাখমান টকা লাগে। মই আগতেও কৈছো পুঁজিৰ অভাৱ আছে বুলি আৰু এতিয়াও কওঁ।

শ্ৰীভবেন ভৰালী : মাননীয় অধ্যক্ষ মহোদয়, দলংখন বাৰু টকাৰ অভাৱৰ কাৰণে কৰা নাই কিন্তু যিবোৰ দলংৰ আগে পাছে ছিগি ভাগি আছে সেই ঠাইবোৰ বা ৰাস্তাবোৰ মেৰামতি কৰি দিব নোৱাৰে নেকি ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই মুঠতে ৰাস্তাৰ খৰছৰ কথা কৈছো। আগৰো ১৯৭৮-৮৮ ৰ কামৰ কাৰণেও অতিৰিক্ত পুঁজিৰ প্ৰয়োজন আছে। ভগা ছিগাখিনি মেৰামতি কৰিবৰ কাৰণেও টকা লাগিব। গতিকে গোটেইখিনি কামৰ কাৰণে মুঠ ৮ লাখ মান টকা লাগিব বুলি কৈছো।

শ্ৰীগিৰীণ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, বানপানীৰ সময়ত বহুত ৰাস্তা ছিগি গৈছে আৰু বহুত দলং ভাগি গৈছে। বিশেষকৈ দলংৰ দুই মূৰে ৰাস্তা ছিগি যোৱাত মানুহ অহা যোৱা কৰিব নোৱাৰা অৱস্থা হৈছে। মন্ত্ৰী মহোদয়ে পুঁজিৰ অভাৱৰ কাৰণেই কৰিব পৰা নাই বুলি কৈছে। মোৰ নিজৰ সমষ্টিতে এনে বহু ৰাস্তা আছে যিবোৰেদি মানুহ খোজকাঢ়ি বা চাইকেলেৰেও যাব নোৱাৰে। মন্ত্ৰী মহোদয়ে এটা কাম কৰিব নোৱাৰেনে, যিবোৰ ঠাইৰ ৰাস্তাত তেখেতে ব্লেক টপিং বা বহল আদি কৰাৰ ব্যৱস্থা কৰি আছে বা কাম কৰি আছে সেইবোৰ বন্ধ কৰি সেই টকাৰে এই ভগা ৰাস্তা ও দলংবোৰৰ কাম কৰিব নোৱাৰিনে? যাতে ৰাইজে অন্ততঃ খোজকাঢ়ি অহা যোৱা কৰিব পাৰে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে মনোনিবেশ কৰিবনে?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, মই আগতেও এটা কৰ্তন প্ৰস্তাৱৰ উত্তৰত কৈছিলো। পৰিকল্পনাৰ ৩৬ কোটি টকাৰ মাত্ৰ ২০ কোটি টকাহে আমি পাইছো বাকী ১৬ কোটি টকা পোৱা নাই। ২০ কোটিৰেই কাম কৰি আছো। আমাৰ সদস্য ভবেন ভৰালী ডাঙৰীয়াই যিটো কথা কৈছে সেইটো এফ, ডি, আৰত পৰে। কিন্তু প্লেনৰ কাম এফ, ডি, আৰৰ টকাৰে কৰিব নোৱাৰি। মেৰামতি আদিৰ কাৰণে টকা দিছে ৮ কোটি ৮৮ লাখ। কোনোবা ডিভিজনে এক কোটি বিচাৰিলে আমি তাত ৩ বা ৪ লাখ টকাহে দিব পাৰিছো। তাৰোপৰি মাষ্টাৰ ৰোলৰ কৰ্মীসকলৰ মজুৰীৰ কথা আছে। আগতে ১২ টকাকৈ দিয়া হৈছিল কিন্তু আমাৰ চৰকাৰ আহি এইটো ১৯ টকা কৰিলে সেইটোও দিবলগীয়া হৈছে। পুঁজিৰ অভাৱৰ কথাটো সচাঁ। সেয়ে এইটো কৰই লাগিব। এতিয়াও পুঁজিৰ অভাৱ আছে।

শ্ৰীদেৱেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, বানপানীৰ ক্ষয়ক্ষতিৰ কাৰণে যিমান টকা আহে সেই বিভাগলৈ সেই টকা খৰছ কৰিব পৰা নাই। ৮৫ কোটি টকাৰ ৫০ ভাগো খৰছ কৰিব পৰা নাই। গতিকে মন্ত্ৰী মহোদয়ে বান নিয়ন্ত্ৰণ মন্ত্ৰীক অনুৰোধ কৰিব নোৱাৰেনে সেই টকাখিনি ডাইভাৰ্ট কৰি আনি ৰাস্তা আদিৰ মেৰামতিৰ কামত লগাবৰ কাৰণে আৰু ৰেভিনিউ আদি যিবোৰ বিভাগৰ টকা খৰচ কৰিব পৰা নাই সেইবোৰ বিভাগৰ পৰা টকা ডাইভাৰ্ট কৰি আনি গড়কাপ্তানী বিভাগত খৰছ কৰাৰ ব্যৱস্থা কৰিব নোৱাৰেনে?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কলে বেলেগ বেলেগ বিভাগৰ পৰা খৰছ নোহোৱা টকা আনি এই বিভাগত খৰছ কৰাৰ ব্যৱস্থা কৰিব লাগে, সেইটো মই ভাল পাইছো।

আৰু মই নিজেও বহুবাৰ এই কথাও কৈছো। কিন্তু মই অকলে কৈ থাকিলেইটো নহব।

( সদনত গণ্ডগোল একো শুনা নাযায় )।

শ্ৰীগোলোক ৰাজবংশী : মাননীয় অধ্যক্ষ মহোদয়, যিহেতু গড়কাপ্তানী বিভাগৰ টকাই নাই, গতিকে এই বিভাগটো হয় উঠাই দিব লাগে নহলে এটাচ কৰি দিয়াই ভাল হব যেন পাওঁ।

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এতিয়া কথা হল গড়কাপ্তানী বিভাগে এতিয়ালৈ যিবোৰ কাম কৰি থকা হৈছে, বোধহয় আন কোনোবা মন্ত্ৰী হোৱা হলে আৰু আন কোনোবা চৰকাৰ থকা হলে এটাচ কৰি দিব লাগিলহেতেন।

## Re. : Hailakandi P.W.D. Division.

Shri Gautam Roy asked :

*619. Will the Minister, P.W.D. be pleased to state :

(a) Whether it is a fact that there is only one P.W.D. Divn. at Hailakandi ?

(b) Whether it is also a fact that there are four Divns. at Silchar viz. N.E.C. Divn.—Building Divn. I, Building Divn. II and Road Division ?

(c) Whether it is also a fact that the N.E.C. Divn. and Building II Divn. are doing major works for Hailakandi Divn. from Silchar ?

(d) If so, will the Govt. consider for shifting the above Divns. to Hailakandi.

(e) If so, when ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) সচাঁ নহয়। শিলচৰত গড়কাপ্তানী বিভাগৰ ৫টা সংমণ্ডল আছে। যেনে— ১। শিলচৰ এন, ই, চি, সংমণ্ডল, ২। শিলচৰ গৃহ সংমণ্ডল নং ১,

৩। শিলচৰ গৃহ সংমণ্ডল নং ২, ৪। শিলচৰ পথ সংমণ্ডল আৰু ৫। শিলচৰ যান্ত্রিক সংমণ্ডল ।

(গ) শিলচৰ এন, ই, চি. সংমণ্ডলৰ কামৰ হেচা ২৯২,২৫১ লাখ টকা তাৰে ভিতৰত হাইলাকান্দি সদৰ মহকুমাৰ কামৰ হেচা মাত্র ৫৮,৯২৫ লাখ টকা।

শিলচৰ ২নং গৃহ সংমণ্ডলে শিলচৰ সদৰ মহকুমাৰ কামৰ লগতে শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ কাম বিলাক কৰিব লাগে। শিলচৰ সদৰ মহকুমাৰ তুলনাত হাইলাকান্দি সদৰ মহকুমাৰ কামৰ পৰিমাণ সামান্য।

(ঘ) 'গ' ৰ উত্তৰৰ পৰিপ্রেক্ষিতত প্রশ্ন নুঠে।

(ঙ) প্রশ্ন নুঠে।

শ্রীগৌতম ৰায় : মাননীয় অধ্যক্ষ মহোদয়, আমি মন্ত্রী মহোদয়ৰ কথাত সন্তুষ্ট হৈছো কিন্তু কথা হ'ল আমাৰ মন্ত্রী মহোদয়ে দুটা বিভাগ ভালদৰে চলাই আছে। ভাল কাম কৰি আছে কিন্তু এন, ই, চি, শিলচৰ ডিভিজনত কাম আছে আৰু হাইলাকান্দি ডিভিজনত কাম কম কিন্তু কাৰ্য্যবাহী অভিযন্তা বিলাকে ভুল তথ্য দিছে। আচলতে হাইলাকান্দিত ইংৰাজী মাধ্যমৰ স্কুল নাই কাৰণে তালৈ যাবলৈ নোখোজে। শিলচৰ আৰু কৰিমগঞ্জত আছে কাৰনে তালৈ যোৱাত অসুবিধা নেদেখুৱায়। মন্ত্রী মহোদয়ে টকা পইচাও নাই বুলি কৈছে। মন্ত্রী মহোদয়ৰ মাথা গৰম হৈ আছে টকা নাই কাৰণে।

অধ্যক্ষ মহোদয়, শিলচৰ আৰু কৰিমগঞ্জৰ পৰা কোনো যাব নোখোজে। এইবিলাক কথা আৰু এন, ই, চি, লৈও যাব নোৱাৰে।

শ্রীঅমৃতলাল বসুমতাৰী : অধ্যক্ষ মহোদয়, পৰিপূৰক প্রশ্নটো কি ?

শ্রীঅতুল বৰা ( মন্ত্রী ) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে মাথা গৰম হৈ থকাৰ কথা স্বীকাৰ কৰিছে গতিকে মাথা ঠাণ্ডা হলে সেইটো কৰপৰা হব।

শ্রীগৌতম ৰায় : অধ্যক্ষ মহোদয়, মাথা ঠাণ্ডা হলে মই প্রশ্ন সুধিম।

## বিষয় ঃ প্রশাসনীক অনুমোদন

শ্রীফনী ভুষণ চৌধুৰীয়ে সুধিছে ঃ

*৬২০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

১৯৮৮-৮৯ চনৰ বিত্তীয় বছৰটোত গ্রহণ কৰা আঁচনি বিলাকৰ ( General

S. C. P., T. S. P.) এটা আঁচনিৰো প্ৰশাসনীক অনুমোদন নিদিয়াৰ ফলত কোকৰাঝাৰ জিলাত এটাও গড়কাপ্তানী বিভাগৰ কাম আৰম্ভ নোহোৱা কথাটো সচঁানে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৯৮৮–৮৯ বিত্তীয় বছৰটোত গ্ৰহণ কৰা আঁচনি বিলাকৰ প্ৰশাসনীক অনুমোদন নিদিয়াৰ ফলত কাম আৰম্ভ নকৰা কথাটো সম্পূৰ্ণ সঁচা নহয়। মুঠ ৮৯ টা আঁচনিৰ ভিতৰত ৮৮ টা আঁচনিৰ প্ৰশাসনিক অনুমোদন দিয়া হৈছে। অনুসূচীত জাতিৰ উন্নয়ন ব'ৰ্ডৰ অনুমোদন নোপোৱাৰ কাৰনে এটা আঁচনিৰ প্ৰশাসনীক অনুমোদন দিব পৰা নহ'ল ।

Starred question No. 221 was not called for.

## বিষয় : এমপ্লয়মেণ্ট এক্সচেঞ্জ বোৰ্ডৰ সদস্য

শ্ৰীমকবুল হুচেইনে সুধিছে :

*৬২১। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) কোকোৰাঝাৰ জিলা একপ্লয়মেণ্ট এক্সচেঞ্জ বোৰ্ডত উক্ত জিলাৰ স্থানীয় সকলো বিধায়কক সদস্য কৰা হৈছেনে ?

খ) যদি হোৱা নাই তেন্তে বাদ পৰা বিধায়কক উক্ত বোৰ্ডত সদস্য কৰা হ'ব নে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হোৱা নাই।

খ) বৰ্ত্তমানে চিন্তা কৰা হোৱা নাই ।

## বিষয় : কৃষকৰ পুৰস্কাৰৰ ব্যৱস্থা

শ্ৰীদেবেশ্বৰ বৰা, শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে :

*৬২২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসম চৰকাৰ কৃষি বিভাগৰ জৰিয়তে আদৰ্শ কৃষক সকলক উদগনি জনোৱাৰ উদ্দেশ্যে পুৰস্কাৰৰ ব্যৱস্থা কৰিছেনে কি ?

খ) যদি কৰিছে উক্ত ব্যৱস্থা কেতিয়াৰ পৰা প্ৰযোজ্য হব উক্ত পুৰস্কাৰ সমূহ কি ভিত্তিত বিতৰণৰ ব্যৱস্থা কৰিছে ?

গ) এই আঁচনিৰ জৰিয়তে বছৰি কিমান কৃষক উপকৃত হোৱাৰ সম্ভাৱনা আছে ?

শ্ৰীদেৱকুমাৰ বৰা (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়, কৰিছে ।

খ) উক্ত পুৰস্কাৰ বিতৰণৰ ব্যৱস্থা ১৯৮৯-৯০ চনৰ পৰা প্ৰযোজ্য হব আৰু পুৰস্কাৰ সমূহ সমষ্টি ভিত্তিত দিয়া হব ।

গ) এই আঁচনিৰ জৰিয়তে বছৰি ৩৭৮ জন কৃষক উপকৃত হব ।

শ্ৰীদেৱেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, এই যে পুৰস্কাৰ দিবলৈ বিচৰা হৈছে এইটো কি ভিত্তিত নিৰ্ব্বাচন কৰা হব ? ৰাজনৈতিক ভিত্তিত কৰা হবনে কি ভিত্তিত কৰা হব জনাব লাগে কিয়নো কিছুমান বিষয়াই কৃষক কোন আৰু কেনেকুৱা সেইটোও নজনা আছে ।

শ্ৰীদেৱকুমাৰ বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, কি ভিত্তিত নিৰ্ব্বাচন কৰা হয় সেই সম্পৰ্কে নীতি নিৰ্দ্দেশনা তৈয়াৰ কৰা হৈছে আৰু বৰ্ত্তমান মোৰ হাতত নাই কাৰণে পঢ়ি দিব পৰা নাই যদিও এইটো উৎপাদনৰ ওপৰত নিৰ্ভৰ কৰি মূলতঃ নিৰ্ব্বাচন কৰা হব ।

শ্ৰীদেৱেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, উৎপাদনৰ ওপৰত নিৰ্ভৰ কৰি নিৰ্ব্বাচন কৰোতে নাঙলেৰে খেতি কৰা লোকক কৰা হব নে নাঙল নধৰা লোককো নিৰ্ব্বাচন কৰা হব সেইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীদেৱকুমাৰ বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যি সকল প্ৰকৃত খেতিয়ক সেই সকলক পুৰস্কৃত কৰা হব বুলিহে ঘোষণা কৰা হৈছে ।

শ্ৰীমোক্তাৰ হুচেইন : অধ্যক্ষ মহোদয়, পুৰস্কৃত কৰিব বুলি কৈছে কিন্তু কি পুৰস্কাৰ দিব সেইটো জনাবনে ?

শ্ৰীদেৱকুমাৰ বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, পুৰস্কাৰটো নগদ ধন দিয়াৰ কথা সিদ্ধান্ত কৰা হৈছে । প্ৰতিটো সমষ্টিৰ পৰা তিনিজন আৰু ব্যক্তিক ভিত্তিত পাঁচটা পুৰস্কাৰ দিয়াৰ কথা ভবা হৈছে । সমষ্টিৰ ভিতৰত দিয়া তিনিটা পুৰস্কাৰতকৈ ব্যক্তিক ভিত্তিত দিয়া পুৰস্কাৰৰ অংক অলপ বেছি কৰাৰ কথা চিন্তা কৰা হৈছে । অন্ততঃ ত্ৰিশ হাজাৰকৈ ব্যক্তিক পুৰস্কাৰৰ কথা ভবা হৈছে ।

শ্ৰীআব্দুল জলিল ৰাগিবী : অধ্যক্ষ মহোদয়, মই ভাবো ব্যক্তিক ভিত্তিত অকল পুৰস্কাৰ নিদি সমষ্টি ভিত্তিতো পুৰস্কাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে ।

শ্ৰীদেৱকুমাৰ বৰা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে সমষ্টি ভিত্তিত তিনিটা পুৰস্কাৰ দিয়াৰ কথা ঘোষণা কৰিছে তাৰ উপৰিও ব্যক্তিক ভিত্তিত পাঁচটা পুৰস্কাৰৰ কথা ভবা হৈছে। এইটো অনতিপলমে ঘোষণা কৰা হব। মূল্য নিৰ্দ্ধাৰণ কৰা হোৱা নাই যদিও সমষ্টি ভিত্তিত দিয়াতকৈ অলপ বেছি কৰাৰ ব্যৱস্থা কৰা হব।

শ্ৰীআব্দুল জলিল ৰাগিবী : অধ্যক্ষ মহোদয়, কৃষক সকলক কৃষিৰ উন্নতিৰ বাবে ট্ৰেক্টৰ আদিও বা জলসিঞ্চন সামগ্ৰী আদি দিয়াৰো ব্যৱস্থা কৰিব নোৱাৰিনে?

শ্ৰীদেৱকুমাৰ বৰা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ইতিমধ্যে পুৰস্কাৰৰ কথা ঘোষণা কৰা হৈছে আৰু সিদ্ধান্তও গ্ৰহণ কৰা হৈছে তাৰ লগতে কৃষি সামগ্ৰী দিবপৰা যায় নেকি বিবেচনা কৰি চোৱা হব।

## বিষয় : ৰেল বিভাগৰ দ্বাৰা শিলগুটি সংগ্ৰহ

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে :

*৬২৩। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) জাগীৰোডৰ নিচেই কাষতে থকা পাহাৰৰ পৰা ৰেলৱে বিভাগে বৰ্ত্তমানলৈকে আনুমানিক কিমান পৰিমাণৰ শিলগুটি ( Stone ) সংগ্ৰহ কৰিছে ?

(খ) বৰ্ত্তমানলৈ উক্ত শিলগুটি সংগ্ৰহৰ বাবে বন বিভাগক ৰেলৱে বিভাগে আনুমানিক কিমান টকা দিব লগীয়া আছে ?

(গ) চৰকাৰৰ লগত আলোচনা নকৰাকৈ অথবা কোনো চুক্তি নোহোৱাকৈ ৰেলৱে বিভাগে উক্ত পাহাৰৰ পৰা শিল সংগ্ৰহ কৰাটো সঁচানে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( বন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) প্ৰাক্ স্বাধীনতা কালৰে পৰা ৰেলৱেই জাগীৰোডৰ কাষৰ পাহাৰ খনৰ পৰা শিল সংগ্ৰহ কৰি আছে। স্বাধীনতাৰ পিছতো ৰেলৱে একেদৰে উক্ত পাহাৰৰ পৰা শিল সংগ্ৰহ কৰি আছে। অসম চৰকাৰক কোনো ৰয়েল্টী দিয়া হোৱা নাছিল। যোৱা বছৰৰ অক্টোবৰ মাহত নগাওঁ বন সংমণ্ডল প্ৰাধীকাৰীয়ে ৰেলৱে শিল সংগ্ৰহ কৰা বন্ধ কৰি ৰয়েল্টী দিব লাগে বুলি দাবী কৰিলে। লগে লগে ৰেলৱে উক্ত পাহাৰৰ মাটিৰ সংক্ৰান্তত মালিকীস্বত্ব থকা বুলি বন বিভাগৰ বিষয়াক কাগজ-পত্ৰ দেখুৱালে।

অসম চৰকাৰে উক্ত কাগজ-পত্ৰত সন্তুষ্ট নহৈ বেলৱেৰ পৰা ৰয়েল্টী দাবী কৰাত বেলৱেই শিল সংগ্ৰহ কৰিবৰ বাবে উক্ত পাহাৰখন খুলি দিবলৈ অনুৰোধ কৰে আৰু অসম চৰকাৰৰ বন বিভাগৰ দ্বাৰা নিয়ম অনুযায়ী হিচাব-পত্ৰ ৰখাৰ পিছতহে শিল আহৰণৰ প্ৰতিশ্ৰুতি দিয়ে আৰু সেইমতে যোৱা ফেব্ৰুৱাৰী মাহৰ পৰা শিল আহৰণৰ হিচাব-পত্ৰ আৰু বন বিভাগৰ পৰিবহন পত্ৰৰ যোগেদিহে ইয়াৰ পৰা শিল নিবলৈ দিয়া হৈছে। বন বিভাগে বেলৱেক সোনকালেই তেওঁলোকে আৰম্ভণিৰ পৰা কিমান শিল আহৰণ কৰিলে তাৰ এটা হিচাব দিবলৈ কৈছে, কিন্তু বেলৱেৰ পৰা এতিয়াও হিচাব-পত্ৰ পোৱা হোৱা নাই। ইতিমধ্যে বিধি নিৰ্দেশকক (Legal rememberer) এই বিষয়টো পৰীক্ষা কৰি প্ৰতিবেদন দিবলৈ অনুৰোধ কৰা হৈছে।

(খ) বৰ্ত্তমানে কৰ পৰা নাযায়।

(গ) ১৯৮৮ চনৰ অক্টোবৰ মাহ পৰ্য্যন্ত মাজে মাজে নি থকাটো সত্য। কিন্তু এতিয়া ওপৰত উল্লেখ কৰা ধৰণেহে ইয়াৰ পৰা শিল নিবলৈ দিয়া হৈছে।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, বেলৱে বিভাগে অসম চৰকাৰৰ পৰা শিল সংগ্ৰহ কৰাৰ কাৰণে অসমৰ কোটি কোটি টকা ৰাজহ লোকচান কৰিছে। আমাৰ ৰাজ্যত বিভিন্ন বিভাগৰ পৰা শিল সংগ্ৰহ কৰাত প্ৰত্যেক বিভাগে বিভিন্ন ব্যক্তিৰ পৰা নিৰ্দিষ্ট মূল্য দিহে কিনি লয়। এনে ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে যিটো ব্যৱস্থা লৈছে সেইটোত আমি সন্তুষ্টি প্ৰকাশ কৰিছো। কিন্তু অসমৰ পাহাৰ আৰু বনাঞ্চলৰ পৰা বেলৱে বিভাগে শিল সংগ্ৰহ কৰাৰ উদাহৰণ আমাৰ আছে নেকি ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ তেনেকুৱা শিল কুৱেৰীৰ পৰা শিল আহৰণ কৰা জ্ঞাত নহওঁ। যদি কিবা আপত্তি আছে আমি অনুসন্ধান কৰি চাম।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, চাপ্ৰাকাটা বঙ্গাইগাঁৱৰ ওচৰত আমি সকলে পৰা দেখি আহিছো বেলৱে বিভাগে শিল সংগ্ৰহ কৰি আহিছে। এইটো অনুসন্ধান কৰি চাব লাগে।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই বিষয়ে আমি অনুসন্ধান কৰিছো।

শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ তৰাবিহীন প্ৰশ্ন এটাৰ উত্তৰত মন্ত্ৰী মহোদয়ে নগাওঁ জিলাৰ পৰা কিমান সংখ্যক টকা বাকী আছে এই বিষয়ে নাজানো বুলি কৈছে। এতিয়া আমি কি কৰিম চাব ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য অৰ্দ্ধেন্দু দে ডাঙৰীয়াৰ উত্তৰত মই কব খুজিছো যে ১৯৩৭ চনৰ পৰা উক্ত পাহাৰৰ পৰা এতিয়ালৈকে কিমানখিনি শিল আহৰণ কৰি আহিছে তাৰ এটা হিচাব আমি বিচাৰিছো। সময়ে সময়ে কিমান ৰয়েল্টী দিবলগা হব এইটো হিচাব পোৱাৰ পিছতহে অসম চৰকাৰে অনুসন্ধান কৰিব পাৰিব।

শ্ৰীপ্ৰদীপ হাজৰিকা : মাননীয় অধ্যক্ষ মহোদয়, চোৰ কৰিলে গৃহস্থই গম নোপোৱাকৈ চোৰ কৰে। কিন্তু চৰকাৰ এখন থাকোতেও দেখ দেখকে চোৰ কৰা কথাটো চৰকাৰে জনা নাছিল নেকি ? চোৰে মনে মনে চোৰ কৰে। চৰকাৰৰ আগত চোৰে দেখ দেখকৈ চোৰ কৰে। এনেকৈয়ে পাহাৰৰ পৰা শিল কাটি নি থাকে। কি কাৰণত কাটিবলৈ পায় জনাব নেকি ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইয়াৰ আগৰ চৰকাৰে কি কৰিছিল কব নোৱাৰো। যোৱা ১৯৮৮ চনৰ অক্টোবৰ মাহৰ পৰা শিল আহৰণ কৰিবলৈ দিয়া বন্ধ কৰিছিলো। ৰেলৱে বিভাগে কৈছে যে ভাৰত চৰকাৰৰ এক্ট ১৯৩৫ ৰ ১৭২ নং ধাৰামতে ৰেলৱে বিভাগে অসম চৰকাৰক ৰয়েল্টী নিদিয়াকৈ শিল আহৰণ কৰিব পাৰে নেকি এই বিষয়টো পৰীক্ষা কৰি চাবৰ কাৰণে ইতিমধ্যে বিধি নিৰ্দ্দেশকক প্ৰতিবেদন দিবলৈ অনুৰোধ কৰা হৈছে।

শ্ৰীপ্ৰদীপ হাজৰিকা : মাননীয় অধ্যক্ষ মহোদয়, অসমত যিমানখিনি বস্তু আছে সেই গোটেইখিনিৰে ৰয়েল্টী পাবই লাগিব। যি সকলে অসমৰ পৰা বস্তু নিব তেওঁলোকে কমপেনচেচন দি নিব লাগে।

Shri Charan Narzary : Sir, the Hon'ble Minister has referred to the Government of India Act, 1935. Whether that Act is still in force ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, ভাৰত চৰকাৰৰ ১৯৩৫ ৰ আইনখন এতিয়াও প্ৰযোজ্য হয়নে নহয় চাব লাগিব। ভাৰত চৰকাৰৰ ৰেলৱে বিভাগে ১৯৩৭ চনৰ পৰাই পাহাৰখনৰ পৰা শিল কাটি আহৰণ কৰি

আহিছে। মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন উত্থাপন কৰিছে বেলৰে বিভাগে ইতিমধ্যে আৰম্ভণিৰে পৰা কিমান শিল আহৰণ কৰিছে তাৰ হিচাব পালেহে আমি বেলৱেক ৰয়েল্টীৰ বিষয়ে দাবী কৰিব পাৰিম।

শ্ৰীখলিলুল ইছলাম: মাননীয় অধ্যক্ষ মহোদয়, বন বিভাগৰ জৰিয়তে অসমৰ পৰা কিমান শিল আহৰণ কৰিছে জনাব নেকি? দ্বিতীয়তে আমাৰ অসমৰ পৰা কল নি আমাক বাকলিহে খুৱায়। বান্দৰে কল খাই বাকলি দিয়াৰ দৰে হৈছে। আমি সদায় কলৰ বাকলিহে খাই আছো।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, বেলৱে কিমানখিনি শিল আহৰণ কৰিছে তাৰ এটা হিচাব আমি বিচাৰিছো। ৰয়েল্টী দিয়াৰ বাবে আমি দাবী কৰিছিলো।

শ্ৰীহেমেন দাস: মাননীয় অধ্যক্ষ মহোদয়, ভাৰত চৰকাৰৰ ১৯৩৭ চনৰ আইনখন সংশোধন কৰিব লাগে। অসম চৰকাৰে প্ৰথম পৰ্য্যায়ৰ পৰাই যাতে ৰয়েল্টী পায়।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী): মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি এই কথাটো বিধি নিৰ্দ্দেশক (লিগেল ৰিমেমব্ৰেঞ্চাৰ) ক পৰীক্ষা কৰিবলৈ কৈছো। পৰীক্ষা কৰাৰ ৰিপোৰ্টটো পোৱাৰ পিচতহে আমি ব্যৱস্থা লম।

## বিষয়: উত্তৰ লক্ষীমপুৰ চিভিল হস্পিতাল।

শ্ৰীউৎপল দত্তই সুধিছে:

*৬২৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) উত্তৰ লক্ষীমপুৰ চিভিল হস্পিতাল খনি ৬৪ খন বিচনাৰ পৰা ২০০ খন বিচনালৈ উন্নতিকৰণৰ বাবে কোনো নিবিদা গ্ৰহণ কৰা হৈছে নেকি?

(খ) যদি গ্ৰহণ কৰা হৈছে, কেতিয়া এই নিবিদা লোৱা হ'ল আৰু কামটো কোনে কোনে পালে?

(গ) নিৰ্দ্দেশ পোৱা সকলে কাম আৰম্ভ কৰিছেনে?

(ঘ) যদি কৰা নাই তেওঁলোকৰ ওপৰত কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) হৈছে।

(খ) ৩-২-৮৮ তাৰিখে নিবিদা লোৱা হয়। কামটো দুভাগ কৰি এভাগ শ্ৰীগোবিন্দ বৰুৱাক আৰু আনভাগ ডি, এন. কনষ্ট্ৰাকচন নামেৰে কোম্পানীক দিয়া হয়।

(গ) হয়। কাম আৰম্ভ কৰিছে।

(ঘ) প্ৰশ্ন নুঠে।

শ্ৰীদীপক দাস : মাননীয় অধ্যক্ষ মহোদয়, লক্ষীমপুৰ চিভিল হস্পিতাল খনত বিচনা উন্নতিকৰণৰ বাবে কোনো টেণ্ডাৰ কল কৰিছিল নেকি? বৰপেটাতো তেনেকুৱাই কৰা হৈছে। কিন্তু এতিয়ালৈকে কাম আৰম্ভ কৰা হোৱা নাই। এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাব নেকি?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ স্বাস্থ্য বিভাগে ৩০ খন বিচনাযুক্ত বা ১০০ খন বিচনাযুক্ত এইবোৰ গোটেই অসমতে কৰিছে। আচলতে আমাৰ বিভাগত ৮ কোটি ৫০ লাখ টকা আছিল। কিন্তু এইবাৰ বাজেটত ৮ কোটি ৫০ লাখ টকা থাকিলেও আধাৰশিলা স্থাপন কৰিবৰ বাবে ঠায়ে ঠায়ে ৩২ লাখকৈ খৰছ কৰা হ'ল। আধাৰশিলা স্থাপন কৰাৰ বিষয়ে সদস্য সকলে নিজেই জানে মোৰ কবলগীয়া একো নাই। বহুতে কেৱল আধাৰশিলা স্থাপন কৰি দিয়ক পিচত বাকী কামবিলাক কৰিব বুলি মোক অনুৰোধ কৰে। আমাৰ হাতত যিখিনি টকা আছে সেইখিনি টকাৰে ১৯৯০ চনলৈকে কাম আৰম্ভ হ'ব লাগিছিল। আমাৰ মাননীয় সদস্য দীপক দাসক সেইটো টকা দিব পৰা নাই। কেতিয়াবা একোটাক ২১ লাখকৈ দিবলগীয়া হোৱাত বহুতে ভাবে গড়কাপ্তানী বিভাগে কামবিলাক আধকৰাকৈ পেলাই থৈছে। স্বাস্থ্য বিভাগেও যথে মধে কৰিব নোৱাৰে। গতিকে আগতে খৰতকীয়া গতিত কাম কৰিবলৈ দিয়া হৈছিল এতিয়া লাহে লাহে কৰিবলৈ দিয়া হ'ব। যিহেতুকে সকলোকে সন্তুষ্ট কৰিব লাগে।

শ্ৰীগোলোক ৰাজবংশী : মাননীয় মন্ত্ৰী মহোদয়ৰ বিবৃত্তিৰ পৰা এইটো বুজা যায় নেকি যে কেবিনেটখন ভাগ ভাগ হৈ আছে নেকি? It appears that the cabinet is a divided house.

শ্ৰীভৰত নৰহ : যিবিলাক হস্পিতালৰ আধাৰশিলা স্থাপন হৈ গৈছে আৰু সেই কামত শতকৰা ৩৫ ভাগ কাম হৈ গৈছে, প্ৰায় ৬/৭ লাখ মান টকা ইতিমধ্যে খৰচ হৈ গৈছে সেই বিলাকৰ কাম সম্পূৰ্ণ কৰা হ'ব নেকি?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : মাননীয় সদস্য গৰাকীয়ে নিশ্চয় উপলব্ধি কৰিব যে যেতিয়া আধাৰশিলা স্থাপন কোনো এখন হস্পিতালৰ হৈ যায় তেতিয়া যদি বিধায়ক জনে প্ৰেচাৰ দিয়ে যে ইয়াৰ কিছু কাম আৰম্ভ কৰিব লাগে। তেতিয়া বাধ্য হৈ কিছু কাম আৰম্ভ কৰোতে ৫/৬ লাখ মান টকা খৰচ হৈ যায় সেইদৰে আন এখন হস্পিতালৰ আধাৰশিলা স্থাপন কৰোতে সেইদৰে অনুৰোধ আহিলে আকৌ কিছু খৰচ কৰিবলগীয়া হয়, গতিকেই কাম বিলাক সম্পূৰ্ণ কৰি তোলোতে কিছু অসুবিধা হৈছে। পুঁজিৰ সুবিধা হলে অৱশ্যে এই কামবিলাক সম্পূৰ্ণ কৰি তোলা হব।

শ্ৰীভৰত নৰহ : মাননীয় অধ্যক্ষ মহোদয়, অন্য বিধায়কে অনুৰোধ কৰিছে যদি মই নাজানো কিন্তু মই অনুৰোধ কৰা নাই, প্ৰয়োজন আছে কাৰণেই চকুৰাখানাত এই হস্পিতালখন সাজিবলৈ দিয়া হৈছে, ইতিমধ্যে তেওঁলোকে ১০ শতাংশ কামো আৰম্ভ কৰা নাই। চৰকাৰৰ বিভাগে নিজেই এইটো কৰিছে, বিধায়ক হিচাবে মই যিহেতু নিজে অনুৰোধ কৰা নাই আৰু স্বাস্থ্য বিভাগৰ ফালৰ পৰা এইটো কৰা হৈছে। গতিকে এইটো সম্পূৰ্ণ কৰিব নে নকৰে ? মই তাৰিখ আৰু সময় বিচৰা নাই। গতিকে সেইটো সম্পূৰ্ণ কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা লবনে ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : যিহেতু সময় আৰু তাৰিখ বিচৰা নাই সেইটো সম্পূৰ্ণ কৰা হবই।

শ্ৰীঅৰ্ধেন্দু কুমাৰ দে : চেংশ্যনটো গড়কাপ্তানী বিভাগে দিয়েনে স্বাস্থ্য বিভাগে দিয়ে ? Sir, on a point of clarification I want to know whether the P.W.D. and Health Department is the sanctioning authority ?

( Voice Health Deptt. Health Deptt. )

In that case, P.W.D. is encroaching the right of the Health Department.

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : চেংশ্যনটো স্বাস্থ্য বিভাগে কৰে, এই ক্ষেত্ৰত স্বাস্থ্য বিভাগৰ কোনো দোষ নাই কিয়নো টকাৰ অভাৱতহে কামবিলাক কৰিব পৰা নাই। কিন্তু চেংশ্যনটো দিয়াৰ পিচত স্বাস্থ্য বিভাগে মুঠিতো বাখি থোৱাৰ কাৰণে গড়কাপ্তানী বিভাগৰ বদনাম হৈছে। কাম কৰিবলৈ টকা নাই এচ, চি

আৰু এচ. টি কম্পোনেণ্ট প্লেনত কিছু টকা আছে কিন্তু জেনেৰেল এৰিয়াত নিচেই কম, গতিকে আধাৰশিলা স্থাপন কৰি থাকিলে এনেকুৱা এটা অৱস্থা হ'বই। এনেকুৱা এটা পৰিস্থিতিৰ উদ্ভৱ হৈছে।

**Re : Amount earmarked for component plan.**

Shri Digendra Purkayastha asked :

*625. Will the Minister, Welfare of Plains Tribes and Welfare of scheduled castes be pleased to state :

(a) The total amount earmarked for scheduled castes component plan during the year 1988-89 ? (The departmentwise allocations may pleased be furnished)

(b) Whether all the money have been utilised by the respective department ?

Shri Durga Das Boro (Minister of State W. P. T. & B. C. Deptt.) replied :

(a) An amount of Rs. 3275.55 lakhs out of State Plan for General Areas and another Rs. 201.60 lakhs of Special Central Assistance were originally the outlay for the SC component Plan in 1988-89. Departmentwise allocation as per annexure is enclosed. (See the allocation list at annexure—II)

(b) Required informations have been called for from the concerned Deptts. and will be furnished, as soon as these are received.

Shri Digendra Purkayastha : Sir. in reply to this question the Hon'ble Minister of State has furnished the details of allocation departmentwise. But sir, in reply to (b), the Hon'ble Minister of State has stated that informations have been called for from the concerned deptts. and will be furnished soon as and when these are received. Sir, the financial year ends on 31st of March and it is 17th day

of the month of May todey. I do not understand why the Govt. is not yet in a position to furnish the required informatiod. In view of this, may I request the Hon'ble Minister of State to give an assurance today that these informations will be furnished within the current session of the Assembly ?

শ্ৰীদুৰ্গা দাস বড়ো ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কৰা প্ৰশ্নটো খুব ভাল প্ৰশ্ন । যিহেতু এই বিভাগৰ কোনো নিজা মেশ্যিনাৰী নাই সেয়েহে বিভিন্ন বিভাগলৈ বিতৰণ কৰি দিয়া হয় । তেওঁলোকে গোটেই বছৰ জেনেৰেল এবিয়াৰ লগতে আমাৰ এই বিভাগৰ কামথিনিয়ো কৰে । গতিকে তেখেত সকলে যদি হিচাব নিদিয়ে তেনে ক্ষেত্ৰত আমি হিচাব দিয়াটো সম্ভৱ নহয় । তথাপি আশা ৰাখিছো যিমান সোনকালে পাবো সিমান সোনকালে দিবলৈ চেষ্টা কৰিম ।

শ্ৰীনিলমণী দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে স্বাস্থ্য বিভাগৰ, শিক্ষা বিভাগৰ প্ৰাদেশিকীকৰণৰ ক্ষেত্ৰত, সামাজিক বনানিকৰণৰ ক্ষেত্ৰত জন-স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত যিমান টকা ধৰা আছিল সিমান টকা খৰচ হৈছেনে নাই সেইটো মন্ত্ৰী মহোদয়ৰ জ্ঞাত নে ?

শ্ৰীদুৰ্গা দাস বড়ো ( মন্ত্ৰী ) : আমাৰ পুৰকায়স্থ ডাঙৰীয়াই একেলগে কৈছে আৰু দাস ডাঙৰীয়াই ভাগ ভাগ কৰি কলে, সেইটোৰ উত্তৰ মই আগতেই দিছো ।

Starred Question No. 626 was not colled for.

## বিষয় : সাৰ ও কীটনাশক ঔষধ ।

শ্ৰীআব্দুল জলিলে সুধিছে :

* ৬২৬ । মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) মৰিগাওঁ মহকুমাৰ ভূৰাগাওঁ চক্ৰ এ, ই, অ, জনে ১৯৮৯ চনৰ ১০-১-৮৯ আৰু ১৬-২-৮৯ তাৰিখে লাহৰীঘাট এগ্ৰইণ্ডাষ্ট্ৰীজ এজেন্সীৰ পৰা কি কি আৰু কিমান পৰিমানৰ সাৰ ও কীটনাশক ঔষধ আনিছিল ?

খ) এই বস্তুবোৰ বিতৰণ নকৰা কথাটো সচাঁনে ?

গ) যদি সচাঁ, চৰকাৰে তদন্ত কৰি ইয়াৰ বিহীত ব্যৱস্থা লবনে ?

শ্রীদেৱকুমাৰ বৰা ( কৃষিবিভাগৰ মন্ত্রী ) য়ে উত্তৰ দিছে :

ক) মৰিগাওঁ মহকুমাৰ ভুৰাগাওঁ চক্রৰ কৃষি সম্প্রসাৰণ বিষয়া জনে উক্ত সময় ছোৱাত অসম কৃষি উদ্যোগ উন্নয়ন নিগমৰ বিক্রী কেন্দ্রৰ পৰা কোনো ধৰনৰ কীটনাশক ঔষধ আৰু সাৰ অনা নাছিল।

খ) প্রশ্ন নুঠে ।

গ) প্রশ্ন নুঠে ।

## Re : Sonakhira—Bubrighat Road.

Shri Monilal Gowala asked :

* 627. Will the Mlnister, P. W. D. be pleased to stated :

a) Whether the Govt. will take steps for the improvement (viz : metalling blaoktopping etc. ) of the Sonakhira Bubrighat road under Patharkandi Road Subdivision (Karimganj Division ) in the interest of the public of 25 village ?

শ্রীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্রী ) য়ে উত্তৰ দিছে :

ক) প্রাপ্ত পুঁজি অনুসৰি ৰাস্তাটো আংশিকভাৱে ক'লাপৃষ্ঠ কৰাৰ ব্যৱস্থা কৰা হৈছে ।

Shri Monilal Gowala : Sir, Sonakhira Bubrighat road is important road. But the road remains closed for several years. If a road is closed for several years. then what is the use of this road. In view of the importance of the may I request the Hon'ble Minister, P. W. D., kindly to allocate considerable amount of funds for the improvement of the said road in the interest of the public of 25 Villages ?

শ্রীঅতুল বৰা ( মন্ত্রী ) : মাননীয় অধ্যক্ষ মহোদয়, কিছু অংশ ব্লেক টপীং কৰাৰ কাৰণে ২ লাখ টকা দিয়া হৈছে আৰু পাৰিলে ভৱিষ্যতেও দিয়া হব ।

শ্ৰীকুমাৰ দীপক দাস : এনেধৰণে বহুতো ৰাস্তা অসমত আধৰুৱা হৈ আছে। মোৰ সমষ্টিতে তিনিটা ৰাস্তা আধৰুৱা হৈ আছে। মই মন্ত্ৰী মহোদয়ক সেই ৰাস্তা কেইটাৰ সম্পৰ্কত আবেদন জনাইছিলো। মন্ত্ৰী মহোদয়ে সেই বিষয়ে ব্যৱস্থা লব নে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : মাননীয় সদস্য গৰাকীয়ে যিটো মোক অনুৰোধ কৰিছে সেইটো এই প্ৰশ্নটোৰ লগত প্ৰাসঙ্গিক নহয়। তেখেতে লিখিত ভাবে মোক সেই বিষয়ে জনাব পাৰে।

## Undisposed Starred Question.

(To which oral answers were not called for want of time. However written answers deemed to have been laid on the Table as follows)

### বিষয় : স্পোৰ্টচ্ কণ্ট্ৰোল বোৰ্ড (Sports Control Board)

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

*৬২৮। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) শ্ৰম বিভাগৰ যোগে অসমৰ চাহ বাগিছা সমূহৰ খেলুৱৈ সকলক খেলৰ মানদণ্ড উন্নত কৰাৰ বাবে Sports Control Board নামে এটা বৰ্ড খোলা হৈছিল নেকি ?

খ) বৰ্ত্তমান উক্ত বৰ্ডখন কোনে পৰিচালনা কৰে ?

গ) বৰ্ত্তমান ইয়াৰ পুঁজি কিমান আৰু কত থোৱা হৈছে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়, হৈছিল।

খ) বোৰ্ডৰ পৰিচালনা সমিতিৰ নিৰ্দ্দেশ ক্ৰমে সদস্য সচিব জনে যাৱতীয় কাম কাজ পৰিচালনা কৰে।

গ) বৰ্ত্তমান বোৰ্ডৰ পুঞ্জিৰ পৰিমান ৭৭ হেজাৰ ১৪৫ টকা (৭৭১৪৫,৬৪ টকা) ৬৪ পইচা। ধনখিনি বোৰ্ডৰ নামত State Bank of India ৰ পান বজাৰ শাখাত জমা আছে।

**Re. : Agriculture Farming Corporation.**

Shri Abdul Jalil Ragibi asked :

*629. Will the Minister, Agriculture be pleased to state :

(a) How many Agriculture Farming Corporations are there in the State ?

(b) Is there any Farming Corporation namely "Jamuna Moudong Farming Corporation" in Jamunamukh Constituency ?

(c) If so, how many bighas of land are within that Farming Corporation ?

(d) How many families are the shareholders of that corporation and how many Bighas of land have been alloted to every shareholder ?

(e) Is there any shareholder who is occupying more land than alloted to him ?

(f) Is there any family who is not annual share holder occupying the corporation land and cultivating illegally and if so, the number of such family ?

(g) Is there any share of the Police Department in the said corporation and if so why ?

Shri Deba Kumar Bora ( Minister, Agriculture ) replied :

(a) There are 12 numbers of Agricultural Farming Corporations in the State.

(b) Yes.

(c) 2500 bighas of land are there under the said Farming Corporation.

(d) There are 192 families as shareholder and nine bighas of land are alloted to each shareholder.

(e) The detailed information is being ascertained as to whether any shareholder is occupying more than 9 bighas as allotted.

(f) Yes, there are 36 non-shareholders who are occupying the Corporation land and cultivating illegally.

(g) 3 Bighas of land was handed over to Murajhar Police Station in the year 1984-85 for establishment of a Police Outpost within the area of the Farming Corporation in the interest of Public Service Moreover 45 Bighas Salipaddy land are occupied and cultivated by the Police Department, Nagaon since 1974.

## Re : Boro Cultivation.

Shri Ramendra De asked :

*630. Will the Minister, Agriculture be pleased to state :

(a) What is the total area of land fit for Boro Cultivation in the District of Karimganj ?

(b) Area of land has been utilised for Boro Cultivation in the year 1988 ?

(c) What step the Govt. has taken to increase the area of land, regular irrigation and protection of Boro Paddy from flood and natural rain water ?

(d) What step has been taken by the Govt. to save the paddy of Anair howr under Badarpur Block and Ratabeel under South Karimgauj Block ?

Shri Deba Kumar Bora ( Minister, Agriculture ) replied :

(a) The total area of land fit for Boro Cultivation in the Karimganj District is 6500 Hectors.

(b) The area of land has been utilised for Boro Cultivation area in 1987-88, 6500 Hect. and in 1988-89, 7700 Hect.

(c) Following steps have been taken :

(i) By draining accumulated excess water from field.

(ii) By levelling and smoothening of undulated land for better management of rain water for irrigation purpose.

(iii) Construction of Water Harvesting Structure viz. pond, water reservoir etc. for irrigation purpose.

(iv) Construction of Guide bund to protect run off water and utilize for cultivation.

(v) Construction of Sluice Gate ( small type ) to protect from flood water.

(iv) Construction of irrigation canal for proper distribution of water.

(d) To save the paddy of Anair Haor under Badarpur Block following steps have been taken for protection of the paddy of Anair Haor under the Block during the year 1988-89.

Projects are :

(i) Excavation of canal at Barbari at a cost of Rs. 5135.00

(ii) Coostruction of water retantion bund at Goramara at a cost of Rs. 9849.00

(iii) Construction of Earthen bund at Borobari at a cost of Rs. 12,497.00

(iv) Test boring of installation of shallow tube well is under process.

No steps have been taken in respect of Ratabeel under South Karimganj Block by this Deptt.

**Re : Orang Forest Sanctuary.**

Shri Abdul Jabbar asked :

*631. Will the Minister, Forest be pleased to State :

a) Whether there is any plan to extend the area of the Orang Forest Sanctuary ?

b) If so, what are the reason for such extension ?

c) Whether any compensation or rehabilitation would be given to the persons who are likely to be evicted for the purpose of extension of the said Sanctuary ?

Shri Surendra Nath Medhi ( Minister, Forest ) replied :

a) Yes. But no concrete plan in this regard has been formulated as yet.

b) The areas proposed to be included within the extended area of Orang Wildlife Sanctuary is the natural abode of wildlife including rhinoceros. The adition of these areas would make the Orang wild life Sanctuary ecologically viable and provide more room to its denizens. Such extension would faciliate upgrading of the status of the Sanctuary, to that of a National Park in due course.

c) Adequate compensation would be paid to the persons having legal ownership of land and effected by such extension.

Re : Reserved Forest.

Shri Aminul Islam asked :

*632. Will the Minister, Forest be pleased to State :

a) Whether any proposed reserved forests have been converted into reserved forests since January, 1986 to till date ?

b) If so, what are the names of there newly created reserved forests ?

c) How many squade K.M. of areas have been covered by each such forests ?

d) What measures have been taken to protect there newly created reserved forests from the on slaught of unscruplulous traders and smugglers ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, এখন।

(খ) ডিগবৈ বন সংমণ্ডলৰ অধীনত থকা পাহাৰপুৰ সংৰক্ষিত বনাঞ্চল।

(গ) ১·৬৬ বৰ্গ কিঃ মিঃ ( ১৬৬·০০ হেক্টৰ )।

(ঘ) আন আন সংৰক্ষিত বনাঞ্চল ৰক্ষণা-বেক্ষণৰ ক্ষেত্ৰত লোৱা ব্যৱস্থাৰ দৰেই বন কৰ্মী আৰু বন প্ৰতিৰক্ষা বাহিনীৰ দ্বাৰা নিয়মীয়া তহলদাৰী কৰি ইয়াক সুৰক্ষা দিয়াৰ চেষ্টা কৰা হৈছে।

## Re : Baghbar Inspection Banglow.

Shri Abdul Hamid asked :

*633. Will the Minister, P.W.D. be pleased to State :

(a) Whether the Govt. is aware of the fact that due to absence of an I. B. at Baghbar, Government officer's, Public representatives visitors of Baghbar Satra suffers hardship for want of accommodation ?

(b) If so, whether Govt. will kindly establish an I. B. at Baghbar ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) চৰকাৰ এই বিষয়ে অবগত নহয়, যিহেতু তেনে কোনো আবেদন নিবেদন এতিয়ালৈকে পোৱা হোৱা নাই।

(খ) বৰ্ত্তমান ভবা নাই।

## Unstarred Question & Answers.

## বিষয় : কম্পনেণ্ট প্লেনৰ ৰাস্তা পকীকৰণ।

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে :

৯৯৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) উত্তৰ শালমাৰা মহকুমাত ১৯৮৮-৮৯ চনৰ অনুসূচীত জাতিৰ কম্পনেণ্ট প্লেনৰ পকীকৰণ ( Blacktopping ) ৰ টকা কোন ৰাস্তাত খৰচ কৰাৰ কাৰণে সিদ্ধান্ত লৈছে ?

(খ) উক্ত টকা খৰচ কৰাৰ ক্ষেত্ৰত চৰকাৰে বঙ্গাইগাওঁ গড়কাপ্তানী সংমণ্ডলৈ কোনো ধৰণৰ নিৰ্দ্দেশ দিছে নেকি ?

(গ) যদি দিছে অভয়াপুৰী লতিবাৰী আৰু নয়াগাওঁ বিষ্ণুপুৰ ৰাস্তা দুটা উক্ত প্লেনত পকীকৰণ কৰাৰ ব্যৱস্থা কৰিবনে ?

( ৰাস্তা দুটাৰ কোনটো ৰাস্তা কোন কোন অনুসূচীত জাতিৰ গাওঁৰ মাজেৰে গৈছে সদনৰ মজিয়াত গাওঁৰ নামবোৰ দাখিল কৰিব )।

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) যে উত্তৰ দিছে :

(ক) অভয়াপুৰী লতিবাৰী আৰু নয়াগাওঁ বিষ্ণুপুৰ ৰাস্তা।

(খ) হয়।

(গ অনুমোদিত টকাৰে ৰাস্তা পকীকৰণ যিমান অংশ কৰিব পৰা হব সিমান অংশ কৰাৰ ব্যৱস্থা কৰা হৈছে। অভয়াপুৰী লতিবাৰী ৰাস্তা বোয়ালিমাৰি, আমগুৰি, হৰিপুৰ, লতিবাৰীক সংযোগ কৰিছে আৰু অনুসূচীত জাতি বসবাস কৰা বৌমাৰী, লতিবাৰী, আমগুৰিৰ মাজেদি গৈছে। নয়াগাওঁ বিষ্ণুপুৰ ৰাস্তা ঘিলাগুৰি, বাৰিপুখুৰী, ইক্ৰাবাৰী গাওঁৰ মাজেদি গৈছে। এই গাওঁবোৰত বসবাস কৰা মানুহ অনুসূচীত জাতিৰ মানুহ।

## Re : PASMAFAP Project

Shri A. F. Golam Osmani asked :

999. Will the Minister, Agriculture be pleased to state :

(a) The aims and objects of PASMAFAP Project ?

(b) The amount spent in execution of PASMAFAP in Barpeta District in 1987-88 and 1988-89 ?

( Please supply information year-wise, block-wise with respective allocation and amounts spent ).

Shri Deba Kumar Bora ( Minister, Agriculture ) replied :

(a) The Department of Agriculture has been fixed as the nodel Department for implementation of Centrally sponsored scheme for small and marginal farmers.

This scheme aims at increasing Agricultural production in the lands of small and marginal farmers through provision of minor irrigation, land development and introduction of improved varieties of seeds through minikits.

(b) The amount allotted and spent in execution of PASMAFAP Scheme in Barpeta District in 1987-88 and 1988-89 are as follows :—

( Block-wise, Year-wise allocation of funds at statement are enclosed in Annexure—I, II, III ).

( See at Annexure III A, III B, III C )

| Sl. No. | Iten | Amount allotted/spent 1987-88 Allocation (Rs. in lakh) | 1987-88 Expdr. (Rs in lakh) | 1988-89 Allocation (Rs. in lakh) | 1988-89 Expdr. (Rs. in lakh) |
|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 |
| 1. | Minor Irrigation | 14.784 | 2.6017 | 9.2383 | 11.19279 |
| 2. | Land Dev. work, like, Contour Bunding, land levelling, etc. | 3.904 | 3.904 | 2.63823 | 0.22067 |
| 3. | Distrubution of Minikits | 2.112 | 2.112 | 1.425 | Nil |

No seed could be supplied in Barpeta District under PASMAFAP as all available seeds had to be distributed under flood relief scheme. Seeds distributed to Barpeta District under flood relief programme, 1988-89 are shown below :—

| | | Barpeta | Patsala |
|---|---|---|---|
| 1. | Mustard | 364 Qtls. | 364 Qtls. |
| 2. | Pea | 524 " | 360 " |
| 3. | Lentil | 145·20 " | 25.00 " |

Allocation of fund on Irrigation Component is made on District basis and this Irrigation component installation of S.T.W./L.L.P. is executed by A.S.M.I.D.C. The A.S. M.I.D.C. is requested to sand Block-wise allotment and Expenditure for the year, 1987-88, 1988-89 as the same is not readily available.

### বিষয়ঃ লাদৈগড়।

শ্ৰীনবেন তাঁতীয়ে সুধিছে :

১০০০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) ৰঙ্গা দিনীয়া লাদৈগড়টো বৰ্ত্তমান কেনে অৱস্থাত আছে ?

খ) লাদৈগড়টোৰ উন্নতিৰ বাবে কোনো ব্যৱস্থা লোৱা হৈছে নেকি ?

গ) যদি লোৱা হৈছে, ইয়াৰ বাবে কিমান টকা ধৰা হৈছে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) অংশ বিশেষে শোচনীয় অৱস্থাত আছে।

খ) শিৱসাগৰ জিলাৰ ভিতৰৰ অংশত যত সামান্য ভাৱে লাদৈগড় ৰাস্তাৰ উন্নতি অৰ্থাত পকীকৰণৰ ব্যৱস্থা হাতত লোৱা হৈছে।

গ) টকাৰ পৰিমাণ ৩.৬৪ লাখ টকা।

### Re : Agriculture Farm.

Shri Maziruddin Ahmed asked :

1001. Will the Minister, Agriculture be pleased to state :

(a) Whether there is a "কৃষি পাম" at Sidhabari under Matia Circle of Goalpara District ?

(b) What are the functions of this "কৃষি পাম" ?

(c) How and under what arrangement the lands of the Farm is being cultivated ?

(d) Whether there has been encroachment of the land of the Farm by outsiders ?

Shri Deba Kumar Bora ( Minister, Agriculture ) replied :

(a) Yes.

(b) The function of this Agricultural Farm under the Agril. Farming Corporation is to enroll farmers as shareholders through selection from small and marginal farmers and allot them land in the farm premises for collective or individual farming on scientific method and thereby earn their livelihood. Besides, some portion of the land in the Farm is earmarked as Growth Complex and kept under the control of the management. The earnings of the Growth Complex is deposited into the Account of the Agril. Farming Corporation as its revenue.

(c) Each of the 65 Nos. of shareholders have been alloted 8 ( eight ) bighas of land for cultivation collectively or individually. Another 800 bighas kept for Growth Complex are being cultivated by the management.

(d) Yes, 161 Nos. of families have so far encroached upon the Farm land and the matter has been referred to the District Civil Authority for redress.

## বিষয় : ৰাস্তা পকীকৰণৰ শিল।

শ্ৰীগোপীনাথ দাসে সুধিছে :

১০০২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) কামৰূপ জিলাৰ "শিংৰা হেকৰা নগৰবেৰা" ৰাস্তা দুটা পকী কৰাৰ বাবে যিবিলাক শিলগুটি নি জমা কৰা হৈছে, সেই শিলবোৰ ৰাস্তা পকীকৰাৰ কামৰ বাবে উপযুক্ত হয় নে নহয় চৰকাৰে পৰীক্ষা কৰিছেনে ?

খ) যদি পৰীক্ষা কৰি চাইছে তেন্তে ইয়াৰ ফলাফল কি ?

গ) যদি পৰীক্ষা কৰি চোৱা নাই তেন্তে চৰকাৰে অতি সোনকালে পৰীক্ষা কৰি চোৱাৰ ব্যৱস্থা গ্ৰহন কৰিবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) চোৱা হৈছে ।

খ) এই কামৰ বাবে অনুপযুক্তবোৰ আতৰাই উপযুক্ত লোকহে কামত লগাবলৈ নিৰ্দ্দেশ দিয়া হৈছে ।

গ) প্ৰশ্ন নুঠে ।

## বিষয় : পিজুপাৰা হৰিডোবা ৰাস্তা ।

শ্ৰীগোপীনাথ দাসে সুধিছে :

১০০৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত "পিজুপাৰা হৰিডোবা ৰাস্তা" Black topping কৰাৰ বাবে চৰকাৰে ১৯৮৮-৮৯ চনত ২ ( দুই ) লাখ টকা মঞ্জুৰী দিয়া কথাটো সঁচানে ?

খ) যদি সঁচা, তেন্তে উক্ত ৰাস্তাৰ Black topping ৰ কামখিনি অহা বাৰিষাৰ আগে আগে সম্পূৰ্ণ কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, সঁচা ।

খ) যথা সম্ভৱ চেষ্টা কৰা হব ।

## বিষয় : বকৰা বালিঝাৰত পি, এইচ, চি, স্থাপন ।

শ্ৰীগোপীনাথ দাসে সুধিছে :

১০০৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত বকৰা বালিঝাৰত স্থাপন কৰিব লগীয়া পি, এইচ, চিটোৰ নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ কৰা হৈছেনে ?

খ) যদি হোৱা নাই তেন্তে চৰকাৰে অতি সোনকালে উক্ত পি, এইচ, চিটোৰ নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) আৰম্ভ কৰা হোৱা নাই ।

খ) নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ কৰাৰ ব্যৱস্থা লোৱা হৈছে ।

## বিষয় : শ্ৰমিকৰ নিয়্নতম মজুৰি।

শ্ৰীহেমেন দাসে সুধিছে :

১০০৫। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) চাহ বাগানৰ শ্ৰমিক সকল নিম্নতম মজুৰি আইনৰ আওতাত পৰেনে ?

খ) যদি পৰে, এতিয়ালৈকে তেওঁলোকৰ বাবে কিয় নিম্নতম মজুৰি ধাৰ্য্য কৰা নাই ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( শ্ৰম মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, পৰে।

খ) শ্ৰমিক সংগঠন সমূহ আৰু মালিকি পক্ষৰ মাজত দ্বিপাক্ষিক চুক্তিৰ মাধ্যমেৰে চাহ শ্ৰমিক সকলৰ মজুৰি ধাৰ্য্য কৰি লোৱাৰ হেতুকেই নিম্নতম মজুৰি আইনৰ অধীনত চাহ শ্ৰমিকৰ নিম্নতম মজুৰি ধাৰ্য্য বৰ্ত্তমানে কৰা হোৱা নাই।

## বিষয় : বিকল্প ৰাস্তা নিৰ্ম্মাণ।

শ্ৰীমকবুল হুচেইনে সুধিছে :

১০০৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

উত্তৰ শালমাৰাৰ ৩১ নং ৰাষ্ট্ৰীয় পথৰ সৃজনগ্ৰাম উন্নয়ন খণ্ড আৰু কলগাছিয়া উন্নয়ন খণ্ড হৈ বৰপেটালৈ এটা বিকল্প ৰাস্তা নিৰ্ম্মাণ কৰিবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

বিকল্প ৰাস্তা নিৰ্ম্মাণৰ কোনো আঁচনি বৰ্ত্তমান চৰকাৰৰ হাতত নাই।

## বিষয় : ৰাজহ চক্ৰ কাৰ্য্যালয়।

শ্ৰীআব্দুল জলিল ৰাগিবীয়ে সুধিছে :

১০০৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) মৰিগাওঁ মহকুমাৰ ভুৰাগাওঁ ৰাজহ চক্ৰৰ কাৰ্য্যালয়ৰ নিৰ্মাণৰ কাম কোন চনত আৰম্ভ কৰিছে আৰু কিমান চনত শেষ হব ?

খ) এই কাৰ্য্যালয়ৰ নিৰ্মাণৰ কাম এতিয়ালৈ শেষ কৰিব নোৱাৰাৰ কাৰণ কি ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ভুৰাগাওঁৰ ৰাজহ চক্ৰৰ কাৰ্য্যালয় নিৰ্মাণৰ কাম ১৯৮৭ চনৰ মাৰ্চ্চ মাহত আৰম্ভ কৰা হৈছিল। এই কামটো ১৯৮৯ চনৰ জুন মাহৰ ভিতৰত শেষ হব বুলি আশা কৰা হৈছে।

খ) প্ৰথম ঠিকাদাৰ জনে লেহেম গতিত আসোঁৱাহ পূৰ্ণ কাম কৰাৰ কাৰণে সময়মতে সম্পূৰ্ণ হৈ নুঠিল। এতিয়া বাকী থকা কামখিনি ১৯৮৯ চনৰ জুন মাহৰ ভিতৰতে সম্পূৰ্ণ কৰিবলৈ আইন একজন ঠিকাদাৰক আবণ্টন দিয়া হৈছে।

## বিষয় : ভুৰাগাওঁ ৰাজ্যিক চিকিৎসালয়।

শ্ৰীআব্দুল জলিল ৰাগিবীয়ে সুধিছে :

১০০৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) নগাওঁ জিলাৰ ভুৰাগাওঁ ৰাজ্যিক চিকিৎসালয়ৰ কাৰ্য্যালয় ও বাস ভৱনৰ কাম কিমান চনৰ পৰা আৰম্ভ কৰা হৈছে ?

খ) এই কাম সম্পূৰ্ণ হওঁতে আৰু কিমান সময় লাগিব আৰু এতিয়ালৈ ইয়াৰ কাম সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ১৯৮৭ চনৰ পৰা আৰম্ভ কৰা হৈছিল।

খ) এই কাম সম্পূৰ্ণ হৈছে।

## বিষয় : গবৈমাৰী—কমাৰবৰী পথ।

শ্ৰীআব্দুল জলিল ৰাগিবীয়ে সুধিছে :

১০০৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৮৭-৮৮ চনৰ ও. এম. এন. পি আঁচনিভুক্ত গবৈমাৰী-কমাৰবৰী পথটো প্ৰকৃত ঠাইত নিৰ্মাণ কৰা হৈছিল নে ?

খ) যদি হোৱা নাই, ইয়াৰ কাৰণ কি ?

গ) এই ৰাস্তাত বৰ্তমানলৈ কিমান টকা খৰচ হ'ল ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) প্ৰাক-কলনত দেখুৱামতে প্ৰকৃত ঠাইত পথৰ কাম কৰা হৈছে।

খ) প্ৰশ্ন নুঠে।

গ) বৰ্তমানলৈকে এই ৰাস্তাত মুঠ ৪২,৭৪৯.০০ টকা খৰচ হৈছে। নিৰ্মাণৰ কাম এতিয়াও চলি আছে।

## বিষয় : সাৰ আৰু কীটনাশক ঔষধ বিতৰণ।

শ্ৰীআব্দুল জলিল ৰাগিবীয়ে সুধিছে :

১০১০। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

মৰিগাওঁ কৃষি মহকুমাৰ অন্তৰ্গত লাহৰিঘাট, ভুৰাগাওঁ আৰু গেকৰাৰ কৃষি সম্প্ৰসাৰণ বিষয়া সকলে ১৯৮৭-৮৮ আৰু ১৯৮৮-৮৯ চনত কিমান পৰিমানৰ সাৰ ও কীটনাশক ঔষধ আৰু শস্যৰ কঠিয়া ৰাইজৰ মাজত বিতৰণ কৰে ?

শ্ৰীদেৱকুমাৰ বৰা ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

মৰিগাওঁ মহকুমাৰ অন্তৰ্গত লাহৰিঘাট, ভুৰাগাওঁ আৰু গেকৰা অঞ্চলত ১৯৮৭-৮৮ আৰু ১৯৮৮-৮৯ চনত কৃষি সম্প্ৰসাৰণ বিষয়াই শস্যৰ কঠিয়া কীটনাশক ঔষধ আৰু সাৰ বিতৰণৰ তালিকা ক, খ, গ আৰু ঘ সদনৰ মেজত ৰখা হ'ল।

( See the list at Annexure IV )

## বিষয় : ভ্ৰমণ ৰানচ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

১০১১। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) Assam Tea Plantation Provident Fund and Pension Fund Scheme ৰ সভাপতি, উপ-সভাপতি আৰু কমিচনাৰৰ ১৯৮৮ চনত ভ্ৰমণ বানচ কিমান হৈছিল ?

( বেলেগে বেলেগে দেখুৱাব )

খ) ভ্ৰমণৰ সময়ত দৈনিক ভাট্টা কিমান দিয়া হয় ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( শ্ৰম মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সভাপতি : ১৯৮৮ চনত সভাপতিক ৪৯,৩৩৪'৬৫ টকা বিদেশত ভ্ৰমণৰ বাবে ভ্ৰমণ বানচ আৰু পুলকাৰৰ খৰছৰ বাবে ৬,৪৭০'০০ টকা মুঠ ৫৫,৮০৪'৬৫ টকা দিয়া হয়।

উপ-সভাপতি : ১৯৮৮ চনত উপ-সভাপতিক গুৱাহাটীৰ বাহিৰত ভ্ৰমণৰ খৰছ হিচাবে ৪০,১৪৬'০০ টকা আৰু গুৱাহাটীৰ ভিতৰত পুলকাৰৰ খৰছ হিচাবে ৭,৮৩০'00 টকা মুঠ ৪৭,৯৭৬'০০ টকা দিয়া হয়।

কমিচনাৰ : ১৯৮৮ চনত কমিচনাৰৰ ৰাজ্যৰ ভিতৰত ৪,১২১'০০ টকা ৰাজ্যৰ বাহিৰত ২৫,০৬০'00 টকা ভ্ৰমণ বানচ হিচাবে মুঠ ২৯,১৮১'০০ টকা আদায় দিয়া হয়।

খ) ভ্ৰমণৰ সময়ত দৈনিক ভাট্টা হিচাবে অসমৰ ভিতৰত দৈনিক ৪৫'00 টকা হিচাবে আৰু অসমৰ বাহিৰত ইয়াৰ তিনিগুণ হিচাবে দৈনিক ভাট্টা দিয়া হয়।

## বিষয় : ডিৰক চাহ বাগিচা।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

১০১২। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) তিনিচুকীয়া মহকুমাৰ অন্তৰ্গত ডিৰক চাহ বাগিচাখন কিমান একৰৰ হয় ?

খ) বাগিচাখনৰ ডিভিজন কেইটা আৰু প্ৰতি ডিভিজনত কিমান স্থায়ী শ্ৰমিক আছে ?

গ) প্ৰতি বছৰৰ মাৰ্চ মাহৰ পৰা নবেম্বৰ মাহৰ ভিতৰত অস্থায়ী শ্ৰমিকৰ সংখ্যা কিমান ?

( ১৯৮৬, ১৯৮৭ আৰু ১৯৮৮ চনৰ দিব )

ঘ) বাগিচাখনৰ চিকিৎসালয়ত ডাক্তৰ, নাৰ্চ, ফাৰ্মাচিষ্ট আৰু অন্যান্য কৰ্ম্মচাৰী কিমান ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( শ্ৰম মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) পঞ্জীভুক্ত মাটিকালি হ'ল ১১০৫'৫৮ হেক্টৰ আৰু ইয়াৰ ভিতৰত ৭১৪'৪৭ হেক্টৰ মাটিত চাহ গছ আছে।

খ) এই বাগিচাখনৰ ডিবক আৰু লিখাজান নামৰ দুটা ডিভিজন আছে। স্থায়ী শ্ৰমিকৰ সংখ্যা ডিবক ডিভিজনত ফেক্টৰী শ্ৰমিক সহ ৯২৮ জন আৰু লিখাজান ডিভিজনত ৭৮২ জন। মুঠ—১৭১০ জন স্থায়ী শ্ৰমিক।

গ) ১৯৮৬, ১৯৮৭ আৰু ১৯৮৮ চনৰ মাৰ্চৰ পৰা নবেম্বৰ মাহৰ ভিতৰত নিয়োগ কৰা অস্থায়ী শ্ৰমিকৰ সৰ্বাধিক সংখ্যা এনে ধৰণৰ : ১৯৮৬—৯৩৭ জন, ১৯৮৭—৮৭৭ জন, ১৯৮৮—১০২ জন।

ঘ) ডাক্তৰ—১ জন, ফাৰ্মাচিষ্ট—২ জন, নাৰ্চ-কাম-মিডৱাইফ—১ জন, হেলথ-এচিচ্‌ষ্টেন্ট—১ জন, লোকেল ট্ৰেইনড্ ধাই—১ জন, ড্ৰেচাৰ—২ জন, নাৰ্চিং এটেণ্ডেন্ট—২ জন, চুইপাৰ—২ জন।

## Re : Aforestation Programme.

Shri Aminul Islam asked :

1013. Will the Minister, Forests be pleased to state :

a) How many saplings have been planted during the last three years, under Aforestation Programme of the Forest Department ?

b) What is the percentage of plants survival ?

c) Which social Forestry Range has the highest achievement and which has the lowest in this regard ?

Shri Surendra Nath Medhi (Forest Minister) replied :

a) 1.1986-87-556.00 lakhs.
2.1987-88-497.87 lakhs.
3.1988-89-459.09 lakhs.

b) 70%-90%

c) On the basis of the avilable record Range of highest achievement and Range of lowest achievment year wise given as below:-

| Year | Highest achievment | Lowest achievement. |
|---|---|---|
| 1. 1986-87 | Sonapur Range Guwahati Divn. (13,78,750 Nos. of planting) | Fakiragram Range Kokrajhar Division (22,500 Nos of planting) |

| | | | |
|---|---|---|---|
| 2. | 1987-88 | City Plantation Range, Guwahati Division. (9,93,750 Nos. of planting.) | Barpeta Road Range Barpeta Division (25,000 Nos of Planting.) |
| 3. | 1988-89 | Dhalai Range Silchar Division. (10,82,600 Nos. of planting.) | Barpeta Road Range Barpeta Division (2,000 Nos of planting.) |

## বিষয়ঃ মৰিয়ণিৰ চিকিৎসালয়।

শ্ৰীনৰেন তাঁতিয়ে সুধিছে :

১০১৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) মৰিয়নিৰ ৩০ খন বিচনাযুক্ত চিকিৎসালয়লৈ বৰ্ত্তমানলৈ কিমান টকা মঞ্জুৰী দিয়া হৈছে ?

খ) যদি দিয়া নাই, তেন্তে কিয় দিয়া হোৱা নাই আৰু কেতিয়াকৈ টকাৰ মঞ্জুৰী দিয়া হ'ব ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) আজিলৈকে উক্ত চিকিৎসালয়ৰ বাবে মঞ্জুৰী দিয়া নাই যদিও যোৱা বিত্তীয় বছৰত মঞ্জুৰী দিয়া টকাৰ পৰা ১,২২,০১৭ টকা খৰচ কৰা হৈছে।

খ) এই বিত্তীয় বছৰত বৰ্ত্তমানলৈকে ৰাজ্যিক পৰিকল্পনাৰ শিতানত কোনো মঞ্জুৰী বিত্ত বিভাগৰ পৰা পোৱা নাই কাৰণে মঞ্জুৰী দিব পৰা নাই।

## বিষয়ঃ কাজিৰঙা উদ্যানত জীৱ জন্তুৰ মৃত্যু।

শ্ৰীনৰেন তাঁতিয়ে সুধিছে :

১০১৫। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যোৱা বছৰত হোৱা বানপানীত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত জীৱ জন্তুৰ মৃত্যু ঘটিছে নেকি ?

খ) যদি ঘটিছে, তেন্তে কি কি জন্তুৰ মৃত্যু ঘটিছে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, মৃত্যু হৈছে ।

খ) যোৱা ১৯৮৮ চনৰ প্ৰলয়ংকাৰী বানপানীৰ কৱলত পৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বিভিন্ন শ্ৰেণীৰ মুঠ ৮৩৮ টা জীৱ জন্তুৰ মৃত্যু হোৱা তথ্য আছে। শ্ৰেণীভেদে মৃত্যু হোৱা জীৱ জন্তুৰ তালিকাখন তলত উল্লেখ কৰা হ'ল।

১। গড়— ৪৭ টা ।

২। হাতী— ২ টা ।

৩। বনৰীয়া মহ— ৩ টা ।

৪। শৰ পহু— ২৬ টা ।

৫। দল হৰিণ—২৫ টা

৬। ছাগলি পহু— ৬২১ টা ।

৭। হুগৰি পহু—৫ টা ।

৮। গাহৰি—৬৯ টা ।

৯। Hog Badger—২৮ টা । ( বল গাহৰি )

১০। ঢেকীয়াপতীয়া বাঘ—২ টা ।

১১। কেটেলা পহু— ১০ টা ।

মুঠ— ৮৩৮ টা ।

## Re : Unstarred Question No. 12

Shri Maziruddin Ahmed asked :

1016. Will the Minister, Forest be pleased to state :

a) Whether it is a fact that in reply to Unstarred Question No. 12 dt. 7-10-87, the Minister Stated that allotments of E.G.B.G. & E.G.M.G. Sleepers have been given to 4 contractors for Supply to the Railways ?

b) In respect of the said question the Minister Stated that one A.C.F. have been deputed to pass the Sleepers ?

c) In respect of the said question it was stated that the Sleepers were yet to be passed ?

d) Whether the said allotted Sleepers have been passed at all ?

e) Whether the Minister is aware that evergreen Sleepers get rotten within a year ?

f) Whether the Govt. will pay compensation for the Sleeper which have got rotten ?

g) If so, when it will be paid ?

h) Have the Govt. got notice U/S 80 C. P. C. for compensation ?

i) Has any reply there to was given ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ইং ৭-১০-৮৭ তাৰিখৰ তৰাবিহীন প্ৰশ্ন নং ১২ ৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত শ্ৰীকামকল হাচান, শ্ৰীমনিকল হাচান, শ্ৰীকুইয়া বাভা আৰু শ্ৰীকনক বাভা নামৰ চাৰিজন ব্যক্তিক আৱণ্টন ( allotment ) দিয়া হৈছে বুলি কোৱা হৈছে।

খ) হয়।

গ) হয়।

ঘ) নাই।

ঙ) সাধাৰণতে চিৰ সেউজ কাঠৰ ( Evergreen ) শ্লিপাৰত ৰাসায়নিক দ্ৰব্য প্ৰয়োগ ( chemical treatment ) নকৰিলে আৰু সযতনে নাৰাখিলে এইবোৰ কিছু পৰিমাণে নষ্ট হোৱাৰ সম্ভাৱনা নথকা নহয়।

চ) বন প্ৰাধিকাৰীৰ পৰা দিয়া আৱণ্টন আদেশ ( allotment order ) ত শ্লিপাৰ গ্ৰহণ কৰিবই লাগিব এই বুলি কোনো বাধ্য বাধকতা নাই। সেয়ে ক্ষতিপূৰণ দিয়াৰ প্ৰশ্ন নুঠে।

ছ) প্ৰশ্ন নুঠে।

জ) হয়।

ঝ) এতিয়ালৈ উত্তৰ দিয়া হোৱা নাই।

## Miscellaneous.

শ্ৰীঅৰ্ধেন্দু কুমাৰ দে: মাননীয় অধ্যক্ষ মহোদয়. আমাৰ এই পবিত্ৰ সদনত কিছুমান অতি লাগতিয়াল কথা আলোচনা কৰা হয় কিন্তু সেই কথা প্ৰচাৰ কৰা নহয়। যোৱা কালি সদনত ৰাজধানী সম্পৰ্কেত এটা দৰকাৰী কথা আলোচনা হৈছিল কিন্তু সেইটো টি. ভিত প্ৰচাৰ নহ'ল। সেই কাৰণেই মই এই বিষয়টোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিলো।

Mr. Speaker : I will look into the matter. Now item No. 2. Voting on Demands for Grants. Grant No. 38. Minister of State for Welfare of Plains Tribes etc.

## Voting on Demands for Grants.

শ্ৰীদুৰ্গাদাস বড়ো (ৰাজ্যিক মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৯০ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত "অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণ" সম্পৰ্কীয় শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত বহন কৰিবলগীয়া ২৫,৭৬,২৬,০০০ পৰিমাণৰ টকা সম্পূৰ্ণ কৰাৰ অৰ্থে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ১৯,৩২,১৯.০০০ টকা মঞ্জুৰ কৰা হওঁক।

Mr. Speaker : There are 6 cut motions on this Grant. I would request the Hon'ble Members to move their cut motion one by one. Now I request Hon'ble Member Shri Mosiruddin Sheikh to move. ( Voice— Shri Digendra Purkayastha will move ).

Shri Digendra Purkayastha : Mr. Speaker Sir, I beg to move that the total provision of Rs. 25,76,26,000 under Grant No. 38 in respect of "Welfare of Scheduled Castes/ Scheduled Tribes and Other Backward Classes etc." at pages 1—95 of Volume II, Part XXII of the Budget be reduced by Rs. 100.00 i.e., the amount of the whole grant of Rs. 25,76,26,000 do stand reduced by Rs. 100.00.

Mr. Speaker : Now Hon'ble Member Shri Ratneswar Sarkar.

শ্ৰীৰত্নেশ্বৰ চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৯-৯০ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ দ্বাবিংশ অংশৰ ১ ৯৫ পৃষ্ঠাত থকা অনুসূচীত জাতি/অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ শিতানৰ ৩৮ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ সমগ্ৰ ২৫,৭৬,২৬,০০০ টকাৰ পৰা ১০০ টকাৰে হ্ৰাস কৰা হওঁক সমুদায় মঞ্জুৰীৰ ২৫,৭৬,২৬,০০০ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক।

Mr. Speaker : Now Hon'ble Member Shri Gapi Nath Das.

শ্ৰীগোপীনাথ দাস : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৯-৯০ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ দ্বাবিংশ অংশৰ ১—৯৫ পৃষ্ঠাত থকা অনুসূচীত জাতি/অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ শিতানৰ ৩৮ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ সমগ্ৰ ২৫,৭৬,২৬,০০০ টকাৰ পৰা ১০০ টকাৰে হ্ৰাস কৰা হওঁক সমুদায় মঞ্জুৰীৰ ২৫.৭৬.২৬,০০০ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক।

Mr. Speaker : Now Hon'ble Member Shri Amritlal Basumatary.

শ্ৰীঅমৃত লাল বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৯-৯০ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ দ্বাবিংশ অংশৰ ১—৯৫ পৃষ্ঠাত থকা অনুসূচীত জাতি/অনুসূচীত জনজাতি আৰু অন্যান্য পিছ-পৰা শ্ৰেণীৰ কল্যাণ শিতানৰ ৩৮ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ সমগ্ৰ ২৫,৭৬,২৬,০০০ টকাৰ পৰা ১০০ টকাৰে হ্ৰাস কৰা হওঁক সমুদায় মঞ্জুৰীৰ ২৫,৭৬,২৬,000 টকা ১00 টকাৰে হ্ৰাস কৰা হওঁক।

Mr. Speaker : Now Shri Jogendra Basumatary.

Shri Jogendra Basumatary : I will move. Mr. Speaker Sir, I beg to move that the total provision of Rs. 25,76,26,000 under Grant No. 38 in respect of "Welfare of Scheduled Castes/Scheduled Tribes and Other Backward Classes etc." at pages 1-95 of Volume II, Part XXII of the Budget be reduced by Rs. 100.00 i.e. the amount of the whole grant of Rs. 25,76.26,000 do stand reduced by Rs. 100.00.

Mr. Speaker : Now Hon'ble Member Shri Binai Khungur Basumatary.

Shri Binai Khungur Basumatari : Mr. Speaker Sir. I beg to move that the total provision of Rs 25,76,26,000 under Grant No. 38 in respect of "Welfare of Scheduled Castes/Scheduled Tribes and Other Backward Classes etc." at pages 1-95 of Volume II, Part XXII of the Budget be reduced to Re. 1.00 ie, the amount of the whole grant of Rs. 25,76,26,000 do stand reduced to Re 1.00

Mr. Speaker : Now I would request Hon'ble Member Shri Digendra Purkayastha to speak.

Shri Disendra Purkayastha : Mr. Speaker Sir, I know very well that inspite of my cut motion the Grant would be passed in this House. I also believe that the amount which has been allocated for this department is not sufficient considering the importance of the department. But sir, money is not the only criteria which stands in the way in serving these downtrodden people of the state. The most important thing required in this regard is sincerity and honesty on the part of the persons those who are in the helm of affairs of this department So, for doing welfare works, for upliftment of these downtrodden people of the society, there must be honesty and sincerity, Sir, so far as Grants under sixth Schedule Areas are concerned, there are elected bodies and as such, I have nothing to say about it but as regards General Areas, all these funds are utilised through Subdivisional Scheduled casts Development Boards but it is a matter of great regret that these Subdivisional Development Boards are constituted specially during this AGP regime purely on political considerations. Members are selected purely on partisan attitude, of course, than the Minister-in-charge, WPT & BC, Shri Thaneswar Boro, invited names from the members of this House but in actual practies, we have seen that our suggestions were

not taken into consideration and Boards were constituted whimsically with the members whose integrity and honesty is doubtful.

So, I earnestly request the Government to dissolve these existing Boards and reconstitute these subdivisional Boards with persons having honesty and integrity and persons having good character with sufficient backgrounds and retired Government employees without any political consideration and then only I thing the funds which will be allocated to these Boards will be properly utilised.

Mr. Speaker : Sir, now-a-days we have seen that the members are distributing grants to their relative. friends and own men, misusing the allocated funds. In our Silchar Sub-division in 1987-88, 17 LP Schools were taken under SC component plan. The Chairman of the Board Shri B. Rabidas, ignoring the decisions of the Board submitted a list of 17 Schools at his own accord. He had submitted the list to the Government ignoring the decision of the Board and when afterwards I had objected to it then the funds were not released for those schools and it is still under consideration I am thankful the honourable Minister of State, Education, Shri Jatin Mali, who gave on order to review the matter and placed the same before the Sub-divisional Board, for consideration. Similarly, in Hailakandi Sub-division, about 24 venture schools were selected. Most of thise school so selected were in the areas where the s/c population constituted only 5-10% or even less than that. So, Sir, if the things are done in this way then I wonder there will not be any upliftment of these down-trodden community of the State and the department will fail miserably in fulfilling its objectives. Sir, there is an Act called the Assam Scheduled ( Reservation of vacancies in services ) Act, 1978. The welfare of Plains Tribes and Backward Classes Department is responsible to implement this Act. But, we have seen, in practice, in almost all the

departments there are backlogs in vacancies. Sir, we do not find any initiative being taken by the departments to fill up these backlogs. It was pointed out that there are vacancies in the industries department, but surprisingly the department took little interest to initiate action for filling up these posts. I am glad to know that our Prime Minister, Shri Rajiv Gandhi, has declared recently that he will make a special drive to clear the backlogs of the scheduled caste and scheduled tribes and other backward classes within a time frame of three months beginning from Ist June, 1989. I hope this Govt. will take similar steps to fill up the backlogs in the State. Sir, today, in my starred question I wanted to know about the utilisation of funds by different departments, but I am sorry to state that our Minister of State incharge of the department has stated that the respective departments have not furnished the required information. He pleaded that he has no machinery which can submit the required information to him. Sir, if the Minister has no machinery then to whom should we go? Who will implement the programme for which funds are allocated for a particular year, Sir, our financial year ends on 31st March. It is now 17th of May but till than the department could not furnish the required information. We have informations that many departments have surrendered funds as they could not utilise the fund in time. I am sorry that the minister could not furnish the required reply in reply to my question. Sir, I, therefore, want the Minister to take more initiative. I would also want hime to be more active, and more alert about the utilisation of funds by the department. Sir, ultimately we go to this department for any sort of harassment or discremination of the employees. I know the scheduled caste employees in different department are being harassed by their seniors. Even adverse remarks are made in their ACRs so that they cannot get their promotion to the higher posts.

Sir, even in some cases we have seen that the higher officers do not spare their subordinates to criticise in front of other subordinates. In this way, the harassment going on. Therefore, I want that the department should take necessary steps to stop all these practices so that such harassments are not made in future to the employees. If any complaint is received, the department will take appropriate action against the defaulting officers. Sir, I am glad that in our State our Chief Minister is in incharge of the department. It is also a fact that the Chief Minister remains very busy with other works and he has little or no time to look after the department. So, I want to urge upon the Minister of State, W P T & B C to look into the matter and take appropriate action so that the scheduled castes, scheduled tribes and other backward classes people are protected constitutionaly and that their constitutional rights are guaranteo. Sir, with these few words I conclude my speech.

Mr Chairman : Now, Shri Ratneswar Sarkar.

শ্ৰীৰত্নেশ্বৰ সৰকাৰ : * মাননীয় সভাপতি মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে আমাৰ অনুসূচীত জাতি অনুসূচীত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণৰ বাবে বাজেটত যি দাবী মঞ্জুৰী উৎথাপন কৰিছে, তাৰ বিৰোধিতা কৰি মই কেইটামান কথা কবলৈ বিচাৰিছো ।

সভাপতি মহোদয়, ১৯৭১ চনৰ চেনছাচমতে অসমত ৯ লাখ ১২ হেজাৰ ৫ শ ৯৭ জন অনুসূচীত জাতিৰ মানুহ আছে । আকৌ ১৯৮১ চনৰ চেনছাচ মতে অসমত ১৬ লাখ ৬ হেজাৰ ৬ শ ৪৮ জন মানুহ হৈছে । এই তথ্য ভুল বুলি আজি কেই বছৰ মান আগতে কোৱা হৈছিল । অসমত ঠিকমতে চেনছাচ হোৱা নাই । সেয়েহে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে অসমত কিমান সংখ্যক অনুসূচীত জাতি, অনুসূচীত জনজাতিৰ মানুহ আছে অংকটো উলিয়াব লাগে । আমাৰ অনুসূচীত জাতিক ৰক্ষণা বেক্ষন দিয়াৰ কাৰণে আমাৰ চৰকাৰৰ যি বিভাগ আছে, এই বিভাগটো কবলৈ গলে এটা

* Speech not Corrected.

প্ৰবঞ্চক, ঠগ বাজি বিভাগ বুলি পৰিগণিত হৈছে। গতিকে ৰক্ষণাবেক্ষন দিয়াটো সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। আমাৰ মাননীয় শ্ৰীদ্বিগেন্দ্ৰ পুৰকায়স্থ ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰ সঠিক ভাবে দিব পৰা নাই। কোন বিভাগে কিমান টকা খৰচ কৰিলে এইটো যথাযথ ভাবে উত্তৰ দিব পৰা নাই। ৩১ মাৰ্চ গুছি যায়, পিচত কিমান দিন পাৰ হৈ যায় তাৰ অন্ত নাই। ডব্লিউ, পি, টি, বিভাগে কোন বিভাগত কিমান খৰচ কৰিলে এতিয়াও বাহিৰ কৰিব পৰা নাই।

সভাপতি মহোদয়, অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ উন্নতি কল্পে প্ৰতি বছৰে প্ৰচুৰ টকা খৰচ কৰা দেখা পাওঁ। কিন্তু এই টকা খৰচ কৰি কোনোবা এজন মানুহক উন্নতিৰ ৰাস্তাত বা শিক্ষা-দীক্ষা আদিৰ পৰিবেশ সৃষ্টি কৰিব পাৰিছে নে? আমাৰ অন্যান্য সমাজত যি ধৰণে চলিছে সেইদৰে আমাৰ এই বিভাগতো যিকোনো বিষয়তে কোনো নজৰ ৰাখিব পৰা নাই।

সভাপতি মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীদ্বিগেন্দ্ৰ পুৰকায়স্থ ডাঙৰীয়াই কৈছেই যে ১৯৬৮ চনৰ পৰা জনজাতিৰ বেকলগ পূৰণ নোহোৱাকৈ আছে। আমাৰ বিভাগে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। কিয় ব্যৱস্থা লোৱা নাই? বিভাগে আমাক বঞ্চিত কৰিছে। এই বিষয়ে মন্ত্ৰী মহোদয়েও একো কৰিব পৰা নাই। গতিকে এই বিভাগটোৰ প্ৰয়োজন নোহোৱা বুলি মই ভাবো। আনকি মন্ত্ৰীও এই বিভাগত থাকিব নেলাগে। আমাৰ মানুহখিনি যদি ৰক্ষণাবেক্ষণ দিব নোৱাৰে, চাকৰি বাকৰিৰ সুবিধা কৰি দিব নোৱাৰে, তেতিয়াহলে বিভাগ থকাৰ কাৰণ কি, মন্ত্ৰী থকাৰেই বা অৰ্থ ক'ত?

সভাপতি মহোদয়, বিভিন্ন বিভাগত গাড়ী কিনি টকা খৰচ কৰা দেখা যায়। আমাৰ অনুসূচীত জাতিৰ টকা খৰচ কৰাৰ ক্ষেত্ৰত এই বিভাগৰ আন কোনো খৰচ নোলায়।

সভাপতি মহোদয়, অনুসূচীত জাতি আৰু জনজাতিৰ উন্নয়নৰ কাৰণে যিবোৰ টকা ধাৰ্য্য কৰা হৈছিল সেই টকা উক্ত কামত খৰচ কৰা হোৱা নাই আৰু তাৰ পৰিবৰ্ত্তে সেই টকাবোৰ গাড়ী কিনা আৰু ভ্ৰমণ আদিতহে বেছি ভাগ খৰচ কৰা দেখা গৈছে। যোৱা ৩১ মাৰ্চ্চত আমি কিছুমান বিধায়কে এই বিভাগৰ এখন সভাত উপস্থিত হওঁতে এটা কথা গম পাইছিলো যে এই

বিভাগৰ ক্ষেত্রত ধাৰ্য্য কৰা শিক্ষাৰ শিতানৰ প্ৰায় ৭৫ লাখ টকা বিত্ত বিভাগৰ পৰা অনুমোদন নোপোৱাৰ কাৰণে শেষ সময়ত এই টকা চাৰেণ্ডাৰ কৰিবলগা হয়। এই টকা কিয় চাৰেণ্ডাৰ কৰিবলগা হ'ল সেই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা এই সদনতে এটা স্পষ্টীকৰণ দাবী কৰিলো। ইয়াৰ বাহিৰেও অনুসূচীত জাতি আৰু জনজাতিৰ যি বোৰ্ড সেই বোৰ্ড গঠন কৰাৰ ক্ষেত্ৰতো কিছুমান মেৰপাক থকা আমি দেখিবলৈ পাইছো। এইবোৰ কিয় হবলৈ পাইছে? যোৱা ১২-৪-৮৯ তাৰিখে অনুসূচীত জাতি আৰু জনজাতি উন্নয়ন বোৰ্ডসমূহ গঠনৰ ক্ষেত্ৰত চৰকাৰৰ নীতি সম্পৰ্কে মোৰ এটা তৰা চিহ্নিত প্ৰশ্ন আহি-ছিল আৰু সেই ক্ষেত্ৰত মই প্ৰশ্ন কৰিছিলো যে (ক) অনুসূচীত জাতি আৰু জনজাতি উন্নয়ন বোৰ্ডসমূহ গঠন কৰাৰ ক্ষেত্ৰত চৰকাৰে কি নীতি গ্ৰহণ কৰিছে, (খ) চৰকাৰী চাকৰিয়াল ইয়াৰ সদস্য হব পাৰেনে? তাৰ উত্তৰত সংশ্লিষ্ট মন্ত্ৰী মহোদয়ে উত্তৰ দিছিল যে—(ক) (খ) অনুসূচীত জাতি আৰু জনজাতি উন্নয়ন বোৰ্ড সমূহৰ কাৰ্য্যাৱলীৰ প্ৰতি দৃষ্টি ৰাখি উক্ত মহকুমাত থকা ৰাজ্য চৰকাৰৰ বিবেচনা মতে বিবেচিত উপযুক্ত বেচৰকাৰী মানুহক সদস্য আৰু চৰকাৰৰ বিভিন্ন উন্নয়ন বিভাগত উক্ত মহকুমাত থকা মুৰব্বী বিষয়াক সদস্য হিচাবে লৈ ৰাজ্য চৰকাৰে এই বোৰ্ডসমূহ গঠন কৰে। সাধাৰণ ভাবে কবলৈ গলে যদিও ৰাজ্য চৰকাৰে চৰকাৰী বিষয়াক এক্স অফিচিও সদস্যৰ বাহিৰে বা অধ্যক্ষ হিচাবে কোনো বোৰ্ডত নিয়োগ নকৰে, তথাপি কোনো উপযুক্ত চৰকাৰী বিষয়াক সদস্য হিচাবে নিয়োগ কৰা বা অধ্যক্ষ হিচাবে নিয়োগ কৰাত কোনো বাধা নাই। এই ক্ষেত্ৰত মোৰ আৰু এটা প্ৰশ্ন আছিল যে—উত্তৰ শালমৰা মহকুমাৰ অনুসূচীত জাতি আৰু জনজাতি উন্নয়ত বোৰ্ড ২ খন কোন কোন সদস্যৰ দ্বাৰা গঠন কৰা হৈছে? উক্ত সদস্য সকলৰ ভিতৰত কিমানজন চৰকাৰী চাকৰিয়াল আছে? তেতিয়া সেই প্ৰশ্নৰ উত্তৰত বিভাগীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছিল যে—সদস্য সকলৰ নাম আৰু ঠিকনা সংলগ্ন নথিত উল্লেখ কৰা হল। এতিয়া প্ৰশ্ন হল এই বোৰ্ড কেইখনত যি সকল লোকক নিযুক্তি দিয়া হৈছে তেওঁলোকৰ কিছুমান এডহক স্কুলৰ শিক্ষক, কোনোৱা হয়তো উত্তৰ পূৰ সীমান্ত ৰেলৱেৰ (বিদ্যুৎ বিভাগ) কৰ্ম্মচাৰী। তাৰ ভিতৰত এজন হল শ্ৰীতাৰিণী ৰাভা, চটজা গাওঁ, শিক্ষক ভুবিকাটা গাৰু-পাৰা প্ৰাইমেৰি স্কুল (প্ৰাদেশীকৃত)। এই বোৰ্ডসমূহ এনে ধৰণে গঠন কৰা হল যে তাত এজন শিক্ষকক সভাপতি হিচাবে নিযুক্তি দিয়া হল য'ত সেই

বিভাগৰে ইন্সপেক্টৰ বা জিলা শিক্ষা বিষয়া আদি সদস্য হিচাবে থাকিব। এতিয়া কথা হল এই শিক্ষক জনৰ সভাপতিত্বত যিখন বৈঠক বহিব তাত তেওঁৰ ওপৰৰ বিষয়া সকল সদস্য হিচাবে থাকিলে তেওঁলোকৰ মৰ্য্যাদা থাকিব নে নেথাকে ? এই বিষয়বোৰ আৰম্ভণীতে ভালদৰে চোৱা চিন্তা কৰি কাম বোৰ কৰা হলে হয়তো এনে নহলহেঁতেন। তাৰোপৰি এই বোৰ্ড বোৰত এনে কিছুমান লোকক নিয়োগ কৰা হৈছে যি সকলৰ বয়স ১৫-১৬ বছৰ। এনে সৰু সৰু লৰা বিলাকে বাইজৰ সমূহীয়া উন্নয়ৰ কামত কি দৰে সহায় আগ বঢ়াব পাৰিব সেইটোও চিন্তাৰ বিষয়। ইয়াৰ বাহিৰেও এই বোৰ্ড বোৰত ৩০-৩২ জন সদস্য থকাও পৰিলক্ষিত হৈছে। গতিকে ইমানবোৰ সদস্যৰে এই বোৰ্ডবোৰ গঠন কৰি ৰাজহুৱা ধনৰ অপচয় কৰা বুলিহে আমাৰ ধাৰণা। সেই কাৰণে এই আটাইবোৰ কথা ভালদৰে চাব লাগে আৰু তাৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে : সভাপতি মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিবাৰ কথা কৈছে সেই ক্ষেত্ৰত মোৰ এটা স্পষ্টীকৰণ আছে। যদি এই বোৰ্ডবোৰত ১৫-১৬ বছৰ বয়সীয়া লৰাক নিযুক্তি দিয়া হৈছে তেনেহলে এইটো সাংবিধানিক দিশৰ পৰাও অনিয়ম কৰা হৈছে। গতিকে এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ : ইয়াৰ বাহিৰেও এহ বোৰ্ডবোৰৰ যোগেদি যিবোৰ দুৰ্নীতি আৰু অনিয়ম ঘটি আছে সেইবোৰ কৈ শেষ কৰিব নোৱাৰি। যি সকল লোকক এই বোৰ্ডৰ সদস্য কৰি দিয়া হৈছে তেওঁলোকৰ অঞ্চলতে এই বোৰ্ডৰ জৰিয়তে বেছি কাম হোৱা আমি দেখিবলৈ পাইছো। কোনো এজন সদস্যৰ অঞ্চলটোত হয়তো অনুসূচীত জাতি বা জনজাতিৰ লোক শতকৰা ৫ ভাগ তাতহে কোনো ৰাস্তা বা স্কুলৰ কাম কৰা হৈছে আকৌ য'ত এই জাতিৰ লোক শতকৰা ৬০-৭০ ভাগ তাত হয়তো কোনো কামেই হোৱা নাই। মোৰ অঞ্চলৰ এঠাইত য'ত অনুসূচীত জাতিৰ লোক শতকৰা ৫ ভাগ তাত এখন স্কুল প্ৰাদেশীকৰণ কৰা হল কিন্তু লটিবাৰী নামৰ ঠাই এডোখৰত এখন ভেটেনাৰী চাব চেণ্টাৰ কৰাৰ কাৰণে আবেদন নিবেদন কৰিও সেইখন তাত পাতিব পৰা নগল। অথচ সেই অঞ্চলত অনুসূচীত জাতিৰ লোক শতকৰা ৭০ ভাগ আছিল। তাৰ পৰিবৰ্ত্তে চিডলসতী নামৰ ঠাইত হে এই চাব চেণ্টাৰটো পতা হল য'ত

এই সম্প্রদায়ৰ লোক শতকৰা ২ ভাগ। গতিকে আমি এইটো স্পষ্টকৈ দেখিবলৈ পাইছো যে যিটো অঞ্চলৰ পৰাই সদস্য নিয়োগ কৰা হৈছে সেই ঠাইতে বা সেই ঠাইৰ ৰাজনৈতিক দৃষ্টি ভঙ্গীৰ ওপৰত ভিত্তি কৰিয়েই এই কামবোৰ কৰি থকা হৈছে। সেই কাৰণে এই বোৰ্ডবোৰৰ জৰিয়তে প্ৰকৃত লোক সকলক উপকৃত কৰা হৈছে বুলি আমি কব নোৱাৰো আৰু সেই ক্ষেত্ৰত চৰকাৰে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি দাবী জনাই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীগোপীনাথ দাস : মাননীয় সভাপতি মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুষাৰমান কম বুলি ইচ্ছা কৰিছো। সভাপতি মহোদয়, অনুসূচীত জাতি আৰু জনজাতিৰ কাৰণে যিবিলাক চৰকাৰে টকা পইছা দিয়ে সেই টকা পইছা বিলাক অনুসূচীত জাতিৰ কাৰণে মহকুমা কল্যানবোৰ্ড আৰু অনুসূচীত জনজাতিৰ কাৰণে আইটিদিপি বোৰ্ড বিলাকৰ যোগেদি খৰছ কৰা হয়। কিন্তু অতি দুখৰ বিষয় যে অনুসূচীত জাতিৰ বোৰ্ডবিলাক গঠন কৰাৰ ক্ষেত্ৰত আমি দেখা পাইছো সম্পূৰ্ণ ৰাজনৈতিক মনোভাব আগত ৰাখি এই বোৰ্ডবিলাক গঠন কৰা হৈছে যাৰ ফলত এই বোৰ্ডবিলাকৰ সদস্য সকলৰ কাৰণে মিটিং খৰছ আৰু টিএ ডিএতে যথেষ্ট ধন খৰছ কৰিবলগীয়া হয়। সেয়ে মন্ত্ৰী মহোদয়ক মই এটা পৰামৰ্শ আগবঢ়াব বিছাৰিছো আপোনাৰ জৰিয়তে যে বৰ্ত্তমান যিবিলাক বোৰ্ড আছে এই বোৰ্ডবিলাক তৎকালিণভাবে ভঙ্গ কৰিব লাগে পাৰিলে আজিয়ে আৰু নতুনকৈ সৰ্ব্বোচ্চ ১৫ জন সদস্যক লৈ নতুনকৈ বোৰ্ডবিলাক গঠন কৰিব লাগে। মহকুমা কল্যাণ বোৰ্ড বিলাকৰ কাম কাজ-বিলাকত ইমান বেছি খেলিমেলি হৈছে তাৰ কেইটামান উদাহৰণ আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব খুজিছো। যোৱা বছৰ এচচি কম্পোনেন প্লেনৰ জৰিয়তে কিমান এলপি স্কুল প্ৰভিনচিয়েলাইজ কৰিম বুলি চৰকাৰে জাননী দিলে। আমাৰ গুৱাহাটী মহকুমা কল্যানবোৰ্ডৰ পৰা কিছু-মান এলপি স্কুলৰ নাম লিষ্ট কৰি অনুমোদন কৰি পঠিয়ায় কিন্তু দেখা গ'ল যে তাত এনে কিছুমান স্কুলৰ নাম অনুমোদন কৰা হৈছে য'ত এজন অনুসূচীত জাতিৰ লৰা ছোৱালীও সেইখন স্কুলত নাই। কথাটো জনাৰ পিছত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছিলো। অৱশ্যে সেই সময়ত সেইবিলাক স্কুল চৰকাৰীকৰণ কৰা নহল। গতিকে পৰবৰ্ত্তী সময়ত চৰকাৰীকৰণ

কৰিলে বা কিবা মজুৰী বিতৰণ কৰিলে বা অন্য কিবা সুবিধাৰ ক্ষেত্ৰত চৰকাৰৰ যিটো নিয়ম আছে যে যিখন স্কুলক সেই সুবিধা দিয়া হব তাত কমেও শতকৰা 40 ভাগ ছাত্ৰ ছাত্ৰী অনুসূচীত জাতিৰ হব লাগিব তাৰ কাৰণে যাতে মন্ত্ৰী মহোদয়ে নিৰ্দ্দেশ দিব বুলি আশা কৰিলো। কম্পোনেন প্লেনৰ টকাখিনি অনুসূচীত জাতিৰ নামতে খৰছ কৰা হব কিন্তু এই টকাৰ দ্বাৰা অনুসূচীত জাতিৰ লোকৰ কোনো উপকাৰ হোৱা নাই বৰং অপকাৰহে হৈছে। কম্পোনেন প্লেনৰ টকা আদি খৰছ কৰিবৰ কাৰণে সেই প্লেনবোৰত অনুমোদন দিবলৈ ৰাজ্যিক পৰ্য্যায়ত এখন উপদেষ্টা বোৰ্ড আছে কিন্তু এই সমিতিৰ সভা বছৰত দুদিনীয়াকৈ মাত্ৰ এবাৰহে বহে। ফলত আমি অনুমোদন দিয়া আঁচনি বিলাক ফিল্ডত একজিকিউট হৈছে নে নাই ৰিভিউ কৰাৰ কোনো স্কোপ নাপাওঁ। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিছাৰিছো যাতে এই উপদেষ্টা সমিতিৰ বৈঠক বছৰত কমেও তিনিবাৰ অনুষ্ঠিত কৰায়। অনুসূচীত জাতি আৰু জনজাতিৰ কাৰণে যিবিলাক অনুদান বিভিন্ন বিভাগে দিয়ে সেই বিলাক বিভিন্ন বিভাগে খৰছ কৰে। গতিকে এই বিভাগ বিলাকৰ কাম কাজ সময়মতে যাতে ৰিভিউ কৰিব পাৰি আৰু বিত্তীয় বছৰটোৰ ভিতৰতে যাতে টকা পইছাখিনি ইউটিলাইজ কৰিব পাৰি এই বিষয়টোত চৰকাৰে চকু ৰাখিব লাগে। আন এটা গুৰুত্বপূৰ্ণ বিষয় হৈছে আমাৰ এচচি চাৰ্টিফিকেটবিলাক দুটা চাইডৰ পৰা দিয়ে। এটা হৈছে অনুসূচীত জাতি পৰিষদৰ পৰা আৰু আনটো হৈছে মহকুমা কল্যাণবোৰ্ডৰ পৰা। মহকুমা কল্যাণবোৰ্ডৰ সভাপতিৰ চাৰ্টিফিকেট দিয়া ক্ষমতা থকা কাৰণে বহুত ক্ষেত্ৰত খেলিমেলি হৈছে। আমি কিছুমান ক্ষেত্ৰত দেখিবলৈ পাইছো যে মহকুমাবোৰ্ডৰ সভাপতিজন অনুসূচীত জাতিৰ মানুহ নোহোৱা কাৰণে এইবিলাক হয়। বহুত ঠাইত মহকুমাবোৰ্ডৰ সভাপতি জেনেৰেল কাষ্টৰ মানুহ হৈ আছে। গতিকে চাৰ্টিফিকেট দিয়া যিটো বোৰ্ডৰ সভাপতিৰ আছে সেইটো ৰদ্ কৰিব লাগে আৰু মাত্ৰ অনুসূচীত জাতিৰ অৰাজনৈতিক সংগঠন অনুসূচীত জাতি পৰিষদকে এই দায়িত্ব দিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। আন এটা কথা হৈছে আমাৰ যিটো এচেম্বলী কমিটি আছে তাৰ মযো এজন সদস্য। তাত এটা কথা দেখিবলৈ পাইছো যিবিলাক বিভিন্ন বিভাগ আছে তাত এচচি/এচটিৰ মানুহে যি সা-সুবিধা পাব লাগিছিল সেইখিনি সা-সুবিধা শতকৰা ৯৯ ভাগেই পোৱা নাই ফলত

যথেষ্ট সংখ্যক বেকলগ হৈ আছে। এই বেকলগ বিলাক পূৰণ কৰিবৰ কাৰণে চৰকাৰে স্পেচিয়েল ৰিকুইটমেণ্টৰ ব্যৱস্থা কৰি হলেও বেকলগ ফিলআপ কৰিব লাগে। আজি জনজাতিৰ বাইজে কিয় আন্দোলন কৰিছে? তেওঁলোকৰ কিবিলাক দিউ লেজিটিমেট ডিমাণ্ড সেইবিলাকৰ পৰা দিপ্ৰাইভ হৈ থকা কাৰণে আন্দোলনৰ পথ লবলগীয়া হৈছে। গতিকে এচচি-এচটিৰ লোক সকল যাতে ডিপ্ৰাইভ হৈ থাকিব নালাগে তাৰ কাৰণ বেকাযে আগভীয়াকৈ ব্যৱস্থা কৰ লাগে। কেইটা আগতে পৰা হলে আজি আন্দোলনৰ মুখামুখী হব নালাগিলহেতেন। গতিকে কোনো বিভাগতে যাতে ভৱিষ্যতে বেকলগ হব নোৱাৰে তাৰে কাৰণে চৰকাৰে স্ট্ৰীক অৰ্ডাৰ দিব লাগে আৰু বেকলগখিনি ফিলআপ নকৰাকৈ যাতে অন্য কোনো নিয়োগ নকৰে তাৰ কাৰণে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। আৰু এটা গুৰুত্বপূৰ্ণ বিষয় হৈছে যদি অনুসূচীত জাতি আৰু জনজাতিৰ লোকে কোনো এটা পদত কাম কৰি সেই পদৰ পৰা অৱসৰ হয় না মানুহজনৰ দুৰ্ঘটনাত মৃত্যু হয় তেনেহলে সেই পদটি অনুসূচীত জাতি আৰু জনজাতিৰ প্ৰাৰ্থীৰ দ্বাৰা পূৰণ কৰিব পাৰে বুলি আইন আছে। কিন্তু বৰ দুখ আৰু পৰিতাপৰ কথা যে এই চৰকাৰ আহিয়েই কিছুদিন আগতে এই নিয়মটো উঠাই দিলে। এই নিয়মটো উঠাই দিয়াৰ পাছত অনুসূচীত জাতি আৰু জনজাতিৰ লোকে যি সুবিধা পাব লাগিছিল তাৰ পৰা বঞ্চিত হৈছে। ইতিমধ্যে এই নিয়ম উঠাই দিয়াৰ কাৰণে বহুত জেনেৰেল মানুহে তেনেকুৱা সুবিধা লৈছে যাৰ ফলত বেকলগ আৰু বাঢ়ি গৈছে। গতিকে এই নিয়মটোৰ পৰিবৰ্তন কৰিব লাগে আৰু যাতে জেনেৰেল কাষ্টৰ পৰা তেনে পদ পূৰণ কৰা নহয় তাৰ কাৰণে চৰকাৰে চকু দিব লাগে।

মই কিছুদিন আগতে শিক্ষা বিভাগক এটা প্ৰশ্ন কৰিছিলো ৬৮ খন স্কুলক ১ লাখ টকাকৈ বিলডিং ফাণ্ড দিয়াৰ কথা আছিল। কিন্তু ৩১ মাৰ্চ পাৰ হোৱা বহু দিন হ'ল, সেই টকা বিলাক দিয়াৰ কোনো ব্যৱস্থা নকৰিলে। গতিকে বিভাগ বিলাকত এনেকুৱা কাৰবিলাক যদি চলে, তেনেহলে কাম কেনেকৈ হব। এই বছৰৰ টকা তিনি বছৰ পাচত দিলে কাম কেনেকৈ হব? এই বিলাক কৰাৰ অৰ্থ কি আমি বুজিব পৰা নাই। এটা বিত্তীয় বছৰৰ টকা স্পীল ওভাৰ হৈ আন এটা বিত্তীয় বছৰত যাতে নাযায় তাৰ কাৰণে ব্যৱস্থা লবলৈ মই মন্ত্ৰী মহোদয়ক গুৰুত্ব আৰোপ কৰিবলৈ দৃষ্টিগোচৰ কৰিলো।

আন এটা কথা হৈছে, আগৰ মন্ত্ৰী মহোদয়ে এচ, চি, এচ, টি সদস্য সকলৰ পৰা এটা লিষ্ট বিচাৰিছিল। সেই লিষ্টৰ মতে বোৰ্ড গঠন কৰাৰ কথা আছিল। কিন্তু কাৰ্য্যক্ষেত্ৰত কোনো ধৰণৰ কাৰ্য্যকৰী ব্যৱস্থা কৰা নহল। গতিকে বৰ্ত্তমান মন্ত্ৰী মহোদয়ক এই বিষয়ে দৃষ্টিগোচৰ কৰিলো। এই বোৰ্ড গঠন কৰাৰ ক্ষেত্ৰত যদি মানুহৰ নাম বা বোৰ্ডখন দিঘলীয়া কৰা হয় তেনেহ'লে কিছুমান যাবতীয় ভাগ লৈ কাজিয়াৰ সৃষ্টি হয়। তাৰোপৰি বিভিন্ন অনুদান সমূহৰ ভাগ বতৰাত শতকৰা ৪০ ভাগ থকা যিটো নিয়ম তাৰ যাতে ব্যাঘাট নহয় তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। সচা-কৈয়ে ৰাইজ যাতে উপকৃত হয় তাৰে আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীঅমৃতলাল বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি আমাৰ অনুসূচীত জাতি আৰু জনজাতি বিভাগৰ মন্ত্ৰী মহোদয়ৰ কেইটা আযাৰমান কথাৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। প্ৰথমতে মই ডঃ আম্বেদকাৰৰ অবজাৰভেচন এটা উদ্ধৃত কৰিব বিচাৰিছো। "On January 26, 1950. We will have equality in politics, social and economic fields. We must remove the disparities at the earliest moment otherwise those who suffers from idequality will blow up the structure of political democracy." এই কথাটো তেখেতে আমাৰ কনচ্টিটিউচন পোৱাৰ আগতেই কব লগা হৈছিল। এতিয়াও আমি কাৰ্য্যকৰী কৰিব পৰা নাই। পূৰ্বভাৰতত অনুসূচীত জাতি আৰু জনজাতিৰেই এটা পলিটিকেল ইচু হৈ আছে। ইয়াৰ প্ৰধান কাৰণটো হৈছে ইকুৱেলিটি। এই ইকুৱেলিটি নোপোৱাৰ কাৰণে সমস্যাৰ সৃষ্টি হৈছে। অসমৰ ভাষা সংস্কৃতি ৰক্ষাৰ কাৰণে সকলো ধৰণৰ জাতিয়ে চেষ্টা কৰি আহিছে। ইতিহাসৰ পৰা দেখা যায় পাটকাইৰ পৰা আহোম সকল আহি অসমীয়া ভাষাকে নিজৰ কৰি অসমীয়া ভাষা ৰক্ষা কৰিবলৈ চেষ্টা কৰি আহিছে। অৱশিষ্ট অসমতো আমাৰ অসম চৰকাৰৰ যিসকল চৰকাৰী কৰ্মচাৰী আছে তেওঁলোকে নিজৰ ভাষা আৰু অসমীয়া ভাষা ব্যৱহাৰ কৰিছিল। আৰু ঘৰত হয় অসমীয়া নহয় ইংৰাজী ভাষা ব্যৱহাৰ কৰে। ইয়াৰ প্ৰধান কাৰণটো হ'ল এটা ইউনিটি আৰু ইন্টিগ্ৰিটি ডেভেলাপ কৰা। লগতে নিজৰ উন্নতিও

* Speech not corrected.

হয়তো আশা কৰিছিল। বড়ো ভাষা প্ৰয়োগ কৰাৰ পাচতো অসমীয়া ভাষাৰ প্ৰভাৱ এতিয়াও আছে। বহু ঠাই অৰ্থাৎ বড়ো অধ্যুষিত অঞ্চলত অসমীয়া স্কুল এতিয়াও আছে। কিন্তু যিকোনো এচটাব্লিচমেন্টত শতকৰা ১০/১৫/৭ হিচাবে বেকলগ ফিলআপ কৰিব লাগিছিল সেইভাৱে কৰা নাই। টেকনিকেল ডিপাৰ্টমেন্টত এচ, চি, এচ, টি নাই বুলি কৈছে। প্ৰথম শ্ৰেণীৰ পোষ্ট বিলাক আমি নালাগে বুলি কৈছো। কিন্তু দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ পোষ্ট বিলাকো ফিলআপ কৰা নহল। অসমত বহুত বেক লগ থাকি গ'ল। সেইটোকে আপোনালোকক দেখুৱাব বিচাৰিছো।

কিন্তু ক্লাচ ৪ আৰু ৩ পৰ্য্যায়ৰ চাকৰিত কেনেকৈ বেকলগ হৈছে। আজি অসমত বহুত পিচপৰা শ্ৰেণীৰ জাতি আছে সেই বিলাক দেখুৱাব খুজিছো। গৃহ বিভাগৰ চাৰ্ভিচমতে ১৯৮৮ চনৰ ২৮ ফেব্ৰুৱাৰীলৈ বেকলগ আছে চাৰি হাজাৰ ৭৫৮'১২। ইয়াৰ ভিতৰত এচ, চি, আছে, এচ, টি (হিলচ) আৰু এচ, টি, (পি) আছে। আচলতে ক্লাচ ৩ ৰ চাৰ্ভিচত কনিষ্টবল সকল পৰিব। বেকলগ এনে ধৰণৰ আছে—এচ, চি ১ হাজাৰ ৯৭'১, এচ, টি হিলচ ১,৫৩২'১৫ এচ, টি, পি ১৫৯৯'৩৩, ক্লাচ ৪ ত এচ, চি ৪৩'৮৪, এচ, টি হিলচ ১৪৪'৬০, এচ, টি, পি ২৬৩'২৩। ঠিক তেনেকৈ কৃষি বিভাগত ২১০'৮২, ভূমি সংৰক্ষণ বিভাগত ১৯'৭২, স্পৰ্ট এণ্ড ইউথ ৱেলফেয়াৰ বিভাগত ৭০'৯২, ফাইনেন্স টেক্সেচন বিভাগত ১১৬'৬২ আৰু পাব্লিক হেলথ বিভাগত ১৬৪'৯২, লেবাৰ এণ্ড এমপ্লয়মেন্ট বিভাগত ১১৮'৮০ ভাগ বেকলগ আছে। গৃহ মন্ত্ৰীয়ে প্ৰচাৰ কৰিছিল জনজাতিৰ বিশেষ ভাৱে ৫ শ কনিষ্টবল লোৱা হব। কিন্তু সেইটো লোৱা হল নে নাই আমাৰ বিৰোধী পক্ষৰ জনাৰ অধিকাৰ নাই। মোৰ ধাৰণা ৫ শ পোষ্ট ফিলআপ কৰা হোৱা নাই। আগতে মাত্ৰ ১৯৫ টা এ এচ আই পোষ্ট আছিল। চেংচন পোষ্টৰ কথা কৈছো। ফিলআপ কৰাত কি অসুবিধা আছে। শতকৰা ১০,৭,৫ ভাগ কিয় ফিলআপ কৰা নাই। এই বিলাক কথা বিধান সভাত নকৈ কাক কম। এই কথাবিলাক চিন্তা কৰিব লাগে। দিনক দিনে জনজাতিৰ সমস্যা বাঢ়ি গৈছে। আমি কিছুমান ঐতিহাসিক পটভূমি চাব লাগিব। উত্তৰ পূৰ্ব্বাঞ্চলত প্ৰত্যেক ট্ৰাইবেলেই পৃথক ৰাজ্য পালে। কাৰ্বি, মিচিং, লালুং সকলে কিয় নাপাব এই ভাৱ হৈছে। এই বিলাক ধাৰণা নিৰপেক্ষ কৰিবৰ কাৰণে চেষ্টা কৰিব লাগিছিল। আজি সংহতিৰ কথা কলে

হব লাগে। আচলতে অসমৰ উচ্চ বৰ্ণৰ লোকসকলে সংহতি নিবিছাৰে। আজি পিছপৰা শ্ৰেণীৰ লোক সকলৰ কথা কোৱা হয়। হাজাৰ হাজাৰ সংখ্যক লোক শৰণাৰ্থী হৈ নিজস্ব এখি আপোৰ কাষ্টৰ কালচাৰ সামৰি লৈছে। কিন্তু তেওঁলোকক নাকচ কৰা হৈছে। এনেকৈ যদি হয় তেন্তে সংহতি কেনেকৈ আহিব? খ্ৰিচেমেন দাসে কৈছে যে সময় নোহোৱা নহয়, সময় আছে। যুগ যুগ ধৰি এইদৰে একোটাকে যদি পৰিবৰ্তন বুলি ভাবে তেন্তে একো নহয়। পৰিবৰ্তন ভালৰ কাৰণে হব লাগে। জনজাতি কল্যাণ বিভাগ আছে, ট্ৰাইবেল ডেভেলপমেন্ট কৰপৰেচন আৰু অথৰিটি আছে। ঠিক সেই ধৰণে এচ চি ডেভেলপমেণ্ট কৰপৰেচন আছে। এই বিলাক যদি ভালকৈ চোৱা যায় তেন্তে দেখা যায় যে একো কৰা নাই। কাম কৰাৰ ইচ্ছা নাই। গতিকে মই কৈছো যে ট্ৰাইবেলৰ ক্ষেত্ৰত কৰপৰেচন আৰু এ টি দি এ মাৰ্জ কৰিব লাগে। টি এচ পিৰ এলকেচন এটা সংগঠনে কৰিলে ভাল হব। অন্যান্য ৰাজ্যৰ দৰে চিংগুল এটনল পদ্ধতি হব লাগে। জনজাতিৰ কল্যাণৰ বাবে যিমান বিলাক বিভাগ আছে তেওঁলোকে কমকৈ টকা পায়. এই কথা বিভিন্ন বিভাগৰ লগত আলোচনা কৰি দেখিছো। টকা কম পোৱাৰ বাবে স্কিম লব পৰা নাই। তাৰোপৰি সেই বিভাগ বিলাকৰ কাম বেছি হোৱা বাবে টি এচ পিৰ কামত নজৰ দিব পাৰে আৰু টকা বিলাক লেপ্স হয়। গতিকে অন্য ৰাজ্যৰ আৰ্হিত কৰিলে ভাল হয়। তাৰ পিছত আমাৰ অসমত ইকনমিক অসমতা আছে যদিও সামাজিক অসমতা নাই। অসমত আন টাচেবিলিটি কথাটো আছে বুলি আমি নাভাবো। আমি দেখিছো যে অসমত সকলোৱেই সকলোৰে ঘৰত গৈ খোৱা লোৱা কৰিব পাৰে। কিন্তু বেলেগ বেলেগ ৰাজ্যত এইবিলাক নোহোৱা নহয়। অসমত আচলতে বহুত দিনৰে পৰাই অৰ্থনৈতিক অসমতাহে চলি আহিছে। কিন্তু আমি এই কথাটোলৈ লক্ষ্য ৰখা নাই। ইয়াৰ কাৰণেই যে বিভিন্ন ঠাইত আন্দোলন হৈছে সেইটো কথা আমি স্বীকাৰ কৰিবই লাগিব।

আজি নিযুক্তিৰ ক্ষেত্ৰত জনজাতীয় সকল বঞ্চিত হৈছে। অৱশ্যে এইটো অকল অসমতেই হৈছে বুলি কব নোৱাৰি। বেলেগ বেলেগ ৰাজ্যতো হৈছে। সেই কাৰণেই কেন্দ্ৰীয় চৰকাৰে কি খেল দেখুৱাব খুজিছে কব নোৱাৰো, কি উদ্দেশ্য আছে কব নোৱাৰো কালি বাতৰিত পালো যে প্ৰধান মন্ত্ৰীয়ে প্ৰথা

৩ মাহৰ ভিতৰত বেকলগ পূৰণ কৰাৰ কাৰণে এটা ড্ৰাইভ দিছে। ৩ মাহৰ ভিতৰত বেকলগ ফিলআপ কৰিব বুলি কৈছে। মই হলে এইটোও এটা নিৰ্ব্বাচনী চাল বুলিহে কব বিচাৰিছো। অসমত বেকলগ যিটো আছে সেইটো মই অকল এ জি পিৰ সৃষ্টি বুলিয়েই কব বিচৰা নাই। এইটো কংগ্ৰেছ আইৰে সৃষ্টি। অৱশ্যে আনডিভাইডেদ কংগ্ৰেছৰ দিনত ইমান বেকলগ নাছিল। তেতিয়া যদি শতকৰা ২৫ ভাগ আছিল তাৰ পিচত কংগ্ৰেছ আইৰ দিনত শতকৰা ৭৫ ভাগ হল। অসমত কংগ্ৰেছ আইৰ দিনত শতকৰা ৭৫ ভাগ বেকলগ ধৰিলে নন কংগ্ৰেছ আইৰ দিনত শতকৰা ২৫ ভাগ কৰিব লাগিব। কংগ্ৰেছ আইয়ে বেকলগ বঢ়াই গল। এইটো কেনেকৈ ৩ মাহৰ ভিতৰত পূৰণ কৰিব পাৰিব? ইয়াৰ কাৰণে কিবা স্পেচিয়েল এলকেচন কৰিব লাগিব। আজি যিমান বিলাক বেকলগ আছে শ্ৰীৰাজীৱ গান্ধীয়ে ৩টা চেনচুৰিটো এই বিলাক বেকলগ পূৰণ কৰিব নোৱাৰিব।

Shri Silvius Condpan : Whether the Hon'ble Member is agitating on the floor of the Parliament or in the State Legislature?

( Interruptions )

When the Prime Minister is not here, he cannot make queries.

Shri Binai Khungur Basumatary : On the floor of the House, We can raise any matter.

Shri Golok Rajbanshi : He cannot prove the charges. So, this cannot be raised in the House.

শ্ৰীঅমৃতলাল বসুমতাৰী : মই কব বিচাৰিছো যে ইয়াৰ কাৰণে যদি বিশেষ এলকেচন দিয়ে তেতিয়াহলে এইটো সম্ভৱ হব। কেন্দ্ৰীয় চৰকাৰে চেষ্টা কৰিলেই নহব ইয়াত ৰাজ্য চৰকাৰ বিলাকে ইন্ধন যোগাব লাগিব। ৰাজ্য চৰকাৰ বিলাকে একো নকৰি বহি থাকিলে কেন্দ্ৰীয় চৰকাৰে একো কৰিব নোৱাৰিব। মই ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণী মাৰিলো। ধন্যবাদ।

শ্ৰীজ্ঞানেন্দ্ৰ বসুমতাৰী : মাননীয় সভাপতি মহোদয়, আমি আমাৰ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি কেইটামান বক্তব্য ৰাখিব বিচাৰিছো। অসমত জনজাতি

সকলৰ কাৰণে বহুতো সুবিধা দিয়া হৈছে। এইটো কথা সকলোৰেই দেখা পাইছে। কিন্তু আচলতে কাৰ্য্যক্ষেত্ৰত এটাও নাই। জনজাতি সকলৰ কাৰণে ৰাজ্যিক উপদেষ্টা সমিতি আছে, জনজাতি উন্নয়ন নিগম আছে, জনজাতি উন্নয়ন কৰ্তৃপক্ষ আছে, ট্ৰাইবেল বেল্ট আৰু ব্লক আছে, শাজহন কাৰণে ব্যৱস্থা আছে. টি এচ পি আছে, টেন পাৰচেণ্ট বিজাৰভেচন আছে, ইয়াৰ বাহিৰেও আই টি ডি পি আছে, ওয়েলফেয়াৰ বৰ্ড আছে, এচ চি, এচ টি কমিটি আছে ইয়াৰ বাহিৰেও নিম্নীত অসম একৰ্ডৰ ১০ম অধ্যায় আছে। ইমান বিলাক সা-সুবিধা অসমৰ জনজাতি সকলে পায়। কিন্তু কৰবৈলৈ গলে এটাও কাৰ্য্যকৰী হোৱা নাই। এই সকলোবিলাক কোনে চলাইছে? আচল কথা এইটোৱেই। এই সকলোবিলাক থকা স্বত্বেও আজি অসমৰ জনজাতি সকলে আন্দোলন কৰিবলগীয়া হৈছে কিয়? ইয়াৰ কাৰণ কি? ইয়াৰ আচল কাৰণ হল সকলোবিলাক বৃহৎ অসমীয়া সকলৰ হাততে আছে। জনজাতি সকলেও কোনো সুৰক্ষাৰ ব্যৱস্থা পোৱা নাই, ৰক্ষণা-বেক্ষণৰ ব্যৱস্থা পোৱা নাই। আজি জনজাতি সকলৰ মাজত এনেকুৱা এটা ধাৰণা হৈছে যে অসমৰ বৃহৎ অসমীয়া সকলৰ হাতত জনজাতি সকল সদায়েই বঞ্চিত হৈ থাকিব লাগিব। নগালেণ্ড হোৱাৰ লগে লগেই কছাৰী ৰাজ্যৰ ৰাজধানী ডিমাপুৰ নগালেণ্ডক দি দিয়া হ'ল। কি যুক্তিত ডিমাপুৰ নগালেণ্ডক দি দিয়া হ'ল?

আজি বড়ো সকলক চাপেছ কৰি ৰখা হৈছে। আজি স্বাধীনতা পোৱাৰ 40 বছৰ হল। মই ধন্যবাদ দিছো কিন্তু আমাৰ মাননীয় অধ্যক্ষ মহোদয় এতিয়া নাই। তেখেতে এবাৰ আমাক নিজৰ চেম্বাৰলৈ মাতিছিল। ট্ৰাইবেল সম্পৰ্কত আলোচনা কৰাৰ বাবে আমাৰ অপজিশান পাৰ্টিৰ মানুহ নাছিল আমাৰ বিনয় বসুমতাৰী ডাঙৰীয়াও নাছিল। মই আৰু অমৃতলাল বসুমতাৰী গৈছিলো আৰু আলোচনা কৰিছিলো। ট্ৰাইবেল বেল্ট আৰু ব্লক হোৱাৰ কাৰণে তেখেতে উদাৰ মনেৰে এটা কথা কৈছিল "বিণিকি বিণিকি সুৰ এটি আহে জানো কৰবাৰ পৰা" আজি ট্ৰাইবেল আৰু ব্লক বিলাকক এক্সপ্লইট (expolitation) কৰা হল। সৰল অন্তৰেৰে আমি অসমীয়া সকলেও ত্যাগ স্বীকাৰ কৰিব লাগিব। তেতিয়াহে অসমৰ সংস্কৃতি আৰু ঐক্যতা বজাই ৰাখিব পাৰিম। আজি তেখেত থকা হলে মই তেখেতৰ সন্মুখত কলোহেতেন। নাই যদিও কম। আৰু ধন্যবাদ দিছো। এনেকুৱা এজন আগশাৰীৰ নেতা যি

উদাৰ মনেৰে কৈছে তেনে নেতা যদি আজি ৪০ বছৰত ৮ জনো ওলালহেঁতেন। এ. জি. পিৰ দিনত এজন ওলাল। তাৰ বাবে ধন্যবাদ দিব লাগিব। কিন্তু আজিৰ যুগত যেতিয়া অসমৰ নেতাসকল ৰাজগাদীত বহিছে কিন্তু নিজৰ ভিতৰতে থান-বান হোৱাৰ অৱস্থা হৈছে। ১৯৭১ চনত মই বাংলাদেশলৈ গৈছিলো। তেতিয়া তালৈ ইন্দিৰা গান্ধীও গৈছিল। আমি তুৰাৰ ডি. চিৰ পৰা অনুমতি লৈ ৰিলিফ লৈ গৈছিলো। ঢাকালৈ যাওঁতে ইন্দিৰা গান্ধীও লগতে আছিল। তাত বহুত মানুহ গোট খাইছিল। ইফালে দেখিলো শ্বহীদ বেদী। বাংলাৰ মানুহে গাইছিল—

> "এক সাগৰেৰ ৰক্তেৰ বিনিময়ে
> বাংলাৰ স্বাধীনতা আনলে যাৰা
> আমৰা তোমাদেৰ ভুলবনা।"

এ. জি. পি চৰকাৰেও বহুত ৰক্ত দান দি কংগ্ৰেছৰ পৰা স্বাধীনতা লাভ কৰিলে। শেখ মুজিবুৰ ৰহমানৰ দৰে এতিয়া ভাঙো ভাঙো লাগিছে। যি কি নহওক এ. জি. পি চৰকাৰে জনজাতীয় সকলৰ কাৰণে ত্যাগ স্বীকাৰ কৰিব লাগিব তেতিয়া নিশ্চয় অসম আকৌ সোণৰ অসম হব। ১১টা উপায় জনজাতীয় সকলক অসম চৰকাৰে দিয়া স্বত্বেও অসমৰ জনজাতি সকল আন্দোলন কৰিবলৈ বাধ্য হৈছে। এই আন্দোলনকাৰী সকলক বীৰ পুৰুষ বুলি কব লাগিব। আৰছুৰে পুলিচৰ লগত যুদ্ধ কৰিছে। কাৰণ জাতিৰ স্বাৰ্থ ৰক্ষা কৰিব লাগিব। জাতিক ৰক্ষা কৰিব লাগিব। যোৱা কালি বিনয় বসুমতাৰী ডাঙৰীয়াই ট্ৰাইবেল অধিবিটিৰ সম্পৰ্কত প্ৰস্তাৱ আনিছে। ট্ৰাইবেল অধিবিটিৰ অঞ্চলৰ পৰা মোকো দৰ্খাস্ত বিচাৰিছিল। মই চিদলী সমষ্টিৰ পৰা ২৩০ খন দৰ্খাস্ত আনিছো। মই মুখ্যমন্ত্ৰীক জনাব বিচাৰিছো যে, এই দৰ্খাস্ত সমূহৰ ভিতৰত ১৬০ জন নিবনুৱা শিক্ষিত যুৱক আছে। তেওঁলোক আজি আৰছু হৈছে। যথা সময়ত তেওঁলোকক যদি জীৱন নিৰ্ব্বাহৰ বাবে চৰকাৰে সাহায্য দিলেহেঁতেন তেতিয়াহলে অসম বিপদৰ সন্মুখীন নহলহেঁতেন? এটা সুপৰিকল্পিত ভাৱে তেওঁলোকে জীৱন নিৰ্ব্বাহ কৰিলেহেঁতেন আৰু উন্নতি হলহেঁতেন।

আজি যি জনজাতি আন্দোলন হৈছে এই আন্দোলন ভয়ানক হৈ উঠিছে। সময় থাকোঁতেই যদি সমাধান কৰা নহয় তেনেহলে এসময়ত ই বিষময় অৱস্থা কৰিব। নিৰীহ প্ৰাণী আদি হত্যা কৰিবলৈ দিব নোৱাৰো।

পি, টি, দিয়ে দিব নোৱাৰে। আমাৰ এ, জি, পি চৰকাৰৰ ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ তিনিজন মিনিষ্টাৰ আছে। মহেশ্বৰ হৈছে হোম মিনিষ্টাৰ। তেখেতে পুলিচৰ দ্বাৰা অনাহুক হত্যা কৰিছে। আৰু পুলিচবো হত্যা হৈছে। অফিচাৰবো হত্যা হৈছে। তেওঁ হৈছে গড অৱ ডেচট্ৰাকচন। ব্ৰহ্মা হল আমাৰ স্পীকাৰ ডাঙৰীয়া। তেওঁ জন্ম দিয়ে। আৰু মুখ্যমন্ত্ৰী মহোদয় হৈছে বিষ্ণু। তেখেতৰ ওচৰত ৰাজনীতি বিভাগ আছে। আৰু তেখেতে সকলোকে পোহপাল দিছে। গতিকে যদি আজি অসমত জনজাতিক কোলাত সাৱতি লৈ পিয়াহ খোৱাব নোৱাৰো তেতিয়াহলে অসম জীয়াই থাকিব নোৱাৰে। এইটো কৰিব নোৱাৰিলে অসম জলি যাব। আন্ধাৰ হব।

মাননীয় চেয়াৰমেন মহোদয়, আমাৰ যিটো টি, এচ, পি গ্ৰাণ্ট আছে, ওৱেষ্টফেয়াৰ বোৰ্ড আৰু আই,টি, ডি, পি সম্পৰ্কে অলপ কব খুজিছো। বিশেষকৈ ফিচাৰীৰ সম্পৰ্কত। মই ১৯৮৭ চনৰ পৰা অলপ ৰাজহুৱা কাম কৰিছো সেই কাৰণে এই ক্ষেত্ৰত মই বিশেষভাৱে জানো। ফিচাৰী গ্ৰাণ্টটো এটা বেকাৰিং গ্ৰাণ্ট ট্ৰাইবেল সকলৰ কাৰণে। সেইটোত এটা নৰ্মচ আছে। ·৫ হেক্টৰত পুখুৰী খন্দাৰ কাৰণে ৩ শ টকা দিয়ে। এনেকুৱা হৈছে যে ট্ৰাইবেল সকলে মাছ পোহাৰ ক্ষেত্ৰত কি হৈছে? বহুবি বহুবি ধনী সকলেহে পাই আছে। ফিচাৰী অফিচাৰ যায়, চাৰ্ভে কৰে, পুখুৰী ডাঙৰ কৰি দেখুৱায়। পুখুৰীটো আধা বিঘা হলেও ১ বিঘা মাটি হিচাপে দেখুৱায়। তাৰ পিচত অহা যোৱাৰ বাবে চাহপানীৰ বাবে পইচা খৰচ আছেই। আমি সেইবিলাক খৰচ দিয়া সম্ভৱ নহয়। চৰকাৰক ৰিপৰ্ট দিওঁ তেওঁলোকে সময়মতে পইচা পায়। এইটো হৈছে আজিৰপ্ৰচেচ।

(ভইচ: হাফ পাৰচেণ্ট দিব লাগে নেকি?) ৫০% নহয়। সেই কাৰণে মই কওঁ যে ফিচাৰি কৰিবৰ কাৰণে পুখুৰী বান্ধি দিব লাগে য'ত নেকি মাছো দিয়াৰ ব্যৱস্থা থাকে। সেইখিনি কৰিলে আমাৰ ট্ৰাইবেল সকল উপকৃত হব। তাৰ পিচত মই ভেটেনেৰীৰ ক্ষেত্ৰত কব খুজিছো যে হেজাৰ হেজাৰ গৰু কিনি নিয়ে। গতিকে অফিচাৰ সকলে টেনদাৰ দিয়ে। মোৰ তাত এজন অফিচাৰ আছে, কালাম। তাৰ পিছত টেনদাৰ কৰি ট্ৰাকেৰে গৰু লৈ যায়। মোৰ এজন বেনিফিচাৰীকো চিঠি দিছিল গৰু নিয়াৰ বাবে। তেওঁ গৈ দেখিলে এটা গৰু মৰি আছে আৰু আনটো জীৱিত অৱস্থাত আছে। মোক আপত্তি দিছে। মই কলো বেয়া যদি লব

নালাগে। কিন্তু তেওঁ আজিলৈকে পোৱা নাই। যাৰ্চি গাইৰ ক্ষেত্ৰত ২৯ শ টকা দিব লাগে। মোৰ এজন নিজৰ বেনিফিচাৰীক দিছে ১৫ শ টকা তাৰ পিচত এই বিলাকেই আজি ট্ৰাইবেল সকলৰ কাৰণে হৈ আছে। মই ভাবো আমাৰ ট্ৰাইবেল সকলৰ কাৰণে যদি এই চৰকাৰে একো কৰিব নোৱাৰে তেতিয়াহ'লে চৰকাৰ তিষ্ঠি থকা অসুবিধা হব। গতিকে সময় থাকোতেই এই ট্ৰাইবেল সকলৰ উন্নয়নৰ কাৰণে সকলো প্ৰকাৰে চেষ্টা কৰিব বুলি আশা কৰিলো।

Shri Binai Khungur Basumatary: Mr. Chairman, Sir, in support of my cut Motion, I wish to observe certain basic. Sir, this Grant No. 38 is for the welfare of the Scheduled Castes and Scheduled Tribes and Other Backward Classes. That is the heading. If that is the basic conception, then the entire money, every penny, should be used for the welfare of the Scheduled Castes and Scheduled Tribes. But, Sir, what do we find? We find that this department is run by non-tribals, non-scheduled-castes non-tribals and non-other-backward classes people. So, the very purpose of this allocation is defeated and that is why there is so much of non-attention to this department. Second point, Sir, since the inception of this department was always headed by a person belonging to an ethnic Tribal community and that too the position of a Cabinet Minister. But, Sir, unfortunately this department is now headed by a person whose rank is not a Cabinet Minister. Now, Sir, since the Chief Minister himself is in-charge and the Chief Minister has given top priority to the development of the tribals, so he is only taking the assistance of a Minister of State. But yesterday we found that in course of our resolution the Chief Minister was not able to devote his full time service to this department. Then, Sir if we go further down, then we will find that in the administrative and executive sides, we have a Commissioner. But he is not entrusted with the job of this department alone. He is entrusted with several other departments. Under the circumstances, we cannot expect justice and fairplay in

this department. Sir, coming to this grant at page 3, I wish to point out other minor heads-6225-Loans for welfare of SC/ST and other Backward Classes-(I). Sir, nothing has been provided in general plan and non-plan areas but only Rs. 18,78, 92,000 lakhs under plan of budget in 6th Schedule areas are provided.

Then, Sir, a question will arise as to what are the facilities for loan for Scheduled castes-and Scheduled-tribes for the plan areas. Then, Sir, in page 5 & 6 we will find that the total budget allocated for the welfare of Scheduled Tribes amounts to Rs. 9,63,000 in plan areas and in non-plan areas it comes to Rs. 61,97,000. So the total grant of welfare of plain Tribes Deptt. comes to Rs. 1,11,00,000. Then, Sir, if we go further down and study the analysis of this allocation then we will find that about a crore of rupees is provided for the Scheduled-castes & Scheduled-tribes-students in respect of scholarships. Now, Sir, the point is whether there has been any survey to the actual needs of the scholarships of scheduled castes and scheduled tribes students ? No, nothing has been done in this respect. As a result of that many of our students did not get the Scholarships either in pre-matric or post-matric levels. Then, Sir, there are certain major problems. Our previous speakers have referred to certain facilities for the development of the Scheduled Castes and Scheduled Tribes. In this connection, Sir, I wish to refer to certain provisions of the constitution of India. This is from the Ffth Schedule-Article 244 (1) Part (B) relating to Tribes Advisory Council It says that, "There shall be established in each State having Scheduled Areas therein and, if the President so directs, also in any State having Scheduled Tribes but not Scheduled Areas therein, Tribes Advisory Council consisting of not more than twenty members of whom, as nearly as may be, three

fourths shall be the representatives of the Schedule Tribes in the Legislative Assembly of the State."

Has the Government of Assam been able to stick to this provision ? Presently, there is an Advisory Council though this Council is entrusted to scrutinise the budget allocations, the Council is presented with the Budget allocation prepared by the officers and under this allocation there are many useless heads which did not give any return to the tribal people, scheduled caste, scheduled tribes any one else. When this Council decides that such allocation should be removed or changed, it is not done. Why, because vested interested have developed into this department. Therefore Sir, this Council is not in operative now. I think this Council was convened sometime last year in the month of August and thereafter, it has not sat. So, the present Government has failed to honour this provision in the Article of the Constitution of India. Then in regard to many other Articles also, like Article 46, there is no proper implementation and this Government has failed to show any developmental activities of the tribal people. So, a stage has come when it is no longer possible to fulfil the aspirations and desires of the schedule tribes people of Assam and therefore, I today again reiterate that Assam should be divided and special areas should be made for the Schedule Tribe people of Assam a separate state. It is the only reasonable solution now. My previous speaker Mr. Basumatary had lauded the sentiments of the Speaker but what is the position of a Speaker ? He is the head of the House, he can give only observation but he does not have any machinary to implement these feelings. Which he cannot and should not. As soon as he becomes the Speaker he is the man for all of us, he loses his party affiliation. He loses his all personal feelings but it is good that our present Speaker might be having some honourable sentiment as enunciated

by my previous Speaker but who will implement such sentiments ? Today we have seen that this Government is dilly-dallying to solve the tribal problems. There is a running feud going on between the All Bodo Students Union and the Government of Assam and even the Government of Assam has not come forward to sit down and solve the problem, then who will implement the sentiments of the Speaker ? I do not know whether this House or even the country realises today that for the last 40 years there has been so much of facilities enshrined in the Constituion of India but all of them had not been fulfilled. Now, the question to-day is whether this provision of the Constitution of India would be extended again or not. Next year, in the year 1990 all the protective provisions for Scheduled Castes and Schedule Tribes are going to end. Recently we have heard that the Prime Minister of India have promised that this will be extended but we do not know whether the Prime Minister of India had taken any step to carry out his declaration in the Parliament or not. We do not know whether even after 40 years the projection under the Constitution of India has been fulfilled or not. So now, are these protective provisions going to be extended ? It is fair on the part of the Schedule Castes and Schedule Tribes also to understand and to evaluate whether as per the objectives of the Constitution we have arrived at a stage where reservation is no longer possible. Then what is the scale, through which scale, can we arrived at this conclusion ? That scale has not been thought out, neither by the Government nor by the members of the scheduled castes and scheduled tribes neither it has been project by the Parliament of India. What is the stage at which the scheduled tribes will be considered equal with the general people ? what will be the stage ? Wwill it be a stage decided on literacy level or economic level or will it be a stage of social and other

rights of the people ? So Sir, nothing has been decided. So, we are heading to an abyss where there is no clear definition. So, what the Government either in the state or in the centre think about Tribals are they worth at all considered as people living in this country ? Now Sir, if we go through the terrors and fears of the Tribals presently in Assam you will find that the Government of India and Government of Assam has written of the Tribals particularly the Bodos. We are not fit to be recognised as people, we are not fit to live as civilised groups in the society. In Kokrajhar we have heard that while a woman was delivering and the baby was about to come out from the mother's womb at that moment she was mercelessly beaten by police Sir, can there be any other instance of terroriem in any civilised country ? I say, 'no'. Mr. Chairman, Sir, we are heading the tribal people to a dark era of our civilisation and the Government should not feel complacent because they will not only fool you but also others. We are definitely going to publl down all together into this abyss Therefore, I want through this cut motion that there should be reavaluation and new projections for the development of the tribal and the mentality of this Government should be changed to provide real succur of development to the tribals. Sir, I have said earlier that when you want to do something for the welfare of the backward classes people then everything must be done. If this department would have been headed by an officer belonging to the backward classes then there would have some sort of sensibility and everyone would have felt the pangs and terrors of the people he belongs. He would have, probably, tried to being relief to his fellow tribes people; to his fellow human beings, But again, I have said that the entire money should have been given for the benefit of the tribal people. I have also said earlier that this department is being run by a non-tribal, who does not

belong to scheduled castes scheduled tribes or other backward classes. He belongs to the high-class society and feel very radiant. Sir, and the argument is that the level of education of the tribal people is much below the level of other people. So, how can you expect that justice will be done by employing the scheduled tribes, scheduled castes or other backward classes people in this department? Sir, then my question will be if they are so educated and if they belong to the highclass society why are not they able to fulfil the objectives laid down by the Constitution of India knowing that these people are coming from the bottom rung of the society. That is my question, Sir, With these few words, I conclude my speech.

* শ্ৰীকুমাৰ দীপক দাস : মাননীয় সভাপতি মহোদয়, অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি আৰু পিচপৰা শ্ৰেণীৰ কল্যাণৰ কাৰণে যিখিনি মঞ্জুৰী মন্ত্ৰী মহোদয়ে বিচাৰিছে তাৰ প্ৰতি সমৰ্থনত আৰু কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি কেইটামান কথা কব বিচাৰিছো। আজি অসমৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ যি সমস্যা সেই সমস্যা বিলাক সমাধানৰ দিশত যিটো মাধ্যম সেইটো যদি ঠিকমতে ব্যৱহাৰ কৰিব পৰা নহয় তেতিয়াহলে অসমৰ ইতিমধ্যে যি দুই এটা আঁচনি এই দিশত লোৱা হৈছে সেই আঁচনিৰ দ্বাৰা এই মানুহখিনিক প্ৰকৃতাৰ্থত উপকৃত কৰিব পৰা নহব। আৰু মানুহখিনিক উপকৃত কৰিব নোৱাৰিলে কেৱল আঁচনিৰ দ্বাৰাই সমস্যাসমূহ সমাধান কৰিব পৰা নহব। সেই কাৰণে মই ভাবো আজি যি টকা মঞ্জুৰী হিচাবে বিচাৰিছে সেই টকাৰ জৰিয়তে পৰিকল্পিত ভাৱে এই পিছপৰা আৰু অনুসূচীত জাতি আৰু জনজাতি সকলৰ কাৰণে উন্নয়নমূলক কাম কাজৰ ব্যৱস্থা কৰিব লাগিব। তাৰ কাৰণে মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ ৰাখিলো। ইতিমধ্যে বহুখিনি আঁচনি ৰাজ্য চৰকাৰে কাৰ্য্যকৰী কৰাৰ কাৰণে ব্যৱস্থা হৈছে আৰু বহুখিনি টকাও খৰচ কৰা হৈছে কিন্তু প্ৰকৃতাৰ্থত জনজাতীয় আৰু পিচপৰা শ্ৰেণীৰ কাৰণে বা অন্যান্য পিচপৰা সম্প্ৰদায়ৰ কাৰণে সিমানখিনি কাম হোৱা নাই। শতকৰা নবৈব ভাগ সমস্যা

* Speech not corrected.

সমস্যা হৈয়েই আছে। সেই কাৰণে বাজেটত ধাৰ্য্য কৰা টকাখিনি যাতে সঠিক ভাৱে খৰচ কৰিবপৰা হয় তাৰ কাৰণে তৎপৰ হবলৈ আৰু তেনেকুৱা ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। যদি সেইটো কৰিব পৰা নাযায় তেতিয়াহলে এই সমস্যা আৰু গধূৰ হৈ যাব আৰু পৰিবেশ লক্ষ্যণীয় ভাৱে সলনি হব পাৰে। মাননীয় সদস্য সকলে কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি তেখেত সকলৰ বক্তৃতাত বিভিন্ন দিশ উনুকিয়াইছে কিন্তু মই ভাবো এই শিতানত মঞ্জুৰ কৰা টকাখিনি ঠিকমতে কাম হোৱা নাই কাৰণেই বৰ্ত্তমান খেলিমেলিৰ সৃষ্টি হৈছে। ইয়াৰ আগতে যি সকল দায়িত্বত আছিল সেই সকলৰ দিনৰ পৰাই ঠিকমতে দায়িত্ব পালন কৰা নাছিল কাৰণেই আজি অসম গণ পৰিষদ চৰকাৰ অভাৱ পিচত এইবিলাক ভুগিবলগীয়া হৈছে। এইটো নতুন সমস্যা নহয়। ই দীৰ্ঘদিনীয়া সমস্যা। আগতে কাৰ্য্যকৰী ব্যৱস্থা লোৱাহেতেন আজি এই অৱস্থা নহ'লহেতেন। সেই কাৰণে এই দিশত তৎপৰ ব্যৱস্থা লবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। আশাকৰো মন্ত্ৰী মহোদয়ে টকা আদি খৰচ কৰাৰ ক্ষেত্ৰত মনোযোগ দিব। যি টকা ধাৰ্য্য কৰা হৈছে তাৰ দ্বাৰা স্কুলঘৰ নিৰ্ম্মান আদি কামত খৰচ কৰা হৈছে যদিও বহু ক্ষেত্ৰত টকা বিলাক মুকলি কৰি দিয়া নাই কাৰণে অসুবিধা হৈছে। যিবিলাক কমিটি আছে সেই বিলাকে হিতাধিকাৰী সকলৰ নিৰ্ব্বাচন কৰি দিয়াৰ পিচতো টকাখিনি মুকলি কৰি নিদিলে অসুবিধা হয়। সেই কাৰণে এই দিশত চকু দিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। মই নিজে বৰপেটা আৰু নলবাৰী জিলাৰ এনেকুৱা কথা জানিব পাৰিছো। সেই দিশত গুৰুত্ব দিব লাগে। আনহাতে বহুত কেইজন মাননীয় সদস্যই ৰাজ্যিক চৰকাৰক ইয়াৰ বাবে দোষাৰোপ কৰিছে কিন্তু মই ভাবো কেন্দ্ৰীয় চৰকাৰৰ সাহায্য অবিহনে আঁচনি বিলাক ৰূপায়ন কৰাটো ৰাজ্যিক চৰকাৰৰ কাৰণে সম্ভৱ নহয় সেই কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ ক্ষীপ্ৰ কৰি হলেও এই সহযোগ আদায় কৰাৰ ব্যৱস্থা কৰিব লাগে। কিয়নো দৰিদ্ৰৰ সীমাৰেখাৰ তলত থকা লোকক ওপৰলৈ অনাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা যি ধন আহিব লাগে সেইটো সময়মতে নহাৰ কাৰণে আমাৰ ৰাজ্যিক চৰকাৰৰ অসুবিধা হয়। যদি কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা সময়মতে নাহে তেনেহলে ৰাজ্যিক চৰকাৰ আৰু পুনৰ বিপদৰ সন্মুখীন হব লাগিব। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ নেতিবাচক দিশটোৰ মই বিৰোধীতা কৰো।

ইয়াৰ কাৰণে মই ভাবো কেন্দ্ৰীয় চৰকাৰ আগবাঢ়ি আহিব লগে আৰু প্ৰয়োজন হলে আমাৰ এটা সৰ্বদলীয় কমিটি গৈ কেন্দ্ৰীয় চৰকাৰক হেঁচা দিব লাগে যাতে আঁচনিৰ টকাবিলাক সময়মতে দি কাম সুচাৰুৰূপে কৰাত সহায় কৰে মই আৰু বিশেষ নকওঁ। এইখিনি কৈয়েই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

* শ্ৰীপদ্মনাথ কৈৰী : মাননীয় সভাপতি মহোদয়, অসম বিধান সভাত উত্থাপন কৰা এছ জি এছ চি সংক্ৰান্তত যিখিনি টকা বিচাৰিছে সেইখিনি সমৰ্থন জনাই দুষাৰ কবলৈ ওলাইছো। সভাপতি মহোদয়, সমৰ্থন এই কাৰণেই কৰিবলগীয়া হৈছে যে আগৰ চৰকাৰৰ দিনত কি হৈছিল মই নাজানো বৰ্ত্তমান চৰকাৰৰ দিনত যিমানেই সমালোচনা নহওক যি যি শিতানত টকাবিলাক দিয়া হৈছে সেইখিনি টকাৰে ৭০ শতাংশ হলেও হৈছে। আমাৰ মাননীয় সদস্য চিলভিয়াছ কন্দপান ডাঙৰীয়াই মোক বন্ধুত্বভাৱে কৈছিল আমি কাম কৰা নাই কাম কৰাইছো।

(সদনত হুলস্থুল হয়, কেইবাজনো সদস্যই একেলগে থিয়হৈ কয়)

সভাপতি মহোদয়, কিছুমান ঠাইত ব্লেক টপিং হৈছে কিছুমানত কৰিব পৰা নাই। যিহেতু আমি আই কংগ্ৰেছৰ মানুহ। আই কংগ্ৰেছৰ বিধায়ক সকলে এই বিলাক কৈ সুবিধা লৈছে। সকলোৱে যাতে আই কংগ্ৰেছৰ ফালে সহযোগ কৰে।

শ্ৰীঅমৃতলাল বসুমতাৰী : সভাপতি মহোদয়, টি এছ পি এৰিয়া তেওঁলোকৰ সমষ্টিত পৰে নে নপৰে।

শ্ৰীপদ্মনাথ কৈৰী : সভাপতি মহোদয়, যিখিনি টকা দাবী মঞ্জুৰী উত্থাপন কৰা হৈছে সেইখিনি টকা চৰকাৰে নিদিয়া নহয়, দিছে। আমাৰ বিশেষকৈ জনজাতি সমস্যাবিলাক উদ্ভৱন হোৱাৰ মূলতে হৈছে চৰকাৰে তেওঁলোকৰ সমস্যাবিলাক সমাধান কৰিব পৰা নাই। যদিও চেষ্টা কৰিছে তথাপিও কিছুমান ক্ষেত্ৰত অসন্তুষ্ট হৈ আছে। তেওঁলোকক বাস্তৱতে দিব লাগিছিল যদিও মাজতে যি বিজুতি ঘটি আছে সেই বিজুতি বিলাক আঁতৰ কৰিব লাগে। আমাৰ জনজাতি ভাই সকলে কিছুমান ডাঙৰ ডাঙৰ সমস্যা লৈ আছে। তেওঁলোকে যিবিলাক বস্তু বিচাৰি আছে সেইবিলাক নাপায়। যেনে—সংস্থাপন

---

* Speech not corrected.

কিছুমান দৈনন্দিন সামগ্ৰী পাব লাগিছিল সেই বিলাকৰ পৰা বঞ্চিত হৈছে। আমাৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ আৰু পাহাৰীয়া লোক সকলৰ কাৰণে ওৱেলফেয়াৰ বোৰ্ড গঠন কৰা হৈছে। যি সকল লোকক ৩ হেজাৰ দিব লাগে তেওঁলোকক ২ (দুই) হেজাৰ টকা দিয়ে। যাক ৭০০ (সাত শ) টকা দিব লাগে সেই ৭০০ শ টকাৰ ঠাইত ২০০ (দুশ) টকা দিয়ে। এই কাৰণে মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। সদনত বহুতো জনজাতি সদস্য আছে। দুৰ্ভগীয়া চাহ মজদুৰ সকলক এছ টি শাৰীত অ বি চি শাৰীত লাগে বুলি দাবী জনাই আহিছে অসম চৰকাৰে আলোচনাৰ বাবে মাতিছেও। কিন্তু আজিলৈকে স্বীকৃতি পোৱা নাই। স্বীকৃতি দিয়াৰ বাবে বহুতবাৰ অনুৰোধ জনাই অহা হৈছে। আমি অনুমান কৰিছো ১৯৭১ চনত যিটো লোকপিয়ল আছিল তাক ঠাই বিশেষে কৰা হৈছে সেই হিচাব মতে এক চতুৰ্থাংশৰ ভিতৰতহে আমি পৰো। ১৯৮৭-৮৮ চনত ৫৩ লাখ টকা দিছিলে। গাইপতি এটকাও নপৰে। এইদৰে সকলোকে ঠগোৱা হৈছে। ২৯ লাখ টকা বেলেগ বেলেগকৈ ধৰি দিয়ে। সেই ৫৩ লাখ টকা যাতে সৎ ব্যৱহাৰ কৰিব পাৰে তাৰ প্ৰতি চৰকাৰে চকু দিব লাগে। বিভাগীয় দোষৰ কাৰণে চৰকাৰৰ মূৰত বজ্ৰপাত পৰে। অলপতে আমাৰ কামৰূপত নে গোসাইগাওঁত ওৱেল ফেয়াৰ বোৰ্ডে গৰু কিনিবৰ বাবে ৭০০ শ টকাৰ ঠাইত ২০০ শ টকা দি পঠিয়াই দিয়ে। এনেকুৱা মানুহ আছে ৭০০ শ টকা পালে ঘৰতগৈ ঘৈনীয়েকক দি মাটিত এখন এৰাংকৈ থৈ গল্টি কৰা মানুহো আছে। যি সকলে ২৫০০ টকা পাব লাগে তেওঁলোকক ৭০০ শ টকা দি ঠগাৰ দৃষ্টান্তও আছে। এই বিষয়ে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

শ্ৰীভৰত নৰহ : মাননীয় সভাপতি মহোদয়, অনুসূচীত জাতি জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণী সকলৰ কাৰণে ১৯৮৯-৯০ চনৰ বিত্তীয় বছৰটোত মাননীয় মন্ত্ৰী ডাঙৰীয়াই যি দাবী মঞ্জুৰী উত্থাপন কৰিছে সেইটো মই সমৰ্থন কৰিছো আৰু বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে সেইটো মই বিৰোধিতা কৰিছো। মাননীয় মন্ত্ৰী ডাঙৰীয়াক অৱশ্যে মই এই বিষয়টোৰ ওপৰত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো কাৰণ আমাৰ মাননীয় সদস্য অমৃতলাল বসুমতাৰী ডাঙৰীয়াই কৈ গৈছে আনুষ্ঠানিক ভাৱে আমাৰ যিটো বেকলগ আছে, অনুসূচীত জাতি, জনজাতি আৰু পাৰ্ব্বত্য অঞ্চল বিলাক উন্নত কৰাৰ ব্যৱস্থা লব লাগে।

অনুসূচীত জাতি, জনজাতিৰ দায়িত্বত যি গৰাকী সদস্য আছিল তেখেত এতিয়া মন্ত্ৰী হৈছে। তেখেতে এই বিষয়ে সকলো ৰিতংভাৱে জানে। তেখেত বিধান সভা এচ, টি কমিটিৰ চেয়াৰমেন আছিল। বেকলগৰ বিষয়ে গোটেইখিনি জ্ঞান আহৰণ কৰা আছে। সেইকাৰণে এই গুৰুত্বপূৰ্ণ ভূমিকাটো লব পাৰিব। এতিয়া অনুসূচীত জাতি, জনজাতি ১১,২৬১ টা পদ অপূৰণ হৈ আছে। অনুসূচীত জনজাতিৰ ৫,৫৩৪ টা, পাৰ্ব্বত্য জনজাতিৰ ৪,১২৭ টা আৰু অনুসূচীত জাতিৰ ১,৫৮০ টা। এতিয়া গ্ৰেড—I ৪৪৯, গ্ৰেড—II ২৪৭, গ্ৰেড—III ৩,৫৪৬, গ্ৰেড—IV ১,২৯২ টা। পাৰ্ব্বত্য জনজাতিৰ গ্ৰেড—I ৩১৬, গ্ৰেড—II ৪০৪, গ্ৰেড—III ২,৪৯৬, গ্ৰেড—IV ৯১১। আসাম পাব্লিক চাৰ্ভিচ কমিশ্যনে ৩ জন অৱৰ সচিবক উপ-সচিবলৈ প্ৰমোচন দিলে। ৬ জন চুপাৰিনটেনদেণ্টক অৱৰ সচিবলৈ আৰু ৯ জন উচ্চ বৰ্গসহায়কক চুপাৰিনটেনদেণ্টলৈ প্ৰমোচন দিলে। তাত এজনো জনজাতীয় প্ৰাৰ্থী নিযুক্তি আৰু প্ৰমোচন পোৱা নাই। বিধিমতে অন্ততঃ এজন প্ৰাৰ্থীয়ে হলেও পাব লাগিছিল। মাননীয় মন্ত্ৰী মহোদয়ে সেই বিষয়ে এ, পি, এচ, চিৰ লগত যোগাযোগ কৰিলে ভাল হয়। অলপতে অসম চৰকাৰে এজন লোকক লেবাৰ ইন্সপেক্টৰ হিচাবে নিযুক্তি দিছে আৰু আন এজন লোকক এনফোৰচমেণ্ট ইন্সপেক্টৰ হিচাবে নিযুক্তি দিছে। জীতেন্দ্ৰ গগৈক লেবাৰ ইন্সপেক্টৰ হিচাবে নিযুক্তি দিয়া হৈছে আৰু তেওঁ অনুসূচীত জনজাতি হিচাবে চাৰ্টিফিকেট দাখিল কৰিছে। জয়প্ৰকাশ আগৰৱালা বোলা লোকজনক লেবাৰ ইন্সপেক্টৰ দিয়া হৈছে, তেওঁ চাৰ্টিফিকেট দিছে, জয়প্ৰকাশ আগৰৱালাৰ দেউতাক মাৰোৱাৰী আৰু মাক অনুসূচীত জনজাতিৰ। কিন্তু আমাৰ অসমত বিধিমতে মাক জনজাতিৰ হলে পুতেকে অনুসূচীত জনজাতিৰ অন্তৰ্ভুক্তি দাবী কৰিব নোৱাৰে। অসম চৰকাৰৰ ডব্লিউ, পি, টি আৰু বি, চিৰ আয়ুক্তই এই ফাইলটো বন্ধ কৰি থৈছে আৰু লক্ষীমপুৰ আৰু যোৰহাটৰ ডি চিক জয়প্ৰকাশ আগৰৱালা আৰু জীতেন্দ্ৰ গগৈ অনুসূচীত জনজাতিৰ লোক হয়নে নহয় সেই বিষয়ে অনুসন্ধান কৰিবলৈ নিৰ্দ্দেশ দিছে। কিন্তু এই ফাইলটো শেষত মন্ত্ৰী মহোদয়ৰ ওচৰলৈ কমিশ্যনাৰৰ পৰা গৈছে আৰু এইটো অনুমোদিতও হৈছে। এতিয়া এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু আয়ুক্ত মহোদয়েও এই বিষয়ে জানে। তাৰোপৰি মই মন্ত্ৰী হৈ থাকোতে অসমৰ কিছুমান অজনজাতীয় লোকক

যেনে—কাৰ্বী, কোচ ৰাজবংশী গাৰো, খামাটি, মাদাহী, মান, টাই চুতীয়া আৰু প্ৰাক্তন চাহ শ্ৰমিকক অনুসূচীত জাতিৰ অন্তৰ্ভুক্ত কৰিব লাগে বুলি এটা ফাইল ৰেডী হৈ আছে। তেওঁলোকক অনুসূচীত জনজাতিৰ অন্তৰ্ভুক্ত কৰিব পাৰি কিয়নো সেই সম্পৰ্কত যিবিলাক কণ্ডিশ্যন ফুলফিল কৰিব লাগে, সেইবিলাক সম্পূৰ্ণ কৰিছে। আৰু তেতিয়াৰ আমাৰ আয়ুক্ত মহৰী চাহাবৰ দিনতে ফাইলটো ৰেডী কৰা ৰখা হৈছে। কেবল কেবিনেট এপ্ৰোভেল ললেই হ'ল। ডাই-ৰেক্টৰ ট্ৰাইবেল ৰিচাৰ্চ ইনষ্টিটিউটক এই লোক সকলক অনুসূচিত জনজাতিৰ অন্তৰ্ভুক্ত কৰিব পাৰি নে নোৱাৰি, এই বিষয়ে অনুমোদন বিচৰাত, তেওঁ পৰীক্ষা কৰি চাই পাৰি বুলি অনুমোদন জনাইছে। গতিকে চৰকাৰে খৰ-খেদাকৈ এই কাম কেইটা কৰিব পৰা অৱস্থাত আছে। বাতৰিকাকতত কোচ ৰাজবংশী সকলে অনুসূচিত জনজাতিৰ অন্তৰ্ভুক্ত কৰিব লাগে বুলি কৰা দাবীৰ কথা ওলাই আছে। আৰু চুতীয়া সকলেও দাবী কৰাৰ কথা ওলাইছে। এই বিষয়ে কেবিনেট লগতে প্ৰাক্তন চাহ শ্ৰমিক সকলৰ কথাও ওলাইছে। কিন্তু কেবিনেট চাব চাব কমিটি গঠন কৰা হৈছে বুলিয়ে৷ ওলাই আছে। কিন্তু কেবিনেট চাব কমিটি গঠন কৰা আজি এবছৰ হ'ল, কেবিনেট চাব-কমিটিয়ে ৰিপোৰ্ট দাখিল কৰিছে নে নাই কাৰণ এই সিদ্ধান্ত চৰকাৰে নোলোৱাৰ কাৰণে আৰু ইমান দেৰী হৈছে কাৰণে ইফালে কোচ ৰাজবংশী সকলে আন্দোলন কৰিবলৈ গৈছে আৰু প্ৰাক্তন চাহ শ্ৰমিক আৰু চুতীয়া সকলেও আন্দোলন কৰিবলৈ লৈছে। যদি পাৰে খৰখেদাকৈ এই চৰকাৰৰ দিনতে নিষ্পত্তি কৰাতো ভাল বুলি মই ভাবো এই সমস্যা বিলাক জীয়াই ৰাখিব নালাগে। তাৰোপৰি আৰু উপেন ব্ৰহ্মা চুক্তিৰ লগত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি ৰাখি আলোচনাত বহিব বুলি কৈছিল। কিন্তু তেওঁলোকৰ এই ক্ষেত্ৰত আন্তৰিকতা মুঠেই নাই। আকৌ জনজাতীয় ছাত্ৰ-সন্থাই মাজে মাজে আন্দোলন কৰিছে। চকুৰে দেখিছো আন্দোলনৰ সময়ত দোকান পোহৰ বন্ধ কৰিবলৈ কৈছে জানৰ কেইজনমান লোক ওলাই আহিছে। টাই আন্দোলনতো শিৱসাগৰত মাত্ৰ বংগ্ৰেছ আইৰ লোক ওলাই আহিছে। শিৱসাগৰত যি আন্দোলন হৈছিল তাতো গোটেই কেইজন কংগ্ৰেছ আইৰ ল'ৰা ওলাই আহিছিল।

শ্ৰীগোলোক ৰাজবংশী : আন্দোলনৰ সময়ত আগতে বহুতো কংগ্ৰেছ আইৰ লোকে যোগ দিছিল কিন্তু তেতিয়া যোগদান কৰা বুলি নকলে কিয়, এতিয়া কিন্তু সেই কথাটো কৈছে।

শ্ৰীভৰত চন্দ্ৰ নৰহ : মিচিঙিয়ে মিচিংলেও আৰু আহোমে আহোমলেও নিৰ্বিচাৰে তেওঁলোকে বিচাৰে আইলেও। এই আন্দোলনকাৰীৰ প্ৰতি চৰকাৰে যিটো নৰম আৰু আন্তৰিকতা দেখুৱাইছে সেইটোৰ দৃষ্টিভঙ্গী এতিয়া সলনি কৰিবৰ হ'ল। জ্যোতিবসু পশ্চিমবঙ্গৰ মুখ্যমন্ত্ৰী থাকোতে যেতিয়া নক্সালপন্থীয়ে আন্দোলন কৰিছিল তেতিয়া তেওঁ নৰম আৰু আন্তৰিকতাৰে চেৰা নাছিল, তেতিয়া তেওঁ এই আন্দোলন কঠোৰ হাতেৰে দমন কৰিছিল। আজি যদি আমি নিখিল বড়ো ছাত্ৰ সন্থা আবচু উপেন ব্ৰহ্মা, ৰমেশ পেগু, বিকাশ বৰগোহাই আদি গোট সমূহৰ আন্দোলনক নৰম দৃষ্টিভংগীৰে আৰু আন্তৰিক-ভাবে চাওঁ তেতিয়াহলে অকল ৰাজ্য চৰকাৰেই বিপদ নহয় ই গোটেই অসমীয়া সমাজ খনৰেই বিপদ হব আৰু ৰাজ্যখনে এটা বিপদজনক অৱস্থাত পৰিব। সেইকাৰণে ৰাজ্য চৰকাৰৰ দৃষ্টিভংগী সলনি কৰাৰ সময় এতিয়া আহি পৰিছে। এতিয়া এই আন্দোলনৰ সংক্ৰান্তত চাৰিওফালে ওলাইছে যে অসমত ৰাষ্ট্ৰপতিৰ শাসন হব, গণ পৰিষদ চৰকাৰ ওফৰি যাব, চাৰিওফালে এনেকুৱা অপপ্ৰচাৰ চলিয়েই আছে। গণ পৰিষদৰ মন্ত্ৰী বিধায়ক সকলক মানসিক ভাবে অসুস্থতাক পেলাই এনেকুৱা অপপ্ৰচাৰ চলাই আছে। আনকি বাতৰি কাকতেও এনেকুৱা ধৰণৰ আলোচন সমালোচনা দাঙি ধৰিছে অৱশ্যে তাৰ ভিতৰত কিছুমান আলোচনাৰ ভাল উদ্দেশ্য আছে। বহুতে কৰ্ণাটকৰ কথা কব বিচাৰে, কিন্তু আমাৰ ইয়াত কৰ্ণাটকৰ নিচিনা অৱস্থা হোৱা নাই। দুই এটা কথাত আমাৰ দলৰ বিধায়কৰ মাজত মতানৈক্য হব পাৰে কিন্তু সামগ্ৰিক ভাবে আমাৰ ঐক্য আছে আৰু কৰ্ণাটকত যেনেদৰে লিখি দিছে আমি কিন্তু লিখি নিদিও। আৰু আমাৰ বিধায়ক সকলে তেনেকুৱা অপকৰ্মত হাত নিদিয়ে। মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে চৰকাৰে জন-সাধাৰণক স্পষ্ট কৰি দিব লাগে যে ১৯৯০ চনলৈকে অসমত ৰাষ্ট্ৰপতি শাসন নহয় আৰু এইটো গণ পৰিষদৰ কোনেও নকৰে। আবচু উপেন ব্ৰহ্মা গোটৰ আন্দো-লনৰ পৰিপ্ৰেক্ষিতত আইন-শৃংখলাৰ অৱনতি দেখুৱাই অসমত ৰাষ্ট্ৰপতিৰ শাসন কেন্দ্ৰই দিব নোৱাৰে। এই কাৰণেই ৰাষ্ট্ৰপতি শাসন দিব বুলি যিটো অসুস্থ বাতাবৰণ এইটো নাইকিয়া কৰিব লাগে।

Shri Binai Khungur Basumatary : On a point of carifilation Sir, are we discussing Grant No. 38 or some other thing ?

শ্ৰীভৰত চন্দ্ৰ নৰহ : এতিয়া মই অনুসূচীত জাতি আৰু জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বিভাগৰ কাৰণে যিটো মঞ্জুৰী মন্ত্ৰী মহোদয়ে বিচাৰিছে সেই মঞ্জুৰীৰ প্ৰতি পুনৰ সমৰ্থন আগবঢ়াইছো আৰু বিৰোধী পক্ষই অনা কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামংণি মাৰিছো ।

Mr. Chairman : Now, Shri Hemen Das.

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ বিৰোধী পক্ষৰ বিধায়ক সকলে উথাপন কৰা কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত অলপমান কথা কবলৈ ওলাইছো। আজি ইয়াত কেইটামান কথা শুনিলো, বিশেষকৈ মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়াৰ মুখৰ পৰা জনজাতীয় লোকৰ বাবে যিবিলাক সুযোগ-সুবিধা সেই বিলাক অজনজাতীয় লোকে পাই আছে। বিশেষকৈ গণ পৰিষদৰ ৰাজত্ব কালত আৰু গণ পৰিষদৰ মন্ত্ৰীৰ দিনত এনেকুৱা সুবিধা যে কিমানে পাইছে তাৰ হিচাব নাইকিয়া হৈছে। ই অত্যন্ত দুৰ্ভাগ্যজনক ঘটনা। কোনোবা আগৰৱালা জনজাতি বুলি চাৰ্টিফিকেট দাখিল কৰিছে যিহেতু দেউতাকে জনজাতীয় ছোৱালী বিয়া কৰাইছে। কিন্তু অসম যে মাতৃপ্ৰধান ৰাজ্য নহয় এই সাধাৰণ জ্ঞানখিনি আমাৰ সকলোৰে থকা উচিত আৰু তেওঁক যিয়ে চাৰ্টিফিকেট দিছে সেইজন মানুহো দোষী আৰু জনজাতি বুলি যিয়ে চাকৰি দিছে সিও দোষী। মই চৰকাৰক কব বিচাৰিছো এই দোষী লোক বিলাকৰ বিৰুদ্ধে আজিলৈকে কিয় শাস্তিমূলক ব্যৱস্থা লোৱা নাই। বৰঞ্চ চাকৰিহে দিলে। চাকৰি কোনে দিছে ? এই দুষ্কৃতিকাৰী শক্তি বিলাকৰ বিৰুদ্ধে কিয় শাস্তিমূলক ব্যৱস্থা লোৱা নহ'ল ? গণ পৰিষদ চৰকাৰে এই দুষ্কৃতিকাৰী লোকৰ সংখ্যা বৃদ্ধি নকৰিব। কিয়নো ইতিমধ্যে বহুত বৃদ্ধি কৰা হৈছে। আন এটা কথা শুনিছো হাইলাকান্দিত অনুসূচীত লোকৰ নামত কেইখনমান স্কুল চৰকাৰীকৰণ হৈছে কিন্তু তাত অনুসূচীত জাতিৰ মানুহ নাই। এতিয়া অৱশ্যে স্থগিত ৰখা বুলি শুনিছো। সদনত অন্ততঃ এইটো উথাপিত হবলৈ সুযোগ দিব নালাগিছিল। অনুসূচীত জাতিৰ লোকৰ নামত কিছুমান স্কুল প্ৰাদেশীকৰণ কৰা হৈছে বুলিয়ো শুনিছো। সঁচাকৈয়ে তাত অনুসূচীত জাতিৰ মানুহ আছে নে নাই এইটো তদন্ত কৰি চাব লাগে আৰু এনেকুৱা দুষ্কাৰ্য্য বিলাক যাতে নহয় সেইটোও চাব লাগে। অনুসূচীত জাতি আৰু জনজাতিৰ উপদেষ্টা পৰিষদ আছে, এই উপদেষ্টা পৰিষদ সমূহ কি ধৰণে গঠিত হৈছে মই খবৰ লোৱা নাই। এই

পৰিষদত কিছুমান বেপাৰী আছে সেইবিলাকে যি দলৰ চৰকাৰ নহওক কিয় তাত তেওঁলোকে সভ্য হৈ থাকিবই। জনতা চৰকাৰৰ সময়ত আছিল আৰু জনতা চৰকাৰ যোৱাৰ লগে লগে তাৰ পিচৰ চৰকাৰতো সুবিধা ললে। অনুসূচীত জাতি আৰু জনজাতিৰ লোকৰ কাৰণে যাৰ্চী গাই, তাঁতশাল, হাঁহ-কুকুৰা ইত্যাদিৰ গ্ৰাণ্ট দিয়া হয়। আমাৰ মাননীয় সদস্য বসুমতাৰী ডাঙৰীয়াই যাৰ অৱস্থা ভাল তেওঁলোকেহে গ্ৰাণ্ট বিলাক পাই আছে বুলি উত্থাপন কৰিছে। গতিকে এই ক্ষেত্ৰত অলপ চোকা দৃষ্টি ৰখা দৰকাৰ আৰু এজন মানুহকহে যাতে দুবছৰ একেলগে মেম্বাৰ কৰা নহয় তাৰ প্ৰতিয়ো লক্ষ্য ৰাখিব লাগে।

অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি বহুত কেলেংকাৰীৰ কথা শুনিছো। উপদেষ্টা পৰিষদৰ কিছুমান আঁচনি থাকে। সেই আঁচনি বিলাকৰ টকা ক'ত কেনেকৈ গৈ আছে? জনজাতি উন্নয়নৰ নামত যিখিনি টকা আহে সেইখিনি গ্ৰেণ্ট হিচাবে আহে। এই টকা চৰকাৰে কেন্দ্ৰৰ পৰা বেছিকৈ আনিব পাৰে, কিন্তু যিখিনি টকা আহে ক'ত কেনেকৈ খৰচ হয় আমি বিচাৰি নেপাও। জনজাতিৰ নামত অজনজাতীয় অঞ্চললৈ সেই টকা যায়। অৱশ্যে আই, টি, ডি, পি, গঠন হোৱাৰ পিচৰ পৰা কিছু পৰিমাণে এইটো কমিছে। যেতিয়া আই, টি, ডি, পি, নাছিল যতে ততে এই টকা গৈছে। এই ক্ষেত্ৰত এজনে মোক কৈছিল যে ট্ৰাইবেলৰ টকাৰে নন্‌ট্ৰাইবেলৰ কাম কৰা হৈছে। এইদৰে প্ৰচুৰ পৰিমাণে টকা খৰচ কৰা হৈছে। এই বিষয়ে এতিয়া মই হিচাবো ৰখা নাই আৰু খবৰো ৰখা নাই। মই আশা ৰাখিছো এতিয়া যি ডেকা মন্ত্ৰী আহিছে তেখেতক মই অনুৰোধ কৰিছো অন্তত যিখিনি টকা আহিছে এই টকাখিনিৰ যাতে সৎব্যৱহাৰ হয়। এই টকাখিনি যাতে পৰি নাথাকে। চাকৰি দকৰিৰ ক্ষেত্ৰত বঞ্চনা কৰা কথা কোৱা হৈছে। এই ক্ষেত্ৰত বেকলগ হৈ আছে। আজিও চাকৰিৰ সমস্যা আছে। কিছুমান অঞ্চলত মানুহে চাকৰি কৰিবলৈ নেযায়। গ্ৰেড ফোৰ চাকৰি কৰিব নেযায়। যিহেতু আমাৰ মেজৰ অফিচ বিলাক জনজাতীয়ৰ পৰা বহুত আতৰত থাকে সেই বাবে এই ক্ষেত্ৰত সুবিধা পাইছে। জনজাতি অঞ্চলত কিছুমান চাব চেণ্টাৰ আছে। তাত এ, এন, এম নাই, সেই অঞ্চলত যদি শিক্ষিত ছোৱালী আছে তেনেহলে তেওঁলোকক প্ৰশিক্ষণ দি নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

এই বিষয়ে স্বপ্না নার্জাৰী নামৰ ছোৱালী এজনীয়ে মোৰ ওচৰলৈ গৈছিল। তেওঁ কলে যে নাৰ্চৰ কাৰণে ক্ৰেকেটাৰ চাৰ্টিফিকেট এখন লাগে। তেতিয়া মই কেৰেকটাৰ চাৰ্টিফিকেট এখন দিলো এই কাৰণে যে এই লোকেল ছোৱালী জনীয়ে যাতে নাৰ্চৰ প্ৰশিক্ষণটো পায়। পিচত ছোৱালীজনী আহি মোক কৈছে যে আপোনাৰ প্ৰমাণ পত্ৰত চিল নাই, চিলটো দিব লাগে। তেতিয়া মই কলো যে তুমি অফিচত ৰখা মোৰ চিল নাই। তেতিয়া ছোৱালী জনীয়ে কলে যে টকা দিব লাগে। মই আচৰিত হলো। সচা সচিকৈ সেই ছোৱালী জনীয়ে বৰপেটা এচ. ডি, এম, এণ্ড এইচ, ও, অফিচৰ পৰা চিলেকশ্বন নাপালে। পাৰ পিচত সেই ছোৱালীজনী গুৱাহাটীলৈ আহি বেড ক্ৰচত নাৰ্চৰ বাবে ইন্টাৰভিউ দিছে।

সভাপতি মহোদয়, এনেকুৱা ঘটনা হৈ আছে। পোষ্ট খালি আছে। ছোৱালী জনী বিধবা আছিল। পাৰ লগাই বঞ্চিত হৈছে। এই বঞ্চিত হৈছে। এই বঞ্চিত মানুহৰ সংখ্যা বৃদ্ধি হৈ আছে খালি পোষ্ট যথেষ্ট আছে আৰু কিছুমানত চাব চেণ্টাৰত ছোৱালী নেথাকে। (ভইচ আই কংগ্ৰেছৰ দিনত নেকি ?) নহয়, গণপৰিষদৰ দিনতেই। গতিকে বাস্তৱ দিশলৈ লক্ষ্য ৰাখি যি খিনি টকা ৰখা তয় সেই খিনি টকাৰে দলৰ কথা চিন্তা নকৰি কাম কৰক নিজৰ সমষ্টিৰ, নিজৰ দলৰ কাম কৰা মন্ত্ৰী সকলে আৰু ভৱিষ্যতে এম, এল, এ, হব নোৱাৰে। সমষ্টিৰ কাম কৰিলে, দলৰ কাম কৰিলে ৰাষ্ট্ৰৰ কাম নহয়। এই চিন্তা ধাৰাৰে কোনো কাম নকৰি আজিৰ পৰিস্থিতিলৈ চাই অন্ততঃ মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়াই যিখিনি কথা কৈছে এই খিনি কাৰ্যকৰী কৰাৰ বাটেৰে আগ বাঢ়ি গৈ আমাৰ দেশৰ জনজাতীয়ৰ আস্থা আপোনালোকে অৰ্জ্জন কৰাৰ প্ৰয়োজন আছে। কেন্দ্ৰীয় চৰকাৰ অসম চৰকাৰৰ পৰা বহুত দূৰ। তেওঁলোকৰ নচিবৰ দিন। আমাৰ মাননীয় সদস্য শ্ৰীজগেন্দ্ৰ বসুমতাৰী ডাঙৰীয়াই মাননীয় অধ্যক্ষক প্ৰশংসা কৰিছে। যদি তেখেতে অসম চৰকাৰক প্ৰশংসা কৰিলে হেতেন আৰু ভাল পালোহেতেন। কিন্তু এই কথা শুনাৰ সুবিধা নিদিয়াৰ কাৰণে মই বৰ দুঃখিত। এই খিনি কৈয়ে মই মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰীনীলমণি দাস : মাননীয় সভাপতি মহোদয়, আজি বিধান সভাত জনজাতি আৰু পিচপৰা কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে যি দাবী মঞ্জুৰী উত্থাপন

* Speech not corrected.

কৰিছে সেই দাবী মই সমৰ্থন কৰিছো আৰু ইয়াৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰিছো। যদিও মই দাবী মঞ্জুৰী সমৰ্থন কৰিছো, তথাপি জনজাতি আৰু পিচপৰা কল্যাণ প্ৰৱৰ্ত্তক অলপ আত্ম সমালোচনাৰ দৃষ্টিৰে চাবলৈ প্ৰয়াস কৰিছো। জনজাতি আৰু পিচপৰা কল্যাণ বিভাগ বৰ বেছি পুৰণা বিভাগ নহয়। কিন্তু অসমত ৮৩ শতাংশ মানুহৰ কল্যাণৰ বাবে গঠিত হোৱা এটা বিভাগ। কিন্তু ভাৰতবৰ্ষ বা অসমৰ দুৰ্ভাগ্য এই খিনিতে যে ভাৰতবৰ্ষ বা অসমত মাত্ৰ ১০ শতাংশ মানুহে শাসন কৰি আছে। আৰু সেই ১০ শতাংশ মানুহে এই বিভাগৰ বাহিৰত। গতিকে এই বিভাগত যিখিনি কাৰ্য্যপন্থা হাতত লব লাগিছিল সেইটো কাৰ্য্যক্ষম হোৱাটো ক'ব নোৱাৰি কেনা থকা আৱশ্যকতা যেন ভাব হয়। সেয়ে মন্ত্ৰী মহোদয়ক মই কব খুজিছো জনজাতি আৰু পিচপৰা কল্যাণ শ্ৰেণী দপ্তৰৰ যি বিভাগ সেই বিভাগ এতিয়াও অসম চৰকাৰৰ পোষ্য পুত্ৰ হৈ আছে। পুত্ৰ স্থান এতিয়াও পোৱা নাই

মই মন্ত্ৰী মহোদয়ক এটা কথা কব খুজিছো যে জনজাতীয় আৰু পিচপৰা শ্ৰেণীৰ কল্যাণৰ যিটো দপ্তৰ সেইটো এতিয়াও অসম চৰকাৰৰ পোষ্য পুত্ৰ হৈ আছে। ই এতিয়াও পুত্ৰৰ স্থান পোৱা নাই। ৮৩ শতাংশ মানুহৰ উন্নয়নৰ কাৰণে যিটো বিভাগে কাম কৰিব লাগে সেই বিভাগটোক পুত্ৰৰ স্থানলৈ অনাৰ কাৰণে সকলোৰে ঐকান্তিক প্ৰচেষ্টাৰ প্ৰয়োজন। এই বিভাগটোৰ কিছুমান খাম-খেয়ালিৰ ক্ষেত্ৰত মই মাত্ৰ এটা উদাহৰণ দিব বিচাৰিছো যে লংকাৰ শ্ৰীগীতা দাস নামৰ এগৰাকী মানুহক ৰেলৰেৰ মাটিৰ পৰা উচ্ছেদ কৰা হৈছিল, এওঁ আছিল অনুসূচীত জাতিৰ। তেওঁ মন্ত্ৰী মহোদয়ৰ পৰা লিখাই লৈ যোৱা স্বত্বেও সেই মাটিৰ আবন্টন পোৱা নাই। সেই ক্ষেত্ৰত পিচপৰা শ্ৰেণীৰ দপ্তৰটোৱে যথেষ্ট কৰিবলগীয়া কাম আছিল কিন্তু তেওঁলোকে এই ক্ষেত্ৰত কোনো কাণসাৰ নিদিলে। আজি অসমত অনুসূচীত জাতি আৰু জনজাতিৰ যিবোৰ নিকায়, নিগম আছে সেই বিলাকে কোনো বিধি মানি চলা আমি দেখিবলৈ পোৱা নাই। বিভিন্ন ক্ষেত্ৰত চাকৰি বাকৰি আদিৰ ক্ষেত্ৰত যি বেকলগ আছে সেই বেকলগো পূৰণ কৰাৰ কাৰণে এই বিভাগটোৱে কোনো ধৰণে কাম কৰিব পৰা নাই। সেই কাৰণে চৰকাৰৰ অধীনৰ বিভাগবোৰত যি বেকলগ আছে সেই বেকলগ বেতিয়ালৈকে পূৰণ কৰা নহয় তেতিয়ালৈকে অন্য লোকৰ নিযুক্তি বন্ধ কৰি দিয়াৰ বাবে এটা নিয়ম বান্ধি দিব লাগে আৰু

তেনে কৰিছেহে এই কামবোৰ এবছৰ কিয় সেইমাহমানৰ ভিতৰতে কৰিব পৰা যাব বুলি মোৰ ধাৰণা। আজি কৰেষ্ট ভিলেজ বোৰতো জনজাতীয় লোক সকলে মাটিত খেতি কৰি আছে কিন্তু তেওঁলোকে পট্টন পোৱা নাই। এই সমস্যা বোৰৰ কাৰণে এই বিভাগটোৱে যি কাৰ্য্য ব্যৱস্থা হাতত লব লাগিছিল তেনে কাৰ্য্য ব্যৱস্থা লোৱা আমি দেখিবলৈ পোৱা নাই। মুঠতে এটা কথাত কবলৈ হলে অনুসূচীত জাতি, জনজাতি আৰু পিচপৰা সম্প্ৰদায় সমূহৰ উন্নয়নৰ কাৰণে যিটো বিভাগ আছে সেই বিভাগটো মাত্ৰ এটা পত্ৰ বথা বিভাগ হিচাবেহে কাম কৰি আছে। তেওঁলোকে কিছুমান চিঠি লিখে আৰু তেওঁলোকলৈ কিছুমান চিঠি আহে। তেওঁলোকে টকা খৰচ কৰা কাগজবোৰ গোটাই ৰাখে আৰু তেওঁলোকলৈ কেতিয়াবা কেতিয়াবা টকা খৰচ কৰা কাগজবোৰ আহে আৰু সেইমতে তেওঁলোকে এইবোৰ যতনাই ৰাখে। কিন্তু তেওঁলোকৰ হাতত যি ধৰণে প্ৰতিটো ক্ষেত্ৰতে প্ৰকৃত খৰচৰ হিচাবৰ নিকাচ বা এই বিভাগটোৰ উন্নয়নমূলক কামবোৰৰ কাৰণে যি মনিটৰিংৰ ব্যৱস্থা থাকিব লাগিছিল সেই ব্যৱস্থাও তেওঁলোকৰ নাই। তাৰ বাহিৰেও এই লোক সকলৰ অভাব অভিযোগবোৰ যদিও এই বিভাগটোৰ আয়ুক্ত জনলৈ পঠোৱা হয় কিন্তু তেওঁ এপিলেট অথৰিটি নোহোৱাৰ কাৰণে তেওঁৰ পৰ্য্যায়টো কামবোৰ হৈ নুঠে। যদি এই বিভাগটোক কাম কাজবোৰ সুচাৰুৰূপে কৰাৰ কাৰণে এটা স্বকীয়া এপিলেট অথৰিটি থাকিলহেতেন তেনেহলে বহুতো কাম সেই অথৰিটিৰ যোগে কৰাত সুবিধা হলহেতেন। আজি এই বিভাগটোৱে যিদৰে কাম কৰিব লগা হৈছে তেনে ক্ষেত্ৰত এই বিভাগটোৱে যদি পিচপৰা শ্ৰেণীৰ লোক সকলক ৰক্ষণা-বেক্ষণেই দিব নোৱাৰে তেনেহলে এই বিভাগটো থকাই নথকাই একে কথা।

সভাপতি মহোদয়, এইখিনিতে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে মই যোৱা বছৰ বিধান সভাৰ অধিবেশনত জনজাতীয় উপ পৰিকল্পনাৰ টকা খৰচ নোহোৱাৰ বিষয়ত এটা আলোচনা আনিছিলো। তেনে এটা আলোচনা আজিও বিধান সভাত মাননীয় সদস্য শ্ৰীদ্বিগেন পুৰকায়স্থ ডাঙৰীয়াই আনিছে। এই ক্ষেত্ৰত মই এটা কথা নিশ্চিতভাৱে কব পাৰো যে এই আচনিৰ অধীনত কেইবাটাও বিভাগে টকা খৰচ কৰা নাই। বিশেষকৈ স্বাস্থ্য বিভাগে যিমান কেইখন হস্পিটে

তালিকাভুক্ত কৰিছিল তাৰ এখনো কৰা দেখা নগল। জনস্বাস্থ্য বিভাগে যোৱা বছৰ অনুসূচীত অঞ্চলবোৰত কোনো পানী যোগান আচনি হাতত লোৱা নাই। শিক্ষা বিভাগে এই অঞ্চলৰ স্কুল প্ৰাদেশীকৰণৰ টকা ডাইভাৰ্ট কৰি লৈ গৈছে। যদি এনে ধৰণেই কামবোৰ চলি থাকিবলগা হয় তেনেহলে চিডিউল কাষ্ট এডভাইচাৰি কাউন্সিলৰৰ কাম কি হব পাৰে সেইটোও বিচাৰ্য্য বিষয়। এই বিভাগৰ উন্নয়ন মূলক কামৰ কাৰণে যি টকা আছে সেই টকাবো মঞ্জুৰী বিত্ত বিভাগে টাৰ্ণ ডাউন কৰে। ইয়াতকৈ আৰু দুখজনক কাম কি হব পাৰে? সেই কাৰণে মই এটা পৰামৰ্শ দিব খুজিছো যে অনুসূচীত জাতি আৰু জনজাতিৰ কাৰণে যিখিনি টকা ধাৰ্য্য কৰা হয় সেইখিনি টকা এল. ও. চি নোহোৱাকৈ খৰচ কৰাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰোপৰি মই আৰু এটা কথাৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে ৭ম পৰিকল্পনাত কেন্দ্ৰীয় চৰকাৰৰ পৰা এটা নিৰ্দ্দেশ আছিল যে অনুসূচীত জাতিৰ বাবে বস্তী উন্নয়নৰ বাবে এটা ব্যৱস্থা কৰা হৈছিল। কিন্তু আমাৰ চৰকাৰৰ ফালৰ পৰা এই ক্ষেত্ৰত কোনো প্ৰস্তাৱ ডাঙি ধৰা নাই। সেই কাৰণেই বোধকৰো এই ক্ষেত্ৰত যোৱা বছৰ যি ৩২ কোটি টকা ধাৰ্য্য কৰিছিল সেই টকা কমাই এই বছৰ ২৫ কোটি টকা কৰা হৈছে। সেই কাৰণে মই চৰকাৰক এই বিষয়ত মনোযোগ দিবলৈ টানি অনুৰোধ জনালো যাতে এই শিতানত পোৱা টকাৰ সদ্ব্যৱহাৰ কৰি অধিক টকা মঞ্জুৰী আনিব পাৰো তাৰ ব্যৱস্থা কৰিব লাগে আৰু অনুসূচীত জাতি আৰু জনজাতি আৰু পিচপৰা শ্ৰেণীৰ কল্যাণৰ কাৰণে যিবোৰ টকা ধাৰ্য্য কৰা হয় তাক উপযুক্ত ভাবে খৰচ কৰি দুখীয়া ৰাইজৰ কল্যাণ সাধিব বুলি আশা ৰাখি মোৰ ভাষণৰ সামৰণি মাৰিলো।

* **শ্ৰীদীলেশ্বৰ তাতী :** মাননীয় চেয়াৰমেন মহোদয়, অসমৰ জনজাতি অনুসূচীত জাতি আৰু পিছপৰা শ্ৰেনীৰ কল্যাণৰ কাৰণে যি মঞ্জুৰী দাঙি ধৰিছে আৰু তাৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপিত হৈছে সেই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি দুযাৰ কবলৈ আগবাঢ়িছো। বিশেষকৈ এই মঞ্জুৰীৰ অন্তৰ্ভুক্ত পিছপৰা শ্ৰেণীৰ চাহ আৰু প্ৰাক্তন চাহ জনজাতিৰ কল্যাণৰ আচনিৰ কথা আছে তাক থুলমুলকৈ কবলৈ ওলাইছো। আমি দেখিবলৈ পাইছো সৰ্ব্বমুঠ মঞ্জুৰীৰ ২৫ কোটি ৭৩ লাখ ২৩ হাজাৰ টকাৰ পৰা অসম চাহ আৰু প্ৰাক্তন চাহ

---

* Speech not corrected.

জনজাতিৰ কল্যাণৰ কাৰণে ধৰা হৈছে মাত্ৰ ৫৭ লাখ টকা। গতিকে এই মঞ্জুৰী মুঠ মঞ্জুৰীৰ তুলনামূলকভাৱে ৩০ ভাগৰ একাংশ হব। এইখিনিহে টকা মাত্ৰ চাহ আৰু প্ৰাক্তন চাহ জনজাতিৰ ৰাইজৰ কাৰণে ধৰিছে। অৱশ্যে আজি কিছুদিনৰ পৰাহে অৰ্থাৎ ১৯৮৪ চনৰ পৰাহে মাত্ৰ এই লোক সকলৰ কাৰণে সুকীয়া ব্যৱস্থাৰ আৰম্ভ হৈছে। এতিয়া অৱশ্যে কিছু বাঢ়িছে। কিন্তু বাঢ়িছে যদিও এই তুলনামূলকভাৱে এই ৫৭ লাখ টকা চাহ আৰু প্ৰাক্তন চাহ জনজাতিৰ ৪০/৫০ লাখ লোকৰ সংখ্যাৰ তুলনাত গাইপতি এটকাহে তেওঁলোকৰ কল্যাণৰ কাৰণে খৰছ কৰিব পৰা হয়। সেই কাৰণে চাহ আৰু প্ৰাক্তন চাহ জনজাতিৰ লোক সকল স্বাধীনতাৰ ৪০ বছৰ পাছতো অৰ্থনৈতিক ভাবে শিক্ষা-দীক্ষা সামাজিক সকলো ক্ষেত্ৰতে পিছপৰা হৈ আছে। স্বাধীনতাৰ ৪০ বছৰ পাছতো আজি শতকৰা ৫ ভাগ মানুহো শিক্ষিত হব পৰা নাই। এইটো বৰ লাজ আৰু পৰিতাপৰ কথা। তেওঁলোকে সেই কাৰণে এতিয়া অনুসূচীত জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত হবলৈ আন্দোলন আৰম্ভ কৰিছে। চাহ ছাত্ৰ সন্থাই বাধ্য হৈ বিভিন্ন ধৰণৰ বন্ধ পালনকে আৰম্ভ কৰি অন্যান্য আন্দোলনৰ কাৰ্যসূচী বা ২০ দফীয়া কাৰ্য্যসূচী লবলৈ বাধ্য হৈছে। স্বাভাবিকতে আজি উঠি অহা চামে তেওঁলোকৰ ভবিষ্যত অন্ধকাৰ দেখি আন্দোলনৰ কাৰ্য্য-সূচী লবলৈ আগবাঢ়িব লগা হৈছে। এই ৫৭ লাখ টকা চাহ আৰু প্ৰাক্তন চাহ জনজাতিৰ লোকৰ কল্যাণৰ কাৰণে কোনো ধৰণেই যথেষ্ট হব নোৱাৰে। কাৰণ যোৱাবাৰ ১৯৮৮-৮৯ চনত চাহ আৰু প্ৰাক্তন চাহ জনজাতিৰ উপদেষ্টা সমিতিৰ যিখন সভা হৈছিল আৰু কল্যাণ বিতৰণৰ কাৰণে থকা ধন বিশেষকৈ জনস্বাস্থ্যৰ কাৰণে যিখিনি ধন ধৰা হৈছিল তাত মাত্ৰ দেখিলো ৫০ হাজাৰ টকাহে আছে। আমি সেই মঞ্জুৰীখিনিৰ পৰা বিশেষকৈ টিবি, কেঞ্চাৰ আৰু অন্যান্য বেমাৰত ভুগী থকা লোক সকলক বিবেচনা কৰিবলৈ ললো। দেখা গ'ল কেঞ্চাৰ বেমাৰত ভুগী থকা ৰোগী সকলৰ কথা বিবেচনা কৰোঁতে পইছাখিনি শেষ হ'ল, টিবি বেমাৰীক যোৱাবাৰ দিব পৰাই নহ'ল। আমি এটা সাংঘাটিক কথা দেখিলো চাহ আৰু প্ৰাক্তন চাহ জনজাতিৰ লোকেই আটাইতকৈ বেছি টিবি বেমাৰত ভুগী আছে প্ৰায় এহেজাৰৰ বেছি হব আমি তেওঁলোকক সাহায্য দিব নোৱাৰিলো এইটো বৰ ডাঙৰ কথা। এইটো বৰ ভয়ঙ্কৰ কথা হৈছে

যিমান বিলাক চাহ আৰু প্ৰাক্তন চাহ জনজাতিৰলোকে টিবি বেমাৰত ভুগিছে

এই সম্প্ৰদায়ৰ মাজত এই বেমাৰটোৰ প্ৰাদুৰ্ভাৱ বেছি। ইয়াৰ মূল কাৰণ হৈছে চুলাই মদৰ অবাধ ৰাজত্ব। এই চুলাইমদে চাহ আৰু প্ৰাক্তন চাহ-গোষ্ঠীৰ লোক সকলক ধ্বংসৰ মুখলৈ ঠেলি দিছে। এই ক্ষেত্ৰত চৰকাৰ তথা আমি ৰাইজৰ প্ৰতিনিধি হিচাবে যথেষ্ট দায়িত্ব আছে। আমি বিভিন্ন সময়ত বিধান সভাৰ মজিয়াত প্ৰশ্ন আকাৰে হওক বা অন্য প্ৰকাৰে হওক এই কথাবিলাকৰ মন্ত্ৰী সভাৰ দৃষ্টি আকৰ্ষণ কৰি আহিছো কিন্তু চৰকাৰৰ ফালৰ পৰা কোনো কাৰ্যকৰী ব্যৱস্থা লোৱা হোৱা নাই। আনকি আমাক কয় যে ব্যৱস্থা লৈ থকা হৈছে বা অভিযোগটো সত্য নহয়। গতিকে চৰকাৰে এই ক্ষেত্ৰত হাত সাৱতি বহি থকা যেন লাগিছে। এক্ষেত্ৰত গাওঁতে ৮/১০ টা পৰ্য্যন্ত চুলাই মদৰ ঘাটি। এই বিলাকৰ কাৰণেই এই সম্প্ৰদায়ৰ মাজত টিবি বেমাৰ বেছি। গতিকে ইয়াক সোনকালে ৰোধ কৰিবলৈ মই এই সুযোগতে আবকাৰী মন্ত্ৰীক অনুৰোধ জনালো। এই বাধিৰ পৰা চাহ জনজাতিক ৰক্ষা কৰিবলৈ মই বিনীতভাৱে অনুৰোধ জনালো। গতিকে স্বাস্থ্যৰ কাৰণে 50 হাজাৰ টকা ধৰাটো তেনেই নগন্য হৈছে তাৰোপৰি স্বাস্থ্য কেন্দ্ৰ আদিৰ কাৰণে বিভিন্ন জিলা বিষয় বিলাকে চাৰ্টিফাই কৰিছে গতিকে তাত নিশ্চয় সত্যতা আছে। অন্যান্য যিবিলাক আচনি গৰুহাল কিনা বা অন্যান্য তাতো টকা কম হৈছে। এতিয়া প্ৰায় ৫০০ খন গাওঁ পঞ্চায়ত আছে প্ৰতি-খন গাওঁ পঞ্চায়তত এজনকৈ সাহায্য দিবলগীয়া হলেও এই টকা কেতিয়াও যথেষ্ট নহয়। সেই কাৰণেই এই ধৰা টকাখিনি মই নগন্য হোৱা বুলি কৈছো। ইয়াৰ আগৰ চৰকাৰে শিশু সকলক মধ্যাহ্নভোজনৰ কাৰণে এক আচনি লৈছিল। কিন্তু গণ পৰিষদৰ কিছুমান শ্ৰমিক নেতাই এই আচনিক বন্ধ বেয়াকৈ সমালোচনা কৰিলে। খিচৰী ঘটবাতি লোৱা ব্যৱস্থাক সমালোচনা কৰিলে। যাৰ কাৰণে এই আঁচনি বন্ধ কৰিলে। (সময়ৰ সংকেত) আমাৰ মাননীয় সদস্য শ্ৰীপদ্ম নাথ কৈৰী ডাঙৰীয়াই গণ পৰিষদক যিমান প্ৰশংসা কৰিলে সিমানখিনি তিৰস্কাৰ কৰিবলৈকো স্থল আছে। গতিকে আশা ৰাখিছো যাতে চাহ বাগিছাৰ লৰা ছোৱালীৰ কাৰণে দুপৰীয়াৰ আহাৰৰ যি ব্যৱস্থা আছিল তাক এতিয়া পুনৰ প্ৰবৰ্ত্তন কৰে। (সময়ৰ সংকেত) চাহ আৰু প্ৰাক্তন চাহ জনজাতিৰ লোক সকল ওবিচি, এমওবিচি হিচাবে তেওঁলোকৰ কাৰণে এখন নিগম আছে। কিন্তু এই নিগমৰ সভাপতি সদস্য কোন আমি আজিও নাজানো। আমি

বিধায়ক হিচাবেও তাত স্থান পোৱা নাই। তাৰোপৰি এই আঁচনি বিলাকৰ পৰা আমাৰ লৰা ছোৱালী বিলাকে যি লাভ পাব লাগে সেইবিলাক পোৱা নাই। সেই কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো। বহুত কথা কবলৈ আছিল কিন্তু সময়ৰ অভাৱত কোৱা নহল। প্ৰাক্তন চাহ জনজাতিৰ লৰা ছোৱালীৰ কাৰণে পৰিষদৰ পৰা ৫৭ লাখ টকা গ্ৰান্ট দিয়া হৈছে কিন্তু সেই বিলাক কোনেও ঠিক মতে পোৱা নাই গতিকে ইয়ানখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীসুৰেন স্বৰ্গীয়াৰী : মাননীয় চেয়াৰমেন মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে জনজাতি আৰু অনুসূচীত জনজাতিৰ বিভাগৰ কাৰণে যি কেইটা অনুদান বিচাৰিছে সেইখিনিত মই সম্পুৰ্ন সমৰ্থন জনাইছো। আৰু বিৰোধী পক্ষৰ সদস্যই যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে তাত মই বিৰোধীতা কৰিছো। মই আমাৰ মন্ত্ৰী মহোদয়ক সভাপতি মহোদয়ৰ জৰিয়তে কেইটামান পৰামৰ্শ এই ক্ষেত্ৰত আগবঢ়াব বিচাৰিছো। আমাৰ যিবিলাক জিলাত আই, টি, ডি, পি বোৰ্ড আছে বা চাব্ ডিভিজনেল বোৰ্ড আছে সেই বিলাকৰ জৰিয়তে অনুসূচীত জাতি আৰু জনজাতিৰ বহুত কাম সমাধা হব বুলি আমাৰ ধাৰণা। কিন্তু কথাটো হ'ল এই দুটা সম্প্ৰদায়ৰ যি সমস্যা সেই সমস্যা আজিৰ নহয় বহু দিন আগৰে পৰা চলি অহা সমস্যা। এই সমস্যা বিলাক দূৰ কৰিবৰ কাৰণে বা অনুসূচীত জাতি আৰু জনজাতিৰ উন্নয়নৰ কাৰণে আমাক কিছু সময় লাগিব। এতিয়া কথা হ'ল অনুসূচীত জাতি আৰু জনজাতিৰ উন্নয়নৰ কামত অগ্ৰসৰ হবৰ কাৰণে কিছুমান গাওঁত চিনাক্তকৰণৰ কাৰণে যাব লাগে। এই ক্ষেত্ৰত আমি দেখিবলৈ পাইছো বহুত খেলিমেলি আছে। আমাৰ মাননীয় সদস্য এগৰাকীয়ে আগতেই কৈ গৈছে যে য'ত এচ, চি আৰু এচ, টিৰ কোনো মানুহ নাই তাতো অৰ্থাৎ সেই গাওঁতো গ্ৰান্ট দিয়া হৈছে। ঠিক তেনেকৈ বিভিন্ন জিলা সমূহত এই ধৰণৰ ঘটনা ঘটি আছে। যিখন গাওঁত এচ, চি, এচ, টিৰ এটা পৰিয়ালো নাই সেই গাওঁখনকো এচ, চি, এচ, টি গাওঁ বুলি আই, টি, ডি, পি বা চাব্ ডিভিজনৰ অন্যান্য কাৰ্য্যালয়ৰ তালিকাৰ অন্তৰ্ভূক্ত কৰা হৈছে। অৱশ্যে এই বিষয়টো আজিৰ নহয়, বহু বছৰ আগৰ পৰাই এনে ধৰণে আমি দেখি আহিছো। গতিকে এই বিলাক সংশোধনী কৰি প্ৰকৃত পক্ষে তালিকা বনোৱাৰ সন্দৰ্ভত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। এই ক্ষেত্ৰত

প্ৰকৃত গণনা কৰি বিশেষ ভাৱে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিলো। ট্ৰাইবেলৰ উন্নতিৰ কাৰণে আমি খৰটকীয়াকৈ বিভিন্ন কাৰণত আচনি ৰূপায়ণ কৰিব পৰা নাই। উদাহৰণ স্বৰূপে ট্ৰাইবেল ডেভেলাপমেন্ট অথৰিটিৰ জৰিয়তে যিবিলাক আচনি গ্ৰহণ কৰিছে সেই বিলাক খৰটকীয়া ভাবে কাৰ্য্যকৰি কৰিব পৰা নাই। তাৰোপৰি ফেমিলি অৰিয়েনটেড বুলি আমাৰ এটা আচনি আছে। এই আচনিৰ জৰিয়তে নিবনুৱা যুৱকক গৰু বাখিবলৈ, কিচাৰি আদি খুলিবলৈ দ'ম দিয়া হয়। কিন্তু আজিলৈকে এই বেনিফিচিয়াৰি দিয়া নাই। ট্ৰাইবেল ডেভেলাপমেণ্ট অথৰিটিৰ কাৰ্য্যালয়ৰ কৰ্ম্মচাৰীৰ অভাৱত কাম বিলাক হৈ উঠা নাই। এই কাৰ্য্যালয়টো আন বিভাগৰ দায়িত্বত থকা আয়ুক্ত এজনৰ দায়িত্বত আছে। তাত আমাৰ কোনো নিজা মেম্বাৰ বা চেক্ৰেটাৰী নাই। গতিকে আয়ুক্ত জনে নিজৰ বিভাগৰ কামত ব্যস্ত থাকিব লগা হোৱাত এই কাম বিলাক ফেলেম গতিত চলি আছে। সেই কাৰণে মন্ত্ৰী মহোদয়ক অনু-ৰোধ কৰো যে আন এজন আয়ুক্তৰ অধীনত আমাৰ নিজা বৰীয়াকৈ এজন মেম্বাৰ চেক্ৰেটাৰী নিয়োগ কৰিব লাগে। যাতে কাম বিলাক সুচাৰুৰূপে চলাই নিব পাৰে। তাত আনকি ট্ৰাইবেলৰ পোষ্টটো কৰ্ম্মচাৰী নিয়োগ কৰা নাই। বিশেষকৈ উচ্চবৰ্গৰ কৰ্ম্মচাৰী এজনো নিয়োগ কৰা নাই। ইয়াৰ ফলত কাম কাজত যথেষ্ট খেলি মেলিৰ সৃষ্টি হৈছে। এইটো দূৰ কৰিবৰ কাৰণে অনতি পলমে পাৰিলে অহা কালিয়েই কৰ্ম্মচাৰী নিয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ ট্ৰাইবেল জনসাধাৰণৰ কাৰণে অৰ্থনৈতিক উন্নতিৰ কাৰণে আৰটিকেল ২৭৫ বিধি আছে নে নাই? আগতে আছিল। কিন্তু এতিয়া আমি তেনে কোনো ব্যৱস্থা দেখা নাই। এই ২৭৫ বিধি অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আহে। কিন্তু এই আৰটিকেলৰ বিষয়ত কৰ্ম্মচাৰী সকলে টকা ব্যৱহাৰ কৰা নাই। এই বিধিৰ অধীনত কেন্দ্ৰীয় চৰকাৰলৈ আচনি দাখিল কৰিলে মন্ত্ৰী মহোদয়ে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আনিব পাৰিব। সেই কাৰণে মন্ত্ৰী মহোদয়ক বিশেষ ভাৱে গুৰুত্ব সহকাৰে ব্যৱস্থা লবলৈ অনুৰোধ কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**Mr. Chairman :** There has been considerable discussion on this grant, I would now request the Minister to give his reply.

( Voice : No Sir, time can be extended )

Shri Charan Narzary : No Sir, time may be extended, we we should be allowed to discuss this very impoitant grant. This is the consensus of the House, we should be allowed to express our own views and to make our own observations.

মিঃ চেয়াৰ'মেন : বৰ দীঘলীয়া হলে আজি শেষ কৰিব পৰা নাযাব ।

Shri Charan Narzary : We should be allowed to express our own views and observations.

Mr. Chairman : Now Hon'ble Member Shri A. F. G. Osmani will speak.

* Shri A. F. G. Osmani : Mr. Chairman Sir, we would like to register our thanks for giving us the scope to speak, It is a very topical matter and touchy as well as I think, by extending the you have given the facilitis to the members to express their views on this very important subject. We belong to the non-classified class. So Sir, this topic might relate to Schedule Castes, Schedule Tribes or Backward Classes of the society but it is very much concern of the state as a whole, people of the state as a whole and your honour did great justice by extending the time where by we are able to participate. Sir, so far the discussion has not remained to the cut motion that has been brought in relation to the sum demanded by the Government under appropriate grant, it has gone beyond it and naturally in view of the situation that now prevails in the State.. Hon'ble Member Shri Binai Khungur Basumatary has referred to some pertinent point that so many facilities exist in the constitution since the inception of the constitution and 40 years have passed till to day instead of meeting the econemic, political as well as incidental and emotional demands of the Tribal and Scheduled Caste people things have gone to the contrary, that has to be examined, This house will certainly give this money to the department

* Speech not corrected.

to be spent for the welfare of the classified castes and communities but this house also should examine the basic proposition what has gone wrong with our political pattern where people are demanding separate entity politically in relation to their ethnic identity. In Assam it has become a very vital point, if people of Assam go back and set up a demand on the basis of their ethnic identity nothing will remain of the state as we know Assam politically. A tremendous movement was launched covering nearly 6-7 years for preserving identity of Assamese people and perhaps extending it to create an Assam known as "Sonar Asom" but within the span of a few years it is found that the movement has backfired. Then were we not sure that there is really nothing like Assamese identity? The basic point has come that we cannot avoid it. Then all the people of Assam thought it was parhaps necessity in early part of the 1980s about the identity of the Assamese people but demand of the Bodos, demand of the Mising, demand of the Karbis, demand of the Lalung and perhaps many are in the stream, remained of a thing which we at least found a certain stage of the history to identify the motion of Assamese culture. It has backfired. Sir, I am not going to the agitational aspects of the tribal people presently being carried out in the State but I am raising some basic questions. It is not a phenomenon became in Assam, after a decade's rule in West Bengal by a Marxist Party which said that in our this type of caste distinction cannot thrive because of our very nature of approach has belied. The foremost of the Marxists politician that was produced by West Bengal came from Darjeeling and I mention his name as late Ratan Lal Brahmin where he worked and built up for most of the tea trade unions a racial movement, which has overtaken all movements. In a very progressive state of India what is happening in parts of Bihar, Madhya Pradesh and

Orissa, what is the impact of Jharkhand movement, which are beyend the border of India, what is happening in Russia, after 70 years of rule by a Marxists Leninists Party people could not come together, they are still sticking together to their original racial identity. I am just pointing out the difficulties, we may discuss in a very small State of India in the Legislature of Assam but the point is very much pertinent. Sir, then what will happen. So long in India, we have a certain type of demand that a certain section of the people occupying the geographical territory are in a majority should be given the right of selfdetermination. On that basis even the movement for creation of Pakistan was supported by our progressive parties. Ultimately, Pakistan was created on the basis of this pattern that Muslim occupy a certain portion of India in majority in numbers. Then, Sir, subsequently, things were followed up within India on linguistic basis and now we have given States on ethnic basis like the States of Meghalaya, Mizoram, Arunachal Pradesh. Now in the last phase, I do not know if it would be the last phase, we are confronting the problem of the people, though not in majority, making a political demand in relation to geographical territory on the basis of their ethnic entiquity. They may say that once we were majority in the but due to movement of people subsequently may show that they have been reduced to minority and, therefore, unless we are given the right to regulate our own affairs we will be further reduced to more minority and, perhaps, we will reach a vanishing point. So, we want to administer our own area where we were once in majority. Now, what the politicians and statesmen of India are going to do about this new aspect of regional autonomy. Sir, time is short. I just want to project the problem. We have seen the agitation of the tribals in Udalguri and Kokrajhar. It is such a sad thing to say, your honour,

that it was not a fight between the administration and the Bodos but it was fight between the Bodos and the non-Bodos. Everything is becoming so blurred that something has to be found out immediately, and I donot know it will be found out. I feel if the administration make a beginning by proclaiming that it does not attach important to any type of ethnic interests and that it will act impartially and sincerely as per the principles and guidelines laid down by the Government. Perhaps, then some thing can be done at the fag end. In our goodwill mission in Gosaigaon we were told that most of third grade and fourth grade employees were from Barpeta and Nalbari. Now, where is the autonomy. Practically, allegation was brought at that level. Sir, I consider it to be very serious which may take a serious proportion in coming days. Everybody may come up with the plea of ethnic identity. Sir, there should be a sincere attempt to find out the modality so that Govt. may not be accused of such things that this Govt. belongs to upper-cast people and that this Govt. is enimical to the interests of the people whom they do not consider belonging to any linguistic or religious group. Sir, these are the basic propositions which I want to make. I appeal to the Govt. to take sufficient measures to meet the problem. Sir, one thing is very important. One of our Hon'ble Members Shri Bharat Narah has mentioned that it is not basic economic problem which is confronted by the tribal people in North Lakhimpur and Dhemaji but it is land reforms which has not been carried out and pattas have not been given conferring them with ownership rights of their land. Sir, what this Govt. has done during last three years. Basically, they have done nothing. They could not even provide scopes to the people for participating in the lowest unit of the Govt. If we can not win their goodwill then perhaps they will be alienated from the mainstrea of the society. It is

not the question of job. But it is the question of emotional attachment. I feel that tribal movement in Assam can be tackled by emotional approach followed by administrative measures.

* শ্ৰীকিৰণ কুমাৰ গগৈ : মাননীয় সভাপতি মহোদয়, মই মাননীয় ডব্লিউ, পি, টি, আৰু অ, বি, চি, বিভাগৰ মন্ত্ৰী মহোদয়ে যি দাবী মঞ্জুৰী আনিছে তাত সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰিছো। মহোদয়, আমাৰ এই অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ উন্নয়নৰ কাৰণে যি টকা ধাৰ্য্য কৰা হৈছে মই জনাও এই টকা অতি কম হৈছে আৰু বেছি টকা যদি ধাৰ্য্য কৰিলেহেতেন তেতিয়াও সমৰ্থন জনালোহেতেন। মই মাত্ৰ অন্যান্য পিচপৰা শ্ৰেণীৰ কেইটামান কথা কব বিচাৰিছো। এতিয়া অসমত প্ৰতক্ৰা ৫০ ভাগ মানুহ অন্যান্য সম্প্ৰদায়ৰ আছে। কিন্তু এই জাতিটোৰ উন্নয়নৰ বাবে চৰকাৰৰ ফালৰ পৰা যেনে ব্যৱস্থা লব লাগিছিল তেনে ধৰণৰ ব্যৱস্থা লোৱা হোৱা নাই। উদাহৰণ স্বৰূপে কওঁ যে, মহকুমা ভিত্তিক হওক বা জিলা ভিত্তিতে হওক কিমান জনসংখ্যা আছে তাৰ কোনো নথিপত্ৰ চৰকাৰৰ হাতত নাই। এইটো অতি আচৰিত কথা। জিলা ভিত্তিত কিমান জনসংখ্যা আছে চৰকাৰে নাজানে। কমিচনাৰে নাজানে। সুধিলেও শুদ্ধ উত্তৰ দিব নোৱাৰে। গতিকে গ্ৰাণ্ট ডিষ্ট্ৰিবিউচন কেনেকৈ কৰিব? গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে এটা শুদ্ধ চাৰ্ভে কৰি কোন জিলাত অন্যান্য পিচপৰা সম্প্ৰদায়ৰ কিমান লোক আছে এইটো শুদ্ধভাবে জানিব লাগে। এইটো অতি আৱশ্যক হৈ পৰিছে। আনহাতে অন্যান্য পিচপৰা শ্ৰেণীৰ ক্ষেত্ৰত দেখিবলৈ পাইছো যে ১৯৮৭-৮৮ চনত আমাৰ প্ৰি-মেট্ৰিক বৃত্তি আৰু পোষ্ট মেট্ৰিক স্কলাৰ চিপ ছাত্ৰ-ছাত্ৰী সকলক দিব লাগে। ১৯৮৭-৮৮ চনত যিমান টকা দিলে সেইখিনি পোষ্ট মেট্ৰিক স্কলাৰ চিপ আছিল কিন্তু যথোপযুক্তভাবে চৰকাৰে দিব পৰা নাই। তাৰ কাৰণে ১৯৮৭-৮৮ চনৰ বাবে ৪ কোটি টকা আমাক আৰু দৰকাৰ হৈছিল। কিন্তু আমি পোৱা নাই। কিন্তু ১৯৮৮-৮৯ চনত কিছু কিছু টকা দিয়াৰ পিছতো গোটেই পোষ্ট মেট্ৰিক স্কলাৰচিপ অসমত ৰেগুলাৰ কৰিবৰ কাৰণে ৩ কোটি

* Speech not corrected.

অতিৰিক্ত টকাৰ প্ৰয়োজন হয়। গতিকে মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যিকোনো প্ৰকাৰে এই ছাত্ৰ-ছাত্ৰী সকলৰ যিটো পাৰণীয়া টকা সেইটো যেনেকৈ কমায় কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব। আনহাতে এতিয়ালৈকে অন্য-প্ৰতিনিধি এচ, চি সম্প্ৰদায়ৰ কাৰণে যেই হাউচ আছে, জনজাতীয় সকলৰ কাৰণেও আছে। তেওঁলোকে আৰু কিছুমান সুবিধা পালে আমি ভাল পাম। লগতে মাত্ৰ মই পবিত্ৰ সদনত অনুৰোধ কৰিব বিচাৰিছো যে, অ, বি, চি, সম্প্ৰদায়ৰ কাৰণেও অনতিপলমে এটা বেই হাউচ নিৰ্মান কৰিব লাগে। ১৯৮৭-৮৮ চনত আমাক ৩ লাখ টকা দিয়া হৈছে এইটো যথোপযুক্ত হোৱা নাই। এটা বেষ্ট হাউচৰ বাবে যিমান টকা লাগে সেইখিনি মন্ত্ৰী মহোদয়ৰ কালৰ পৰা অনুমোদন দিব বুলি আশা কৰিলো।

মাননীয় চেয়াৰমেন মহোদয়, আনহাতেদি এচ, টি, এচ, চি, ৰিজাৰভেচন ৰেকলগ কৰা হৈছে, অ, বি, চি, সম্প্ৰদায়ৰ ক্ষেত্ৰতো কৰা হৈছে ১৯৮৪ চনতে। ইয়াৰ বাবে শতকৰা ১৫ ভাগ ৰিজাৰভেচন কৰা হৈছে বিভিন্ন ধৰণৰ অনুষ্ঠান, প্ৰতিষ্ঠান আদি নাম ভৰ্ত্তি আৰু নিযুক্তি আদিত সেইমতে কৰা হৈছেনে নাই, চাকৰি-বাকৰিৰ ক্ষেত্ৰত সেইটো প্ৰযোজ্য হৈছেনে নাই বিচাৰ কৰিব লাগে। যিহেতু যোৱা কালি বিধান সভাত এটা কথা উত্থাপন কৰা হৈছে যে গুৱাহাটীৰ বিশ্ববিদ্যালয়ত বিশেষকৈ গুৱাহাটীৰ মাজ মজিয়াতে এনে কিছুমান দুৰ্নীতি হৈছে সেইটো পিচপৰা শ্ৰেণী সম্প্ৰদায়ৰ ক্ষেত্ৰতেই হওক বা অনুসূচীত জাতি অনুসূচীত জনজাতিৰ ক্ষেত্ৰতেই হওক সেইটো অন্যায় কৰা আমি দেখ দেখকৈ দেখা পাইছো। সকলো সম্প্ৰদায়ৰে সাংবিধানিক অধিকাৰ আছে। সেইবিলাক যাতে খৰ্ব কৰা নহয় তাক আমি চাব লাগে। সেইকাৰণে মই অনুৰোধ কৰিছো যাতে এই যিটো ৰিজাৰভেচন আছে সেইটোৰ ক্ষেত্ৰত কোনো সম্প্ৰ-দায়ৰ লোক বঞ্চিত নহয় তাক চাব লাগে। আৰু এটা কথা মই কব বিচাৰিছো যে অন্যান্য পিচপৰা শ্ৰেণী সকলৰ এটা উন্নয়ন নিগম আছে। কিন্তু গণ পৰিষদ চৰকাৰ শাসনলৈ অহাৰ আগতে এই নিগমে কি কৰে কি নকৰে কোনেও জনা নাছিল। ব্যক্তিগত ভাৱে এই নিগমে সেই সকল ব্যক্তিক ল'ন দিছিল। সেই ল'ন বিলাক আজিও বিকাশ নহল। সেইকাৰণে আজি এই নিগমটো মৃতপ্ৰায় অৱস্থা হৈছে। মই এজন পিচপৰা শ্ৰেণীৰ সদস্য হিচাবে কওঁ যে আগতে মাত্ৰ কেন্দ্ৰীয় ভাৱে এটাহে নিগম আছিল, সেইটো

গুৱাহাটীতহে আছিল। বাকী ক'তো নাছিল। কিন্তু এতিয়া আমাৰ সেই নিগমৰ কাৰ্য্যালয় বহুতো ঠাইত হৈছে। সেইকাৰণে অন্যান্য পিচপৰা শ্ৰেণীৰ লোক সকলে ল'ন লবলৈ অধিক সুবিধা হৈছে। উদাহৰণ স্বৰূপে মই কব বিচাৰিছো যে এই নিগম ডিব্ৰুগড়, তেজপুৰ, ধুবুৰী, গোৱালপাৰাতো হৈছে। আৰু এতিয়া শিৱসাগৰ, নগাওঁ, বৰপেটা আৰু শিলচৰটো এই শাখা খুলিবৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। ইয়াৰ দ্বাৰাই আমাৰ অন্যান্য পিচপৰা শ্ৰেণী সকলক যাতে যৎপৰোনাস্তি ল'ন দিব পাৰে তাৰ কাৰণে নিগমে চেষ্টা কৰিছে। গতিকে এই নিগমৰ দ্বাৰা অন্যান্য পিচপৰা শ্ৰেণী সকল আৰু অধিক উপকৃত হব বুলি ভাবো। ইয়াত কেইজনমান মাননীয় সদস্যই কৈ গৈছে যে কম্পনেন্টৰ কথা। এচ, টি এৰিয়াৰ টকা এচ, চি এৰিয়াত টকা ভালদৰে খৰচ কৰা নাই। ভুৱা প্ৰমাণ পত্ৰৰ দ্বাৰা খেলি-মেলি সৃষ্টি হোৱা দেখিবলৈ পোৱা গৈছে। গতিকে এই বিলাক ভালদৰে তদাৰক কৰি ব্যৱস্থা লব লাগে। এচ, টিয়েই হওক বা এচ, চিয়েই হওক, যাতে তেওঁলোকৰ প্ৰাপ্যৰ পৰা বঞ্চিত নহয় তালৈ লক্ষ্য ৰাখিব লাগে। আকৌ এনে কিছুমান বিষয়া আছে ট্ৰাইবেল গাওঁ বিলাকক নেগলেক্ট কৰে। তেওঁলোকে কয় সেইখন গাওঁত কাম নকৰিলেও হব, ট্ৰাইবেল গাওঁ, তেনেকুৱা মন্তব্য দিয়া দেখিবলৈ পাওঁ। গতিকে আজি যি গাৱেঁই নহয় সকলোৰে যাতে সমানে উন্নতি হয়, তাৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰিব লাগে। গতিকে এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri Charan Narzary: Hon'ble Mr. Chairman Sir, I am supporting the cut motions on Grant No. 38 moved from our side. I begin today, Sir, and I will continue tomorrow because the time is almost up. I have seen Sir, ever since the adoption of the Indian Constitution the State Government of Assam have been failing to fulfil its constitutional obligation in relation to ensuring the socio-economic development of the down-trodden people, the scheduled tribes, the scheduled castes and other backward classes of people. It is a very vital department, this department for the welfare of scheduled tribes, scheduled castes and other backward classes of people is a very vital department but not much attention has been

given to this department. Over the years not much care has been taken of this department. As a result of this there has been accumulation of problems, among the tribals, among the scheduled castes, among the other backward classes of people which has generated their sense of resentment, their sense of total deprivation, injustice, exploitation in all spheres of their life.

We have got the tribal sub-plan now. Earlier this tribal sub-plan was not there. But as the years passed on and the lot of all the scheduled tribes, scheduled castes could not be changed, the matter was reviewed by the Central Government. They examined the root-cause of the static condition of the scheduled tribes and scheduled castes. It was found that the money allocated under the general plan for the upliftment of the scheduled tribes and the scheduled castes was not sufficient, was not adequate. That means the general plan could not cover all aspects of the tribal need and the needs of the scheduled castes. That is why, precisely speaking, this tribal sub-plan have been evolved. The concept of tribal sub-plan is something new. But here, as we have seen in the State in course of execution of various developmental programmes......

(The bell rang and the Hon'ble member resumed his seat.)

**Introduction of Government Bill.**

Mr. Chairman ( Dinabandhu Choudhury ) : Now Item No.3, Hon'ble Chief Minister to move.

Shri Prafulla Kumar Mahanta ( Chief Minister ) : Mr. Chairman, Sir, I beg leave to introduce the Indian Stamp ( Assam Amendment ) Bill, 1989.

**Mr. Chairman** : Is it the pleasure of the House to grant the leave to introduce the Bill? ( voice—yes, yes )

The leave is granted. There is a message from the Governor of Assam :

"RAJ BHAVAN
Guwahati
May 17, 1989.

Under the provision of Article 207 (1) of the Constitution of India, I, Harideo Joshi, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Indian Stamp ( Assam Amendment ) Bill, 1989.

Sd/- Harideo Joshi
Governor of Assam."

Now Hon'ble Chief Minister is to introduce the Bill.

**Shri Prafulla Kumar Mahanta** ( Chief Minister ) : Sir, I beg to introduce the Indian Stamp ( Assam Amendment ) Bill, 1989.

( Secretary of the Assembly read out the title of the Bill )

**মিঃ চেয়াৰমেন :** কালিলৈ পুৱা ৯ বজালৈ সদন স্থগিত ৰখা হ'ল।

## Adjournment.

**The House then rose at 1.32 P.M. and stood adjourned till tomorrow, Thursday the 18th May, 1989.**

**S. N. Deka**
**Secretary,**
**Assam Legislative Assembly.**

**Dated Dispur,**
**The 17th May, 1989.**

# অনুবন্ধ—১

## (নিচান 'ক')

| | | | | |
|---|---|---|---|---|
| ১। | ঘেঁহু (প্ৰমাণিত) | প্ৰতি কুইণ্টল | ৫৬০ | টকা |
| ২। | ঘেঁহু (লেবেল) | " " | ৪৯০ | " |
| ৩। | সৰিয়হ (প্ৰমাণিত) | " " | ১৫০০ | " |
| ৪। | সৰিয়হ (লেবেল) | " " | ১১৬০ | " |
| ৫। | মটৰ মাহ (প্ৰমাণিত) | " " | ১৩৪০ | " |
| ৬। | মটৰ মাহ (লেবেল) | " " | ১৩৪০ | " |
| ৭। | মচুৰ মাহ (লেবেল) | " " | ১৪১০ | " |

## Annexure—II

### Annual Plain 1988-89
### Special Component Plan For Scheduled Castes.

Rs. in lakhs

| | Sector | Q. A | SCA | Total |
|---|---|---|---|---|
| 1. | Agriculture | 210.00 | 25.00 | 235.00 |
| 2. | Soil conservation | 30.00 | — | 30.00 |
| 3. | A. H. & Vety. | 123.00 | 28.00 | 151.00 |
| 4. | Dairy Dev. | 46.00 | 5.00 | 51.00 |
| 5. | Fisheries | 153.00 | 40.00 | 193.00 |
| 6. | Rural Development : | | | |
| | (a) IRDP | 121.00 | — | 121.00 |
| | (b) NREP | 98.00 | — | 98.00 |
| 7. | Social Forestry | 121.00 | — | 121.00 |
| 8. | P. & C.D. | 38.00 | — | 38.00 |
| 9. | Sericulture | 26.00 | 8.60 | 34.00 |
| 10. | Handloom & Textile | 46.00 | 10.00 | 56.00 |

## Annexure—II

| | Sector | Q.A. | SCA | Total |
|---|---|---|---|---|
| 11. | Cooperation | 61.00 | — | 61.00 |
| 12. | Minor Irrigation | 430.00 | — | 430.00 |
| 13. | Rural Electrification | 164.00 | — | 164.00 |
| 14. | Industries | 24.00 | 12.00 | 36.00 |
| 15. | Roads | 278.00 | — | 278.00 |
| 16. | Education : | | | |
| | a) Elementary | 385.00 | — | 385.00 |
| | b) Secondary | 142.00 | — | 142.00 |
| | c) Adult | 25.00 | — | 25.00 |
| | d) Higher | 8.00 | — | 8.00 |
| 17. | Health | 281.00 | — | 281.00 |
| 18. | Rural water Supply | 229.00 | — | 229.00 |
| 19. | Housing Board | 20.00 | — | 20.00 |
| 20. | Backward Classes sector | 113.55 | 63.00 | 176.55 |
| 21. | Rural house sites | 49.00 | — | 49.00 |
| 22. | Social Welfare | 7.00 | — | 7.00 |
| 23. | Nutrition : | | | |
| | a) S. W. | 25.00 | — | 25.00 |
| | b) P. & C. D. | 18.00 | — | 18.00 |
| 24. | M. A. D. | 4.00 | 10.00 | 14.00 |
| | Total— | 3275.55 | 201.60 | 3477.15 |

## Annexure—III A

Progress Report Of Land Development Work Under Pasmafap Scheme in Barpeta District During 1987-88

| Sl. No. | Name of L. D. Project | Name of block | Amount alloted per block | Nos of Benefi-ciaries | Area Beni-fited | Ex. in-curred | % of pro-ject | Rema-rks |
|---|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 |
| 1. | Silbari Pathar | Jalah | Rs. 48,800/- | 104 | 37.44 | Rs. 48,800/- | 100% | |
| 2. | Satrakanara | Mendia | " 48,800/- | 99 | 59.93 | " 48,800/- | 100% | |
| 3. | Jamarkur | Rupshree | " 48,800/- | 49 | 52,00 | " 48,800/- | 100% | |
| 4. | Phulbari | Chenga | " 48,800/- | 61 | 53.00 | " 48,800/- | 100% | |
| 5. | Cheriguri Gaon | Goberdhana | " 48,800/- | 29 | 36.40 | " 48,800/- | 100% | |
| 6. | Kathalartari | Bhabanipur | " 48,800/- | 50 | 42.93 | " 48,800/- | 100% | |
| 7. | Galibandha Pathar | Barpeta | " 48,800/- | 58 | 56,00 | " 48,800/- | 100% | |
| 8. | Anandapur Pathar | Bajali | " 48,800/- | 132 | 36.36 | " 48,800/- | 100% | |
| | | | Total—Rs. 3,90,400/- | 582 Nos | 365.06 Hect | Rs. 3,90,400/- | | |

Annexure—III B

Progress Report on Land Development Works Under "Pasmafap" Scheme in Barpeta District for up to the month of March '89

| Sl. No. | Name of Land Devt. Project | Name of Block | Allocation | No. of Beneficiaries | Area benefitted in hact | Progress in P. C. | Expenditure incurred upto the month of 31 March | Remarks |
|---|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 |
| 1. | Bahmara Pathar L/D Project | Bhabanipur | 32,977/- | 97 Nos | 56 H. | 10% | Rs. 2,632.00 | Fund received in March '89 |
| 2. | Dighirpam Pathar L/D Project | Mondia | 32,977/- | 46 " | 51 " | 8% | " 2,997.00 | |
| 3. | Moontola & Boirapara Pathar L/D Project | Rupshree | 32,977/- | 55 " | 67 " | 9% | " 3,296.00 | |
| 4. | Kakadhowa & Bhogernar Pathar L/D Project | Chenga | 32,977/- | 83 " | 88.8 " | 12% | " 3,290.00 | |
| 5. | Halana Pathar L/D Project | Bajali | 32,977/- | 55 " | 53.0 " | 12% | " 2,491.00 | |

## Annexure—III B

| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 |
|---|---|---|---|---|---|---|---|---|
| 6. | Kathalguri Pathar L/D Project | Jallah | 32,977/- | 63 Nos | 43.5 H | 5% | Rs. 2,045.00 | |
| 7. | Parakuchi Pathar L/D Project | Barpeta | 32,977/- | 220 " | 56.00 " | 8% | " 2,632.00 | |
| 8. | Umeguri Boirapur & Chukruagbori Pathar L/D Project | Gobordhana | 32,977/- | 81 " | 72.00 " | 7.4% | " 3,290.00 | |
| | | Total— | 2,63,823/- | 700 Nos | 487.30 H. | — | Rs. 22,067.00 | |

## Annexure—III C

### Minikit Demonstration Programme Under Pasmafap in Barpeta District Kuring The Year 1987-88 and 1988-89

1987-88—Fertiliser Minikit : Total allotment 2,11,200.00

| Sl. No. | Name of Block | Nos. of Minikit | Amount of Expenditure | Nos. of benefit |
|---|---|---|---|---|
| 1. | Jalah | 306 Nos. | 26,400.00 | 306 Nos. |
| 2. | Mandia | 306 " | 26,400.00 | 306 " |
| 3. | Rupshree | 306 " | 26,400.00 | 306 " |
| 4. | Chenga | 306 " | 26,400.00 | 306 " |
| 5. | Gobardhana | 306 " | 26,400.00 | 306 " |
| 6. | Bhabanipur | 306 " | 26,400.00 | 306 " |
| 7. | Barpeta | 306 " | 26,400.00 | 306 " |
| 8. | Bajali | 306 " | 26,400.00 | 306 " |
| | Total | 2448 " | Rs. 2,11,200.00 | 2448 Nos. |

1988-89—Seed Minikit :—

Allotment 1,42,512, Expenditure—Nil.

## Annexure—IV

(ক)

১৯৮৭-৮৮ চনৰ মৰিগাওঁ কৃষি মহকুমাৰ অন্তৰ্গত জাহৰী ঘাট কৃষি সম্প্ৰসাৰন বিষয়াই সাৰ কীট নাশক ঔষধ আৰু শস্যৰ কঠিয়া বিতৰন কৰা তালিকা :—

| ক্ৰঃ নং | কৃষি সম্প্ৰসাৰন বিষয়াৰ চক্ৰ | সামগ্ৰীৰ নাম | পৰিমান | মন্তব্য |
|---|---|---|---|---|
| ৩। | জাহৰীঘাট চক্ৰ | ঘেহু | ১৮.৬৪ কুঃ | |
| | | ধান | ৭'৯২ " | |
| | | মচুৰ | ৬৮ কিলো | |
| | | মাটিমাহ | ৬৪ " | |
| | | মুগমাহ | ৬৪ " | |
| | | মটৰ মাহ | ২১ " | |

(ক)

| ১ | ২ | ৩ | ৪ | ৫ |
|---|---|---|---|---|
| | | চয়াবিন | ৪'১০ কুঃ | |
| | | সৰিয়হ | ২৭০ কিলো | |
| | | বাদাম | ২০ কুঃ | |
| | | ওজিতিল | ১'০১ „ | |
| | | চপেটা পুলি | ৪৪ টা | |
| | | আদা | ১০ কিলো | শস্যৰ বীজ |
| | | হালধী | ৩২৫ „ | |
| | | জিকাগুটি | ১০০ গ্ৰাম | |
| | | ভেন্দিগুটি | ৫০০ „ | |
| | | তিয়হ গুটি | ৫০ „ | |
| | | ফ্ৰেন্স বিন | ৫০ „ | |
| | | নাৰিকলৰ পুলি | ৩২০ টা | |
| | | তামোল পুলি | ৩০০ টা | |
| | | আনাৰসৰ পুলি | ১৭,২০০ টা | |
| | | অসম নেমু | ২৬৬ টা | |
| | | মধুৰী | ৪৪ টা | |
| | | লিটচি | ৪৪ টা | |
| | | ইউৰীয়া | ২৮৮৬'৫ কিঃ | |
| | | এচ,এচ,পি | ৩৯৫০ „ | ৰাসায়নিক |
| | | এম,ও,পি | ১০২২ „ | সাৰ |
| | | অমৃত | ৩৯'৩৪ কুঃ | |
| | | ডি,এ,পি | ১৫৫৪ কিঃ | |
| | | আৰ/মিল | ৯ কুঃ | |
| | | ট্ৰেচেল-২ | ৯০৯ পেকেট | |
| | | জীৱানুসাৰ | ৩৬১ „ | |
| | | ৰৰাস্ক | ৮৭ কিঃ | |
| | | জুলীয়া ঔষধ | ১৮৭'৬ লিটাৰ | কীট নাশক |
| | | গোটা ঔষধ | ৪১৫০'৯৪০ কিঃ | ঔষধ |

১৯৮৭-৮৮ চনৰ মৰিগাওঁ, কৃষি মহকুমাৰ অন্তৰ্গত ভূৰাগাওঁ কৃষি সম্প্ৰসাৰন বিষয়াই সাৰ, কীটনাশক ঔষধ আৰু শস্যৰ কঠিয়া বিতৰন কৰা তালিকা :—

| ক্ৰঃ নং | কৃষি সম্প্ৰসাৰন বিষয়াৰ চক্ৰ | সামগ্ৰীৰ নাম | পৰিমান | মন্তব্য |
|---|---|---|---|---|
| ১। | ভূৰাগাওঁ চক্ৰ | ঘেহু | ১৫'৬০ কুঃ | |
| | | ধান | ১১'৬০ " | |
| | | মচুৰ | ৪০ কিঃ | |
| | | মাটিমাহ | ৪৮ " | |
| | | মুগমাহ | ৪৮ " | শস্যৰ বীজ |
| | | মটৰমাহ | ৭ " | |
| | | সৰিয়হ | ১৫৩ " | |
| | | বাদাম | ৪'০ কুঃ | |
| | | চয়াবিন | ৯'১০ " | |
| | | গুজিতিল | ১'৮০ " | |
| | | আদা | ১০ কিঃ | |
| | | হালধী | ৩৩০ " | |
| | | বন্ধাকবিৰ গুটি | ১'৬৪০ " | |
| | | ফুলকবি গুটি | ১'৬৪০ " | |
| | | ওলকবি গুটি | ১'৪৮০ " | |
| | | মূলা গুটি | ১'২২০ " | |
| | | পালেং গুটি | ১'২২০ " | |
| | | বিলাহী গুটি | ১'৬৪০ " | |
| | | বেঙনা গুটি | ১'৮০০ " | |
| | | নাৰিকল পুলি | ৪১০ টা | |
| | | আনাৰস পুলি | ১৬৯০০ " | |
| | | মধুৰি পুলি | ৩৮ টা | |
| | | লিটাছি পুলি | ৩৮ টা | |
| | | অসম নেমু পুলি | ২৫৭ টা | |
| | | চপেটা পুলি | ৩৮ টা | |
| | | তামোল পুলি | ৫৪০ টা | |

| ১ | ২ | ৩ | ৪ | ৫ |
|---|---|---|---|---|
| | | জলকীয়া গুটি | ১৬০ গ্ৰাম | |
| | | চালগোম গুটি | ১৬০ টা | |
| | | আ/কালচাৰ | ৪৫৩ পেকেট | |
| | | অমৃত | ৩২'১৯ কুঃ | |
| | | ইউৰীয়া | ২৫'৩৭৫ কুঃ | ৰাসায়নিক সাৰ |
| | | ট্ৰেচেল | ৭১'৫ কিঃ | |
| | | আৰ/মিল | ৯ কুঃ | |
| | | এচ,এচ,পি | ৪২'২০ ” | |
| | | এম,ও,পি | ৭'৫৬ ” | |
| | | ডি,এ,পি | ৯'৬০ ” | |
| | | জুলীয়া ঔষধ | ১৮৯'০ লিঃ | কীট |
| | | গোটা ঔষধ | ৪৯৬৪'৫১৫ কিঃ | নাশক |
| | | বৰাস্ক | ৪৪ ” | ঔষধ |

১৯৮৭-৮৮ চনৰ মৰিগাওঁ কৃষি মহকুমাৰ অন্তৰ্গত গেৰুৱা কৃষি সম্প্ৰসাৰণ বিষয়াই সাৰ, কীটনাশক ঔষধ আৰু শস্যৰ কঠিয়া বিতৰন কৰা তালিকা।

| ক্ৰঃ নং | কৃষি সম্প্ৰসাৰন বিষয়াৰ চক্ৰ | সামগ্ৰীৰ নাম | পৰিমান | মন্তব্য |
|---|---|---|---|---|
| ২। | গেৰুৱা চক্ৰ | ঘেহু | ৮'০০ কুঃ | |
| | | ধান | ৮৬০ ” | |
| | | চয়াবিন | ৬'৬০ ” | |
| | | সৰিয়হ | ৫২'৫ কিঃ | |
| | | জিকাগুটি | ১০০ গ্ৰাঃ | |
| | | ভেন্দিগুটি | ১০০ ” | |
| | | তিয়হ গুটি | ৫০ ” | |
| | | ফ্ৰেন্স বিন গুটি | ৫০ ” | |
| | | বন্ধাকবি গুটি | ৯২৫ ” | |
| | | ফুলকবি গুটি | ৯২৫ ” | |
| | | ওলকবি গুটি | ৭৬৫ ” | |
| | | মূলাগুটি | ৫৪০ ” | শস্যৰ বীজ |
| | | পালেং গুটি | ১০৮৫ ” | |
| | | বিলাহী গুটি | ৯২৫ ” | |

| ১ | ২ | ৩ | ৪ | ৫ |
|---|---|---|---|---|
| | | বেঙেনা গুটি | ৯২৫ গ্ৰাঃ | |
| | | চালগোম গুটি | ১৬0 " | |
| | | জলকীয়া গুটি | ১৬০ " | |
| | | নাৰিকল পুলি | ৪৪0 " | |
| | | আনাৰস পুলি | ১৭,৩00 টা | |
| | | মধুৰী পুলি | ৪৬ " | |
| | | লিচু পুলি | ৪৬ " | |
| | | অসম নেমু | ১৬৯ " | |
| | | চপেটা | ৪৬ " | |
| | | তামোল পুলি | ৫২0 " | |
| | | গুজি তিল | ১'0২ কুঃ | |
| | | হালধী | ৩0৫ কিলো | |
| | | আৰকালচৰ | ৫৫৩ পেকেট | |
| | | ইউৰীয়া | ২'২ কুঃ | |
| | | এচ,এচ,পি | ১০০ কিলো | |
| | | ডি,এ,পি | ৬'০ কুঃ | ৰাসায়নিক |
| | | অমৃত | ৩0'0৫ " | সাৰ |
| | | ট্ৰেচেল | ২৬'৫ কিঃ | |
| | | আৰ/মিল | ১'0 কুঃ | |
| | | গোটা ঔষধ | ৫১ কিঃ | কীট নাশক |
| | | জুলীয়া ঔষধ | ৩৭ লিঃ | ঔষধ |

১৯৮৮-৮৯ চনৰ মৰিগাওঁ কৃষি মহকুমাৰ অন্তৰ্গত ভুৰাগাওঁ/গেৰুৱা/লাহৰীঘাট কৃষি সম্প্ৰসাৰণ বিষয়াই সাৰ কীট নাশক ঔষধ আৰু শস্যৰ কঠিয়া বিতৰনৰ তালিকা।

| ক্ৰঃ নং | কৃষি সম্প্ৰসাৰন বিষয়াৰ চক্ৰ | সামগ্ৰীৰ নাম | পৰিমান | মন্তব্য |
|---|---|---|---|---|
| ১। | ভুৰাগাওঁ চক্ৰ | ধান | ৯'৮ কুঃ | শস্য বীজ |
| | | ঘেহু | ৪৫৮'৭১ " | |
| | | সৰিয়হ | ৩'৯৫৫ " | |
| | | মচুৰ মাহ | ১৪'৬৮ " | |
| | | তিল | ৮১'৬00 কিঃ | |

| ১ | ২ | ৩ | ৪ | ৫ |
|---|---|---|---|---|
| | | মটৰ | ৬০'৮০ " | শস্যৰ বীজ |
| | | ইউৰীয়া | ৬৬'০৫ কিং | |
| | | এচ,এচ,পি | ৯৮'৩৫ " | ৰাসায়নিক |
| | | ডি,এ,পি | ৫'৭৬ " | সাৰ |
| | | এম,ও,পি | ১৬'৩২ " | |
| | | জীৱানুসাৰ | ২২ পেকেট | |
| | | তৰল | ৪২৯'৪ লিঃ | কীটনাশক |
| | | গোটা (গুৰি) | ২৬০২'০ কিঃ | ঔষধ |
| ২। | গেৰুৱা চক্র | ধান | ৪,৯০ কুঃ | |
| | | সৰিয়হ | ৩,৪৭ " | শস্যৰবীজ |
| | | ঘেহু | ৪২৫,৮৬ " | |
| | | মচুৰ | ১৫,৬৪ " | |
| | | মটৰ | ৪৫,৭২ " | |
| | | তিল | ৭৪,৪00 কিঃ | |
| | | ইউৰীয়া | ৪৭,০৫ কুঃ | |
| | | এচ,এচ,পি | ৭৩'৩৫ " | ৰাসায়নিক |
| | | ডি,এ,পি | ৫:৭৬ " | সাৰ |
| | | এম,ও,পি | ১৩,৮২ " | |
| | | জীৱানুসাৰ | ৩২ পেকেট | |
| | | তৰল ঔষধ | ১২৩,0 লিঃ | কীট নাশক |
| | | গুৰি ঔষধ | ১০৬৪ কিঃ | ঔষধ |
| ৩। | লাহৰীঘাট চক্র | ধান | ৩৪,৬ কুঃ | |
| | | ঘেহু | ৭১১,১১ " | |
| | | সৰিয়হ | ৮৪,০৭৫ " | |
| | | মচুৰমাহ | ৪২,৭২ " | |
| | | মটৰমাহ | ১১০,৮০ " | |
| | | তিল | ৮১,৬০০ কিলো | |
| | | ইউৰীয়া | ৫৫,৬৮ " | |
| | | এচ, এচ, পি | ৮০,৫৫ " | |
| | | ডি, এ, পি | ৫,৭৬ " | |
| | | এম, ও, পি | ১৪,৯২ " | |
| | | আৰ/কালচাৰ | ১৩ পেকেট | |
| | | তৰল ঔষধ | ৩৭২,৪১৫ লিটাৰ | |
| | | গুৰি ঔষধ | ৪০ কিলো। | |